# সাহিত্য আৰু প্ৰেম

## বাণীকান্ত কাকতি

অসম প্ৰকাশন পৰিষদ

সাহিত্য আৰু প্ৰেম

# সাহিত্য আৰু প্ৰেম

বাণীকান্ত কাকতি

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী- ৭৮১ ০২১

# পাতনি

বিজ্ঞানৰ পণ্ডিতসকলে কয়, জুহালৰ এঙ্গাৰ আৰু বহুমূলীয়া হীৰা হেনো ৰসায়নৰ বিশ্লেষণত একেই পদাৰ্থ। কেৱল তাপ আৰু হেঁচাৰ তাৰতম্য অনুসাৰে দুইৰো বাস্তৱ প্ৰকৃতি আৰু গুণৰ ভেদভাব ওপজে। প্ৰেমৰ পোৰণি শক্তিৰ প্ৰভাৱতো একে তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ ছট্‌ফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্ৰজ্ঞান-বন্তি। ই তেজ-মঙহৰ খন্তেকীয়া ফৰফৰণি নাইকিয়া কৰি অপাৰ্থিৱ সৌন্দৰ্য আৰু আনন্দৰ প্ৰতি উদ্যম সঞ্চাৰ কৰে।

এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্ৰেমৰ স্পৰ্শত প্ৰাণৰ প্ৰতিক্ৰিয়া দেখুওৱা হৈছে। বেদৰ ঋষিপুত্ৰৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্বলাভৰ প্ৰচেষ্টাৰ পৰা আমীয়েলৰ পৰিদৃশ্যমান বিশ্বৰ লগত একাত্মবোধৰ আকাংক্ষা, সেই একে মিলন-স্পৃহাৰেই বিভিন্ন বিকাশ।

এই আখ্যানসমূহ 'আৱাহন', 'জয়ন্তী' আদি কাকতত লিখা হৈছিল। স্নেহাস্পদ ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই সেইবোৰ বুটলি আনি কিতাপ আকাৰত প্ৰকাশ কৰাৰ দিহা কৰিলে। আমাৰ ডেকা সাহিত্য-ৰচকসকলৰ কল্পনাৰ পৰিসৰ বহলোৱাত এই আখ্যানসমূহে সহায় কৰিব বুলি আশা কৰিলো।

গুৱাহাটী — বাণীকান্ত কাকতি

২৮ মে' ১৯৪৮

# সূচী-পত্ৰ


| | | |
|---|---|---|
| ১। | নিশাদূত | ১ |
| ২। | ভাৱৰীয়াৰ ভেশত প্ৰেমিক | ৪ |
| ৩। | নাৰী-হৃদয় | ৮ |
| ৪। | সৌন্দৰ্যৰ প্ৰতাৰণা | ২২ |
| ৫। | কবিৰ অহৈতুকী প্ৰীতি | ৩০ |
| ৬। | পণ্ডিতৰ ভূমাস্পৃহা | ৩৭ |

# নিশাদূত

প্ৰেমৰ দূতকাব্য স্বৰূপে কালিদাসৰ মেঘদূত জাগতিক সাহিত্যত জনাজাত আৰু পণ্ডিতসকলে মেঘদূতৰ ছয়া দেশী-বিদেশী নানান কাব্য-সাহিত্যত লক্ষ্য কৰিছে। সংস্কৃত সাহিত্যত মেঘদূতক অনুকৰণ কৰি বহুত কবিতা ৰচিত হৈছে। তাৰ ভিতৰত ধোয়ী কবিৰ পৱনদূত; ৰূপ গোস্বামীৰ হংসদূত, কৃষ্ণ সাৰ্বভৌমৰ পদাঙ্কদূত, মাধব কবীন্দ্ৰৰ উদ্ধৱদূত উল্লেখযোগ্য। দূত কবিতাৰ চলতি কিন্তু ভাৰতীয় সাহিত্যত বৈদিক যুগৰ পৰাই আছে। ঋগ্বেদৰ এটি সূক্ত প্ৰণয়ৰ দূত কবিতা হিছাপে লিখা হৈছিল বুলি আখ্যান আছে। ঋষিয়ে নিশা দেৱীক তেওঁৰ প্ৰণয়ৰ দূত হিছাপে পঠিয়াইছিল। শৌনকৰ বৃহদ্দেৱতা গ্ৰন্থত এই আখ্যানটো আছে।

পুৰণি কালত দাৰ্ভ্য ৰথৱীতি নামে এজন সকলোৰে জনাজাত ৰাজৰ্ষি আছিল। তেওঁ যজ্ঞ কৰিবলৈ মানস কৰি অত্ৰি ঋষিৰ ওচৰলৈ গ'ল আৰু আত্ম-পৰিচয় দি কামনা জনাই অত্ৰিপুত্ৰ অৰ্চনানসক পুৰোহিতৰ ঠাইত বৰণ কৰিলে।

অৰ্চনানসে নিজৰ ল'ৰা শ্যাবাশ্বক লগত লৈ যজ্ঞলৈ গ'ল। শ্যাবাশ্বও সাঙ্গোপাঙ্গ সমস্ত বেদ-বিদ্যাত সুশিক্ষিত আছিল। যজ্ঞ চলি থাকোতেই পুৰোহিত অৰ্চনানসে যশস্বিনী ৰাজকুমাৰীক দেখিলে আৰু মনতে ভাবিলে ৰাজকুঁৱৰী যদি তেওঁৰ বোৱাৰী হ'লহেঁতেন! শ্যাবাশ্বয়ো কুঁৱৰীক দেখিলে আৰু মন কুঁৱৰীতেই লাগি ৰ'ল (সক্তমাসীত্তদা মনঃ)। শ্যাবাশ্বই ৰজাক ক'লে, "ৰাজন! মোলৈ ছোৱালী দিয়া হওক।" শ্যাবাশ্বক ছোৱালী দিবলৈ বুলি অন্তৰত ইচ্ছা কৰি ৰাণীৰ মত সুধিবলৈ গ'ল। ৰজাই ছোৱালী দিবলৈ নিজৰ ইচ্ছা আছে বুলি কৈ ৰাণীৰ মত সুধিলে আৰু ক'লে, "অত্ৰিপৌত্ৰ আমাৰ পক্ষে একেবাৰে হীন জোঁৱাই নহ'ব।" আভিজাত্য-গৰ্বিতা ৰাণীয়ে উত্তৰ দিলে, "মোৰ ৰাজৰ্ষি কুলত জন্ম, মোৰ কুলৰ ৰজাসকলে বেদ-মন্ত্ৰ দৰ্শন কৰিছিল, সেই কাৰণে যি বেদ-মন্ত্ৰ দৰ্শন কৰি ঋষিপদ পোৱা নাই সি আমাৰ জোঁৱাই হ'ব নোৱাৰে। এই অত্ৰিকুমাৰ বেদ-মন্ত্ৰ দেখোতা নহয়। মোৰ কন্যাক কোনোবা মন্ত্ৰ দেখোতা ঋষিলৈ দিয়ক, যেন বেদ-মাতা হ'ব পাৰে। কিয়নো, মন্ত্ৰ দেখোতাসকলক বেদ-পিতা বুলি কোৱা হয়।" ৰাণীৰ লগত এই পৰামৰ্শ কৰি ৰজাই পুৰোহিতক উত্তৰ দিলে, "বেদ-মন্ত্ৰ দেখোতাত বাজে অইন কোনো আমাৰ জোঁৱাই হ'বলৈ লায়ক নহ'ব।" (অনৃষিৰ্নৈব জামাতা কশ্চিদ্ভবিতুমৰ্হতি।) এইদৰে বিয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য হ'লত যজ্ঞৰ শেষত পুৰোহিত উভতি

গ'ল। কিন্তু শ্যাবাশ্বৰ হ'লে কুমাৰীৰ পৰা মন উভতি নাহিল— (শ্যোবাশ্বস্য তু কন্যায়া মনো নৈব ন্যৱৰ্ত্তত) বাটত যাওঁতে বাপেকে-পুতেকে তৰন্ত আৰু পুৰুমীলহ নামেৰে ৰাজৰ্ষি দুজনাক মাত লগাই গ'ল। তৰন্ত-মহিষী শশীয়সীয়ে মৰম কৰি শ্যাবাশ্বক ছাগলী, গৰু আদি ভালেমান বস্তু উপহাৰ দিলে। এইদৰে ৰাজৰ্ষিসকলৰ পৰা মান-সন্মান পাই বাপেক-পুতেক অত্ৰিৰ আশ্ৰমলৈ গ'ল আৰু মহৰ্ষি অত্ৰিক সেৱা জনালে।

শ্যাবাশ্বৰ মনত বিষাদ। হাবিলৈ গৈ নিজৰ অযোগ্যতাক লক্ষ্য কৰি তেওঁ ভাবি আছে, "হাঁয়! মই নিজে মন্ত্ৰ দেখিব নোৱৰাৰ কাৰণেহে এনে সৰ্বাঙ্গসুন্দৰী কন্যা নেপালো। মই মন্ত্ৰ দেখিবলৈ পোৱাহেঁতেন আনন্দত উপচি পৰিলোহেঁতেন!" এইদৰে অৰণ্যত চিন্তা কৰি থাকোতে তেওঁৰ কাষত আহি অকস্মাৎ মৰুৎ দেৱতাসকল উপস্থিত হ'ল। দেখোতে দেৱতাসকল তেওঁৰ সমান বয়সিয়াল, তুল্যৰূপ; তেওঁলোকৰ সোণখটোৱা বুকু আৰু পুৰুষ আকৃতি। তেওঁলোকক দেখি বিস্মিত হৈ শ্যাবাশ্বই সুধিলে, "তোমালোক কোন?" তাৰ পিছত বুজিলে যে এওঁলোক ৰুদ্ৰপুত্ৰ মৰুৎগণ। তেতিয়া তেওঁ "য ঈং বহন্তে" ইত্যাদি সুক্তেৰে তেওঁলোকৰ স্তৱ কৰিলে।

স্তুতিত সন্তুষ্ট হৈ মৰুৎসকলে যাবৰ সময়ত নিজ নিজ বুকুৰ পৰা সোণ খহাই শ্যাবাশ্বক দি গ'ল।

এইদৰে (সদ্য-ঋষি) অৰ্থাৎ অভিনৱ মন্ত্ৰ দেখোতা হৈ শ্যাবাশ্বই ৰথৱীতিৰ কুঁৱৰীৰ কথা মনেৰে ধ্যান কৰিলে (ৰথৱীতেৰ্দুহিতৰ মগচ্ছন্ মনসাতদা); আৰু নিজৰ এই অভিনৱ ঋষিত্ব পদৰ কথা ৰাজৰ্ষি ৰথৱীতিক জনাবলৈ নিশাদেৱীক দূত নিয়োগ কৰিলে।

"এতৎ মে স্তোমমূৰ্ম্যে দাৰ্ভ্যায় পৰা ৱহ গিৰো দেৱি ৰথীৰিৱ। উত মে বোচতাদিতি সুতসোমে ৰথৱীতৌ ন কামো অপৱেতি মে।" ঋগ্বেদ ৫।৬।১৭-১৮

"হে নিশাদেৱী, মোৰ এই স্তোত্ৰটো দাৰ্ভ্য ৰথৱীতিৰ ওচৰলৈ লৈ যোৱা আৰু মোৰ কথাৰে তেওঁক ক'বা— তেওঁৰ কন্যাৰ পৰা মোৰ প্ৰণয় উলটি অহা নাই।"

নিশাদেৱীয়ে ৰথৱীতিক দেখা নাই আৰু তেওঁ ক'ত থাকে নেজানে বুলি মনত ঠাৱৰ কৰি ঋষিয়ে ক'লে, "এষ ক্ষেতি ৰথৱীতিৰ্মঘবা গোমতীৰণু পৰ্ব্বতেম্বপাশ্ৰিতঃ।" ঋগ্বেদ ৫।৬১।১৯

"এখেতে হিমালয় পৰ্বতক আশ্ৰয় কৰি গোমতী নৈৰ তীৰত থাকে।"

নিশাদেৱীৰ পৰা অভিনৱ ঋষিৰ সম্ভাষণ বাতৰি পাই ৰথৱীতিয়ে কন্যাক লগত লৈ অত্ৰি ঋষিৰ আশ্ৰমত উপস্থিত হ'ল আৰু নিজৰ পৰিচয় দি অৰ্চনানসক স্তুতি কৰি ক'লে, "আপুনি আগেয়ে মোৰ লগত সম্বন্ধ কৰিব খুজিছিল; আপোনাৰ প্ৰস্তাৱ তেতিয়া গ্ৰহণ কৰিব নোৱাৰিলো বুলি খং নকৰি ক্ষমা কৰিব। আপুনি ঋষিপুত্ৰ, স্বয়ং ঋষি আৰু ঋষি-

পিতা। এতেকে মোৰ কন্যাক বোৱাৰী স্বৰূপে গ্ৰহণ কৰক।" এইবুলি পাদ্য-অৰ্ঘ্য আদিৰে অৰ্চনা কৰি এশ বগা ঘোঁৰা যৌতুক হিছাপে দান কৰি তেওঁলোকক ঘৰলৈ বিদায় দিলে। অভিনৱ ঋষি শ্যাবাশ্বয়ো শশীয়সী ৰাণী, তৰন্ত আৰু পুৰুমীলহ ৰাজৰ্ষিক ছটা বৈদিক মন্ত্ৰেৰে স্তৱ কৰি ঘৰলৈ গ'ল।

প্ৰণয়ৰ এই দৌত্য কবিতাত আদিম যুগত সকলো সৰলতা, কোমলতা, নিষ্পাপতাৰ সমাৱেশ আছে। পিছৰ কালৰ উদ্দাম বাসনা, প্ৰণয়িনীৰ অঙ্গি-ভঙ্গিৰ লোলুপ-ধ্যান আদি ইয়াত নাই। সমস্ত আখ্যানটো যেন পুৱাৰ নিয়ৰত তিতি থকা বগা শেৱালি ফুল এপাহি।

বেদৰ ঋষি পদবীৰ বিষয়ে ইয়াতে অলপ কোৱা যুগুত। বেদবিদ্যাত অতি পৈণত আছিল যদিও শ্যাবাশ্বৰ প্ৰণয়ৰ প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল তেওঁ ঋষি পদ নোপোৱাৰ বাবে। যিসকল মহাপুৰুষে আধ্যাত্মিক সত্য উপলব্ধি কৰি ভাষাক আশ্ৰয় কৰি, সেই সত্য প্ৰচাৰ কৰিছিল, তেওঁলোকক ঋষি বোলা হৈছিল। ঋষি শব্দৰ ধাতুগত অৰ্থ হৈছে দ্ৰষ্টা; দেখোতা। সেই কাৰণে বেদ-মন্ত্ৰ ৰচোতা ঋষিসকলক মন্ত্ৰ-দ্ৰষ্টা বোলা হয়।

সাধাৰণ পুথিক লক্ষ্য কৰি আমি কওঁ যে অমুকটো কবিতা অমুকৰ ৰচিত। কিন্তু বেদৰ মন্ত্ৰৰ বিষয়ে এইদৰেহে কোৱা হয় যে অমুক মন্ত্ৰৰ দ্ৰষ্টা অমুক ঋষি অৰ্থাৎ অমুক মন্ত্ৰত যি তত্ত্ব বা সত্যৰ বিকাশ হৈছে সই তত্ত্ব বা সত্য সনাতন; কিন্তু অমুক ঋষিয়ে ধ্যানত দেখি প্ৰচাৰ কৰিছে।

আজিকালিৰ কথাৰ সহায়েৰে বুজিব লাগিলে বৈজ্ঞানিক আৱিষ্কাৰবোৰৰ কথা ধৰিব পাৰি। সৃষ্টিৰ আদিৰ পৰাই পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তি চলি আছে। এই শক্তি-তত্ত্ব প্ৰথমে নিউটনে জ্ঞানচকুৰে দেখি মানুহে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বেদৰ পৰিভাষাৰে ক'ব লাগিলে এই মাধ্যাকৰ্ষণ তত্ত্বৰ ঋষি (দেখোতা আৰু প্ৰচাৰ কৰোঁতা) নিউটন। সেইদৰে সৃষ্টিৰ আদিৰ পৰাই অভিব্যক্তি শক্তি চলিয়েই আছে। ডাৰৱিনে এই তত্ত্বজ্ঞান চকুৰে দেখি সকলোৱে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বিজ্ঞান জগতত অভিব্যক্তি মন্ত্ৰৰ ঋষি হৈছে ডাৰৱিন। সেইদৰে যেতিয়া কোৱা হয় যে গায়ত্ৰী মন্ত্ৰৰ ঋষি বিশ্বামিত্ৰ, আমি বুজিব লাগিব যে মাধ্যাকৰ্ষণ-তত্ত্বৰ দৰে গায়ত্ৰী-তত্ত্বও অনাদি অপৌৰুষেয়; বিশ্বামিত্ৰ ঋষিয়ে সেই তত্ত্ব জ্ঞান-চকুৰে দেখি লৌকিক ভাষাত প্ৰচাৰ কৰে।

যিসকল মহাপুৰুষে আধ্যাত্মিক সত্য আৱিষ্কাৰ কৰি মন্ত্ৰ ৰচনা কৰিছিল তেওঁলোকক বৈদিক যুগত ঋষি বোলা হৈছিল আৰু তেওঁলোকৰ মনো সাঙ্গোপাঙ্গ বেদবিদ্যাত পৈণত অথচ ঋষি নহয়, তেনেকুৱা বিদ্বান পণ্ডিততকৈ বহুত ওপৰত।

শ্যাবাশ্ব পণ্ডিত আছিল; কিন্তু ঋষিত্ব পোৱা নাছিল, সেই কাৰণে তেওঁৰ প্ৰণয় প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল।

# ভাৱৰীয়াৰ ভেশত প্ৰেমিক

[পৌৰাণিক আখ্যান]

দেৱতা আৰু অসুৰৰ বিৰোধ। সচৰাচৰ যি হয়, ব্ৰহ্মাই সকলো অঘটন-ঘটনৰ গুৰিত। কোনোবা অসুৰে তপস্যাত বহিলেই সন্তুষ্ট হৈ ব্ৰহ্মাই বৰ দিয়ে। বজ্ৰনাভ নামে এজন দৈত্যই তপস্যাৰে ব্ৰহ্মাক প্ৰসন্ন কৰি বৰ লভিলে— তেওঁ দেৱতাসকলৰ অবধ্য হ'ব। বৰ লভিয়েই বজ্ৰপুৰ নামে নগৰ এখন নিৰ্মাণ কৰিলে। আনৰ কথা দূৰত, তাত বায়ু দেৱতাৰো নিজ ইচ্ছামতে প্ৰৱেশ নিষিদ্ধ। বজ্ৰনাভ অসুৰে মাজে-সময়ে বজ্ৰপুৰৰ পৰা দেৱতাসকলক জোকাবলৈ ধৰিলে।

অসুৰৰ শ্ৰীবৃদ্ধি হ'লে ইন্দ্ৰৰ ইন্দ্ৰত্ব যায় বুলি ভয় হয়। সৰগৰ ৰজা ইন্দ্ৰই ৰাজ্য হেৰুৱাবৰ ভয়ত শ্ৰীকৃষ্ণত শৰণ মাগিলে। শ্ৰীকৃষ্ণই অভয় দি ক'লে, বজ্ৰনাভ দেৱতাৰ অবধ্য, কিন্তু দেৱপুত্ৰ প্ৰদ্যুম্নৰ হাতত তাৰ মৰণ হ'ব।

সেই সময়ত ভদ্ৰ নামে এজন নাট (ভাৱৰীয়া) আছিল। তেওঁ ঋষিসকলৰ যজ্ঞত গীত-নাচোনেৰে সকলোকে মুগ্ধ কৰিব পাৰিছিল। বসুদেৱৰ অশ্বমেধ যজ্ঞত তেওঁ ঋষিসকলক এনেভাৱে মোহিত কৰিলে যে ঋষিসকলে তেওঁক বৰ দিলে— যেন সপ্তদীপা পৃথিৱীত তেওঁৰ অবাধ গতি হয়, তেওঁ চিৰযুৱা আৰু নিৰোগী থাকিব আৰু কাৰো হাতত তেওঁৰ মৃত্যু নঘটিব; তেওঁ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ যাৰ ভাও যেতিয়া দেখুৱাব, হুবহু তাৰ ৰূপ ল'ব পাৰিব। এইদৰে বৰলব্ধ হ'লত ভদ্ৰ-নটৰ কিৰ্তি সকলো জগততেই বিয়পি পৰিল।

সচৰাচৰ দেখা যায়, অসুৰৰ গোপন শত্ৰু নিজৰ ছোৱালী। সিহঁতে অসুৰৰ লোণ খায়, কিন্তু দেৱতাৰহে গুণ গায়। বাণ ৰজাই ৰাজ্য হেৰুৱায় ছোৱালী উষাৰ বৈগুণ্য দোষত। বজ্ৰনাভৰো ৰূপৱতী ছোৱালী এজনী আছিল; নাম প্ৰভাৱতী। তেওঁৰ পণ আছিল স্বয়ম্বৰত পতি বাছি ল'ব। দেশ-দেশান্তৰৰ পৰা কোঁৱৰসকল আহে, বাছনি পৰীক্ষাত উঠিব নোৱাৰি লাজে-অপমানে উভতি যায়। শেষত কোনো নহাত পৰিল। প্ৰভাৱতীয়ে অসুৰৰ তিৰোতাসকলৰ মুখত শ্ৰীকৃষ্ণৰ পুত্ৰ প্ৰদ্যুম্নৰ (কামদেৱ) ৰূপ-গুণৰ গৌৰৱ শুনি তেওঁৰ নামতেই হিয়া-মন সমৰ্পণ কৰিছিল। কিন্তু তেওঁৰ লগত কেনেকৈ মিলন হ'ব সেইটো ভাবি ওৰ নেপাইছিল, "হৃদি মে বৰ্ত্ততে নিত্যং প্ৰদ্যুম্নঃ

খলু সত্তমে! হেতুঃ স নাস্তি স্যাত্তেন যথা মম সমাগমঃ।।”

ছিদ্ৰৰ সন্ধেদ পাই শ্ৰীকৃষ্ণৰ পৰামৰ্শমতে ইন্দ্ৰদেৱতাই হাঁহ এজাক কুটনীতিৰ চৰিয়া হিছাপে বজ্ৰপুৰলৈ পঠিয়াই দিলে। সিহঁত গৈ বজ্ৰনাভৰ অন্তেষপুৰৰ পুখুৰীত পৰিব আৰু নানান লাহ-বিলাহেৰে অন্তেযপুৰৰ তিৰোতাসকলৰ মন মুহিব, মানুহৰ ভাষাৰে কথা ক'ব আৰু ছেগ বুজি প্ৰভাৱতীৰ আগত গুণ-গৰিমা বখানিব, প্ৰভাৱতীৰ মন কুমলিলে প্ৰদ্যুম্নৰ আগত প্ৰভাৱতীৰ ৰূপ-লাৱণ্য বখানিব। এইদৰে যেতিয়া দুয়ো দুইৰো প্ৰতি বিহ্বল হৈ উঠে তেতিয়া হাঁহজাকে ইন্দ্ৰক বাতৰি যোগাব। তেতিয়া শ্ৰীকৃষ্ণৰ পৰামৰ্শ অনুসাৰে যথাবিধেয় কৰা হ'ব।

হাঁহজাক উৰি গৈ বজ্ৰনাভৰ অন্তেষপুৰৰ পুখুৰীত পৰিল। লয়লাস বিভঙ্গেৰে পুখুৰীত সাঁতুৰি পানী-খেল খেলিবলৈ ধৰিলে। অন্তেষপুৰৰ তিৰোতাসকলে উলহ-মালহকৈ আগুৰি ধৰিলে। হাঁহজাকে মানুহৰ ভাষাৰে সম্ভাষণ কৰি সকলোৰে পৰিচয় ল'লে। প্ৰভাৱতীয়ে শুচিমুখী নামে হাঁহিনী এজনীক সখী পাতিলে। ছেগ অনুসাৰে শুচিমুখীয়ে প্ৰভাৱতীৰ অন্তৰৰ বুজ-বাজ ল'লে। সঙ্গোপনে প্ৰেমতত্ত্বৰ পৰিচয় দিবলৈ ধৰিলে, “হে লাজুকী ভয়াতুৰে, দিনে দিনে যৌৱনৰ কাল উকলি যায়। যিটো দিন পাৰ হয় পানীৰ সোঁতৰ দৰে সি উভতি নাহে। তুমি স্বয়ম্বৰ পণ কৰিছা সঁচা, কিন্তু লাজ-অপমানৰ ভয়ত কোনে তোমাৰ ওচৰলৈ আহিব? তুমি প্ৰদ্যুম্নক ভাল পোৱা, কিন্তু কি সাহ আৰু ভৰসাৰেই বা তেওঁ তোমাৰ ওচৰলৈ আহিব?”

প্ৰভাৱতীয়েও সঙ্গোপনে উত্তৰ দিলে, “প্ৰদ্যুম্নৰ পিতৃ দৈত্যকুলৰ শত্ৰু। বজ্ৰপুৰত কাৰো প্ৰৱেশ নাই। যদি কেনেবাকৈ প্ৰদ্যুম্নক বজ্ৰপুৰলৈ অনাব পাৰা, মোৰ প্ৰতি বৰ অনুগ্ৰহ হয়!” শুচিমুখী প্ৰণয়ৰ দূতী স্বৰূপে দ্বাৰকালৈ যাবলৈ আগবাঢ়িল; কিন্তু প্ৰভাৱতীক ক'লে, “তোমাৰ পিতা বজ্ৰনাভৰ ওচৰত মোৰ দেশ-বিদেশৰ অভিজ্ঞতাৰ গৌৰৱ ৰটনা কৰি চোৱাচোন।” প্ৰভাৱতীয়ে শুচিমুখীৰ কথা-কুশলতাৰ পৰিচয় দিলত বজ্ৰনাভে শুচিমুখীক মাতি নি সুধিলে, “হংসী, তুমি দেশ-দেশান্তৰত উৰি ফুৰা, ক'ত কি আচৰিত বস্তু দেখিছা কোৱাচোন।” শুচিমুখীয়ে নানান আচৰিত বস্তুৰ লগত লব্ধৱৰ ভদ্ৰ-নটৰ আখ্যান উল্লেখ কৰিলে। ভদ্ৰ-নট কামৰূপী আৰু দেৱ, গন্ধৰ্ব সকলোৰে গীত আৰু নাচোনেৰে গোটেইখন জগতকে মুহিব পাৰে। বজ্ৰনাভে উত্তৰ দিলে, “মোৰ এইজন ভাৱৰীয়াক এবাৰ চাবলৈ কৌতূহল হৈছে। এটি উপায় কৰি আনিবৰ চেষ্টা কৰিবাচোন।”

পিতা-পুত্ৰী দুয়োৰে দূতী হিছাপে হংসী গৈ ইন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ ওচৰ পালেগৈ।

শ্ৰীকৃষ্ণই ক্ষণ বুজি দৈৱিক মায়াৰে যদুবংশী ডেকাসকলক ভাৱৰীয়াৰ সাজেৰে সজালে। প্ৰদ্যুম্নক প্ৰধান ভাৱৰীয়া ভদ্ৰ-নটৰ আৰু গদক শ্ৰুতিধৰৰ সাজ দিলে। লগত বাৰবণিতা কেতবোৰক নাচনী কৰি পঠিয়ালে।

ভাৱৰীয়াৰ বেশেৰে যদুবংশীসকল বজ্ৰপুৰত উপস্থিত হ'লগৈ। দৈত্যসকলে এওঁলোককেই প্ৰকৃত ভদ্ৰ-নটৰ দল বুলি ধৰি লৈ মান-সৎকাৰ কৰিলে। ভাৱৰীয়াসকলে প্ৰথমে ৰামায়ণৰ আখ্যানৰ ভাও দেখুৱালে (ৰামায়ণংমহাকাব্যমুদ্দেশ্য নাটকীকৃতম্)। অসুৰসকলে নটনৈপুণ্যত বিস্ময়াপ্লুত হৈ গাৰ কাপোৰ, অলঙ্কাৰ আদি খহাই ভাৱৰীয়াসকলক লক্ষ্য কৰি দলিয়াই দিবলৈ ধৰিলে। চাৰিওফালে জয়-জয়কাৰ ৰোল উঠিল।

বজ্ৰনাভে ভাৱৰীয়াসকলক অন্তেষপুৰৰ ভিতৰলৈ অনাই ভাত দিয়াবলৈ ক'লে। যাদৱসকলে অন্তেষপুৰলৈ আহি প্ৰথমে গীতৰ সহায়েৰে গঙ্গাবতৰণ নাচ নাচিলে। পিছত 'ৰম্ভাৰ অভিসাৰ' নামে নাটৰ ভাও দেখুৱালে। ৰাৱণৰ ভাওত প্ৰদ্যুম্ন আৰু ৰম্ভাৰ ভাওত মনোবতী নামে নটীজনী। যাদৱসকলে মায়াৰ বলেৰে কৈলাসৰ দৃশ্যপটৰো ৰূপ দেখুৱালে। ডেকা, বুঢ়া সকলো আনন্দত আপোনপাহৰা হ'ল।

এই মতলীয়া অৱস্থাৰ চেলু লৈ শুচিমুখীয়ে প্ৰভাৱতীক জনালে, "সখী, মই দ্বাৰকালৈ গৈ প্ৰদ্যুম্নক তোমাৰ ভক্তি নিবেদন কৰিছো। তেওঁ আজি সন্ধ্যা সময়ত তোমাক প্ৰেম-সম্ভাষণ জনাবলৈ আহিব বুলি বান্ধ ৰাখিছে। আজি তোমাৰ প্ৰিয়-সমাগমৰ বাঞ্ছা পূৰণ হ'ব।" এই অভাৱনীয় বাতৰিত প্ৰভাৱতী আনন্দত কঁপিবলৈ ধৰিলে আৰু সখীয়েকক সেই ৰাতি একে ঘৰতেই শুবলৈ খাটিলে, যাতে কোনো ভয়ৰ কাৰণ থাকিব নোৱাৰে।

শুচিমুখীয়ে নটবেশী প্ৰদ্যুম্নৰ ওচৰত প্ৰণয় বাতৰি জনালে। প্ৰদ্যুম্নই মায়াৰ বলেৰে মৌ-মাখি এটি হৈ ফুলৰ মালা এধাৰিত খামোচ মাৰি ধৰিলে আৰু শুচিমুখীৰ হাতৰ মালাত ওলমি প্ৰভাৱতীৰ ঘৰ সোমাল।

মৌ-মাখিটো প্ৰভাৱতীৰ কাণেৰে মৰ্মস্থলত সোমালগৈ। প্ৰভাৱতীৰ কাম-জ্বৰ উঠিল।

প্ৰভাৱতী যেতিয়া জ্বৰত কাতৰ হ'ল, প্ৰদ্যুম্নই নিজৰ ৰূপ ধাৰণ কৰি আপোন পৰিচয় দিলে আৰু গন্ধৰ্ব ৰীতিৰে প্ৰভাৱতীক বিয়া কৰাই প্ৰেম-সম্ভাষণ জনালে। চৰিয়া হাঁহজাক দুৱাৰ-ৰখীয়া হৈ থাকিল।

দিনৰ পিছত দিন উকলিবলৈ ধৰিলে। সাপে সাপৰ ঠেং দেখে, প্ৰেমিকাই

প্ৰেমিকৰ ৰং-ৰহস্যৰ গম পায়। বজ্ৰনাভৰ ভায়েক সুনাভৰ দুজনী ছোৱালী, নাম 'চন্দ্ৰৱতী আৰু গুণৱতী। তেওঁলোকে নিতৌ প্ৰভাৱতীৰ ঘৰলৈ অহা-যোৱা কৰে। প্ৰভাৱতীৰ গতি-বিধি লক্ষ্য কৰি এদিন সুধিলে, "কিনো ঘটনা?" প্ৰভাৱতীয়ে ছলকৈ উত্তৰ দিলে, "মোৰ হাতত গুপ্ত বিদ্যা এটি আছে। তাৰ সহায়েৰে দেৱ-দানৱ যাকে বাঞ্ছা কৰা তাকে ধৰি আনি প্ৰেম-সম্ভাষণ কৰিব পাৰা। চোৱা, মোৰ প্ৰিয়তম প্ৰদ্যুম্নক কেনেকৈ মন্ত্ৰেৰে মোহিত কৰি বান্ধি ৰাখিছো। লাগিলে তোমালোকলৈয়ো প্ৰেমিক-প্ৰিয়তম অনাই দিব পাৰো।" তেওঁলোক সৈমান হ'লত যদুবীৰ গদ আৰু সাম্বৰ লগত তেওঁলোকৰো গান্ধৰ্ব বিয়া ঘটালে।

এতিয়া ধৰা পৰিবৰ পাল আহিল। কিন্তু সোনকালে সেইটো ঘটি নুঠিল। ভাৰৰীয়াসকলে এনেদৰে সকলোকে মুগ্ধ কৰিছিল যে তেওঁলোকৰ গতি-গোত্ৰ অসুৰৰ অবোধ্য। যেতিয়া আটাইবোৰ প্ৰেমিকৰ সন্তান উপজি ধূলিত খেলিব পৰা হ'ল তেতিয়াহে দৈত্যসকলৰ চকুত পৰিল, কথা বিষম। বজ্ৰনাভলৈ বাতৰি দিয়া হ'ল, যুদ্ধ লাগিল আৰু ব্ৰহ্মাৰ বৰৰ ছিদ্ৰ অনুসাৰে দেৱ-পুত্ৰ প্ৰদ্যুম্নৰ হাতত বজ্ৰনাভৰ মৃত্যু ঘটিল।

এই আখ্যানৰ মূল হৰিবংশ। তাত সকলো ঘটনাৰ বহল বিৱৰণ আছে। ইয়াত কেৱল উপাখ্যানৰ জঁকাটোৰ প্ৰধান ৰেখাবোৰৰ চিত্ৰ এটিহে দিয়া হ'ল। ইয়াত প্ৰণয়ৰ দৌত্য কৰিছে হাঁহ এজাকে, কিন্তু প্ৰধান আকৰ্ষণ হৈছে প্ৰণয়ীৰ ভাৰৰীয়াৰ ছদ্মবেশ।

# নাৰী-হৃদয়

স্ত্ৰী-পুৰুষৰ ভাবৰ অভিব্যক্তি আৰু ঘাত-প্ৰতিঘাতৰ পৰা যি ঘটনা পৰম্পৰাৰ সৃষ্টি হয়, তাৰ দ্বাৰাই ৰস-সাহিত্যৰ গঠন আৰু পুষ্টিসাধন হয়। সেই সৌন্দৰ্য-ৰসৰ উপভোগেই সাহিত্য-সেৱাৰ চৰম উদ্দেশ্য বুলি পঢ়ুৱৈ সমাজে গ্ৰহণ কৰে। ৰস-সাহিত্যত পুৰুষৰ মুখত যিবোৰ কথা আৰোপ কৰা হয়, সেইবোৰ পুৰুষোচিত হয় নে নহয়, বিচক্ষণ পঢ়ুৱৈসকলে সহজে অনুভৱ কৰিব পাৰে। বিশেষতঃ সাহিত্যৰ বুৰঞ্জীত নামজ্বলা লেখকসকল যেতিয়া পুৰুষ মানুহেই, তেওঁলোকে প্ৰতিভা আৰু কল্পনাৰ বলেৰে নিজৰ মনৰ ভাবৰ পৰাই পুৰুষ সাধাৰণৰ মনৰ ভাব অতি সহজেই স্বাভাৱিকতাৰ ব্যতিক্ৰম নোহোৱাকৈ সুললিত ভাষাত বৰ্ণনা কৰিব পাৰে। কিন্তু জগতৰ ৰস-সাহিত্যত তিৰোতাৰ মুখত যিবোৰ সুন্দৰ আৰু ঠায়ে ঠায়ে অসুন্দৰ কথা দিয়া হৈছে, সেইবোৰ প্ৰকৃত স্ত্ৰী-হৃদয় আৰু স্ত্ৰী-স্বভাৱৰ স্বাভাৱিক অভিব্যক্তি হয়নে নহয়, সেই বিষয়ত সময়ে সময়ে বিদগ্ধ সমালোচকসকলে সন্দেহ প্ৰকাশ কৰে। এসময়ত এনে মতো চলিছিল যে তিৰোতা জাতিৰ আত্মাই নাই। তেওঁলোকৰ বোধশক্তি নিচেই কম। পুৰুষে যিভাৱে তেওঁলোকৰ মন স্পৰ্শ কৰে, তেওঁলোকৰ কথাত তাৰেই প্ৰতিধ্বনি হয় মাথোন। চাটুকথা কোৱা, তেওঁলোক সেও খাব; আওহেলা কৰা, তেওঁলোক ভেমত ওফন্দি পৰিব। এইবোৰ কথা সঁচানে মিছা, সেইটো নাৰী-চৰিত্ৰত অভিজ্ঞসকলে বিচাৰ কৰিব। কিন্তু সাহিত্যত নাৰী-হৃদয় আৰু নাৰী স্বভাৱৰ যি বিকাশ দেখা যায়, সি কিমান পৰিমাণে পুৰুষ গ্ৰন্থকাৰসকলৰ কাল্পনিক আৰোপ আৰু কি পৰিমাণে প্ৰকৃত স্ত্ৰী-চৰিত্ৰৰ স্বাভাৱিক অভিব্যক্তি, সেই কথা বৰ্তমান শিক্ষা বিস্তাৰৰ যুগত মৌলিক প্ৰতিভাশালী স্ত্ৰী-লেখিকা কেতবোৰ নোলায় মানে চিৰকলীয়া সমস্যা হৈয়ে থাকিব।

ঊনৈশ শতিকাৰ আৰম্ভণিৰ পৰাই ইংৰাজী সাহিত্যত ক্ষমতাশালী তিৰোতা লেখিকা কিছুমান ওলাইছে। কিন্তু সমালোচকসকলে কয় যে পুৰুষে লিখা সাহিত্যই যুগ-যুগান্তৰৰ পৰা এনে এটি বিৰাট প্ৰভাৱ বিস্তাৰ কৰি আছে যে তিৰোতা লেখিকাসকলেও সেই প্ৰভাৱৰ পৰা মুকলি হৈ স্বাধীনভাৱে ভাবিব আৰু লিখিব পৰা নাই। পুৰুষৰ সাহিত্যত তিৰোতাৰ মনত যি ভাব আৰোপ কৰা হৈছে বা চৰিত্ৰৰ যি বিশ্লেষণ দিয়া হৈছে, তিৰোতাসকলেও যুগ-যুগান্তৰৰ সংস্কাৰবশতঃ তাকেই নিজৰ বুলি গ্ৰহণ কৰি তেওঁলোকৰ সাহিত্যতো তাৰেই প্ৰতিধ্বনি কৰিছে মাথোন। তিৰোতাৰ মনৰ স্বৰূপ কি? পুৰুষৰ সাহিত্যত তেওঁলোকৰ মনৰ যি বিকাশ দেখুওৱা হৈছে, সেয়ে তেওঁলোকৰ মননে? স্ত্ৰী-

হৃদয়ৰ প্ৰতিকৃতি বেলেগ। আজিকালি নাৰী-জাগৰণৰ দিনত শিক্ষিতা লেখিকা থকাহেঁতেন, তেওঁলোকে কিভাবে মনৰ ভাব প্ৰকাশ কৰিলেহেঁতেন, তাৰ পৰা এই প্ৰশ্নৰ মীমাংসা কিছু পৰিমাণে সহজ হ'লহেঁতেন। কিন্তু সাহিত্যৰ বুৰঞ্জীত মৌলিক প্ৰতিভাশালী কোনো তিৰোতা লেখিকাৰ উল্লেখ নাই। যদিওবা পুৰণি গ্ৰীচত চেফো বুলি বিদুষী কবি এগৰাকী ওলাইছিল, কালৰ এনে কুটিল দৃষ্টি যে নানান গ্ৰন্থকাৰৰ পুথিবোৰৰ উদ্ধাৰ হ'ল, কিন্তু আগ-গুৰি নোহোৱা লোকৰ পুথিত উদ্ধৃত কেতবোৰ পদাংশত বাজে চেফোৰ আটাইবোৰ কবিতা কালৰ গৰ্ভত মাৰ গ'ল। এনে অৱস্থাত প্ৰকৃত নাৰী-হৃদয়ৰ স্বৰূপ কি ? কবি বৰ্ণিত 'বজ্ৰাদপি কঠোৰাণি মৃদূণি কুসুমাদপি' ফুলতকৈ কোমল আৰু অৱস্থা বিশেষে বজ্ৰতকৈয়ো কঠোৰ, এয়ে নাৰী-হৃদয়নে? সমালোচকে কোৱাৰ দৰে 'a mere nothing'– ই এটি বিৰাট শূন্যতা; ইয়াৰ মীমাংসা ভৱিষ্যতৰ হাতত। পুৰুষ সমালোচকে কেতিয়াবা এনেও মত পোহে যে পুৰুষৰ প্ৰেমে নাৰীৰ জীৱন গৌৰৱমণ্ডিত কৰে। বিচক্ষণ খনিকৰে যেনেকৈ অৰূপ শিলাখণ্ডৰ পৰা দেৱমূৰ্তি কাটি উলিয়ায়, তেনেকৈ প্ৰেমিকেও নাৰী-হৃদয়ৰ নিৰাকাৰ শূন্যতাৰ ভিতৰত প্ৰেম-মন্ত্ৰেৰে নিজৰ আদৰ্শমূৰ্তি জগাই তোলে। এইবোৰ দুৰূহ আৰু জটিল তৰ্ক, নাৰী-হৃদয়ৰ স্বতন্ত্ৰ বিকাশৰ বাবে প্ৰতিভাশালী তিৰোতা লেখিকা নোলায় মানে পৰিচয়ৰ কাৰণে সাহিত্য-জগতে বাট চাই থাকিব লাগিব। কিন্তু অৱস্থা অনুসাৰে নাৰীৰ প্ৰেমেও যে পুৰুষৰ জীৱন গৌৰৱান্বিত কৰে, তিৰোতায়ো যে পুৰুষৰ বাবে আত্ম-দান কৰিব পাৰে আৰু উদং নাৰী-হৃদয় কেনে ধৰণৰ হ'ব পাৰে তলত দিয়া ঐতিহাসিক ঘটনাৱলীৰ পৰা কিছু আভাস পোৱা হ'ব।

য়ুৰোপৰ মধ্যযুগত ১০৭৯ খ্ৰীষ্টীয় শকত পীয়াৰে আবেলাৰ্ডৰ জন্ম হয়। তেওঁ দেখাত বৰ সুপুৰুষ আছিল। সময়ত তেওঁ অতি বিদগ্ধ পণ্ডিত হৈ উঠিল। আমাৰ দেশত বেদান্তৰ ভাষ্যকাৰ শঙ্কৰাচাৰ্যৰ যি পাণ্ডিত্যৰ খ্যাতি, য়ুৰোপতো মধ্যযুগত প্ৰচলিত শাস্ত্ৰ আৰু দৰ্শন সমালোচনাত আবেলাৰ্ডৰ সেই খ্যাতি। তেওঁৰ শাস্ত্ৰৰ ব্যাখ্যা আৰু গৱেষণাই এনে মোহিনী শক্তি বিস্তাৰ কৰিছিল যে তেওঁৰ বিপদশঙ্কুল জীৱনত য'তেই তেওঁ পলাই ফুৰিছিল, ত'তেই উৱাদিহ লৈ দেশ-দেশান্তৰৰ ছাত্ৰসকলে খেদি গৈ লগ ধৰি তেওঁ থকা ঠাইৰ চাৰিওফালে পঁজা বান্ধি থাকিও তেওঁৰ বক্তৃতা শুনিছিল। ঐতিহাসিক পণ্ডিতসকলে কয় তেওঁ এটি গতিশীল বিশ্ববিদ্যালয় আছিল। তেওঁলোকে ইমানখিনিও ক'ব খোজে যে আবেলাৰ্ডে যি আদৰ্শৰ মোহিনী শক্তিত হেজাৰ হেজাৰ ছাত্ৰ টানি আনিছিল, সেই শক্তিৰ সঙ্ঘবদ্ধ গঠনৰ চেষ্টাতেই পিছৰ কালত বিশ্ববিদ্যালয়ৰ আৱিৰ্ভাৱ হয়।

যি দুৰ্ঘটনাই আবেলাৰ্ডক তেওঁৰ পাণ্ডিত্যতকৈয়ো বেছিকৈ সাহিত্য বুৰঞ্জীত জীয়াই ৰাখিছে, তাৰ বিৱৰণ তেওঁ Historia Calamitatum, 'দুৰ্ভাগ্যৰ সোঁৱৰণি' বোলা আত্ম-চৰিতত নিজেই বৰ্ণাই গৈছে। তাৰে চমু বিৱৰণ এটি তলত দিয়া হ'ল।

ডেকা কালত পেৰিছ নগৰত শাস্ত্ৰৰ ব্যাখ্যা কৰি যেতিয়া আবেলাৰ্ডে গৌৰৱৰ জেউতি চৰাইছিল, তেতিয়া সেই নগৰত হেলইছা নামেৰে এজনী অসামান্য বিদুষী ছোৱালী আছিল। ছোৱালীজনী ফুলবাৰ্ট নামৰ দদায়েকৰ লগত আছিল। দদায়েকৰো ইচ্ছা, ছোৱালীজনীক যেন সেই সময়ত চলিত সকলো দৰ্শন, অলঙ্কাৰ আদি শাস্ত্ৰত অদ্বিতীয় কৰি গঢ়ি তোলে।

আবেলাৰ্ডে ইমান দিন সংযতভাৱেই জীৱন-যাপন কৰিছিল। কিন্তু উজান বয়স আৰু সুখ্যাতিৰ তেজ তপতোৱা প্ৰভাৱত মনৰ বান্ধ মুকলি কৰি দি প্ৰেমৰ পাত্ৰী এজনীৰ সন্ধানত মন দিলে। হেলইছাৰ জ্ঞানস্পৃহাৰ কথাৰ বুজ পাই নিজৰ দেখনিয়াৰ শৰীৰ আৰু যশস্যাৰ আশ্ৰয় কৰি হেলইছাক প্ৰেমৰ শিকলিৰে বান্ধিবৰ উপায় সাজিবলৈ ধৰিলে। আপোন ঘৰত থাকিলে পঢ়া আৰু গৱেষণাৰ ক্ষতি হয় বুলি ফুলবাৰ্টৰ ঘৰত থাকিবলৈ তেওঁ বন্দৱস্ত কৰাই ল'লে। ফুলবাৰ্ট যদিও বৰ কৃপণ আছিল, তথাপি ভতিজা-জীয়াৰীক শিকোৱালৈ তেওঁৰ ইমান আগ্ৰহ যে আবেলাৰ্ডক নিজ ঘৰত থাকিবলৈ দি হেলইছাক তেওঁত শোধাই দিলে। তেওঁ যেন ছাত্ৰক শিকোৱাত বাজে আন সময়খিনি ছোৱালীজনীক শিকোৱাত নিয়োগ কৰে, দিনে-ৰাতি যি কোনো সময়তে ছোৱালীৰ ওচৰলৈ তেওঁৰ গতি অবাধ থাকিব আৰু আৱশ্যক হ'লে পঢ়া-শুনাত আওহেলা কৰা বুলি তেওঁ ছোৱালীক শাস্তিও দিব পাৰিব। দদায়েকৰ এই সৰলতাত বিদগ্ধ পণ্ডিত মুগ্ধ হ'লেও তেওঁৰ কামুক অন্তৰাত্মা এই প্ৰস্তাৱত লেলিহান হৈ উঠিল। আবেলাৰ্ডে অকপটভাৱে আত্ম-চৰিতত লিখিছে যে কামবৃত্তি চৰিতাৰ্থ কৰিবৰ অৰ্থে এই সুযোগৰ সম্পূৰ্ণ সুবিধা ল'বলৈ তেওঁ সাজু আছিল। যদি কথাত বশ নহয়, তেনেহ'লে শাস্তি প্ৰয়োগ তেওঁৰ ক্ষমতাৰ ভিতৰতেই আছিল। কবিয়ে গাইছে, 'অপথে পদমৰ্পয়ন্তি হি শ্ৰুতান্বিতোহপি ৰজোনিমীলিতাঃ', বেদ-বিজ্ঞান পাৰ্গত পণ্ডিতেও ৰজোগুণত অন্ধলা হৈ আওবাটত খোজ দিয়ে।

কিন্তু ইমানলৈ যাব নেলাগিল। মূৰৰ ওপৰৰ এডুখৰি ছালেই দুয়োৰো হিয়া দুখনিক এখনি কৰি তুলিলে। মেলা পুথি মেলাই থাকিল, দৰ্শন শাস্ত্ৰৰ ঠাই প্ৰেমালাপে ল'লে, জটিল সূত্ৰৰ ঠাই চুমাই অধিকাৰ কৰিলে আৰু উদ্ভাসিত চকুত জ্ঞানৰ দীপ্তিৰ ঠাইত প্ৰেমৰ স্নিগ্ধপ্ৰভা জিলিকিবলৈ ধৰিলে। দদায়েকে সন্দেহ কৰিব বুলি কেতিয়াবা ধেমালিকৈ মৰিওৱাৰ ভাও দিব ধৰিলে।

কিন্তু কাৰ্যত তেওঁৰ মনৰ বৈলক্ষণ্য প্ৰকাশ পাবলৈ ধৰিলে। ছাত্ৰসকলৰ প্ৰতি আওহেলা, বক্তৃতাতো পুৰণি কথাৰেই পুনৰুক্তি আৰু কবিতা ৰচনাতো দৰ্শনৰ বিশদ ব্যাখ্যাৰ ঠাইত প্ৰেমৰ গুণ-গৰিমাই ঠাই ল'লে। আবেলাৰ্ডৰ কবিতাই চাৰিওফালৰ পৰাই সমাদৰ পালে; কিন্তু ছাত্ৰসকলৰ অন্তৰৰ পৰা দীঘল আৰু তপত হুমুনিয়াহ ওলাবলৈ ধৰিলে 'পতত্যধো ধাম বিসাৰি সৰ্ব্বতঃ'—সকলো দিশ পোহৰ কৰি উল্কাৰ দৰে তেওঁৰ দীপ্তি

তলমুখে পৰিবলৈ ধৰিলে। দদায়েকত বাজে আন সকলোৱে কথাৰ বুজ পালে; শেহত দদায়েকেও নেজানি নেথাকিল। প্ৰেমিক-প্ৰেমিকা আঁতৰা-আঁতৰি হ'ব লগাত পৰিল। বিৰহ-যন্ত্ৰণাৰ মাজতো ইটোৰ-সিটোৰ দুৰ্গতিৰ কথা ভাবি বিমোৰ।

ইয়াৰ অলপ পিছতেই হেলইছাই বৰ আনন্দেৰে আবেলাৰ্ডলৈ লিখি পঠালে যে তেওঁ অন্তঃসত্বা হৈছে আৰু এতিয়া কি কৰিব পৰামৰ্শ সুধিলে। এদিন দদায়েক ফুলবাৰ্ট ঘৰত নথকাত আগেয়ে কোৰামতে আবেলাৰ্ডে হেলইছাক নিজৰ জন্মভূমি ব্ৰিটনি বোলা ঠাইলৈ লৈ গ'ল আৰু ভনীয়েকৰ তত্বাৱধানত ৰাখিলে। তাতেই হেলইছাৰ ল'ৰা এটি উপজিল।

ইফালে দদায়েক আহি শুদা ঘৰ দেখি বলিয়া হ'ল। আবেলাৰ্ডক মাৰ-ধৰ কৰিলে জানোচা হেলইছাক তেওঁৰ কুটুমসকলে অত্যাচাৰ কৰে, এই ভয়তেই মনৰ খং মনতে মাৰ নিয়াবলৈ ধৰিলে। শেষত আবেলাৰ্ডে দদায়েকৰ দুখত নিজেই কাতৰ হৈ তেওঁক গৈ ক'লে, এই ঘটনাত শোক কৰিবলগীয়া কথা একো নাই আৰু ইয়াত অস্বাভাৱিকতাৰো লেশ মাত্ৰ নাই। তেওঁ ছোৱালীজনীক বিধিমতে বিয়া কৰিব। কিন্তু বিয়াৰ কথাত যেনে দদায়েকে হাঁহি মুখেৰে মান্তি হ'ল; কিন্তু অন্তৰত প্ৰতিহিংসাৰ জুই জ্বলি উঠিল।

মধ্যযুগত নিয়ম আছিল যে যিসকলে অধ্যাপনাৰ ব্ৰত গ্ৰহণ কৰে, তেওঁলোকে কৌমাৰ্য অৱলম্বন কৰিব। যদিওবা কেতিয়াবা ভৰি পিছলে সেইটো সিমান ধৰিবলগীয়া নাছিল। কিন্তু বিয়াৰ বান্ধোনত সোমালে, অধ্যাপনাৰ কামত ব্যাঘাত হয় বুলি সেই দিনৰ ধৰ্ম-প্ৰতিষ্ঠানবিলাকৰ ভৱিষ্যৎ উন্নতিত বাধা জন্মে। আবেলাৰ্ডে ভৱিষ্যতৰ উন্নতিৰ কথা তাচ্ছিল্য কৰি, ধৰ্মপত্নী কৰিবলৈ হেলইছাক ঘৰৰ পৰা অনালে।

ইমানখিনিলৈ ঘটনাত সাধাৰণ প্ৰেম-কাহিনীত বাজে আন কথা চকুত নপৰে। কিন্তু বিয়াৰ প্ৰস্তাৱৰ বিৰুদ্ধে হেলইছাই যি অভিনৱ যুক্তিৰ অৱতাৰণা কৰিলে তাৰ পৰা তেওঁৰ চৰিত্ৰৰ মহত্ত্ব ফুটি ওলাল।

বিদুষী হেলইছাই বিয়াৰ প্ৰস্তাৱত আপত্তি তুলিলে, প্ৰথমতঃ, দদায়েকৰ স্বভাৱ তেওঁ ভালকৈ জানে। বিয়াৰ চেলু লৈ দদায়েকে আবেলাৰ্ডৰ ওপৰত প্ৰতিশোধ ল'বলৈ চেষ্টা কৰিব। দ্বিতীয়তঃ বিয়াৰ পৰা তেওঁৰ যি ভৱিষ্যৎ উন্নতিৰ ভেটা হ'ব তাত তেওঁ নিজকেই গৌৰৱান্বিত বুলি ভাবিব কেনেকৈ? আবেলাৰ্ডৰ প্ৰতিভা জগতৰ হিতৰ বাবে, তেওঁৰ ভৱিষ্যৎ ঠাই ধৰ্ম-প্ৰতিষ্ঠানৰ ওখ শিখৰত। এনে এজন পুৰুষক নিজৰ কৰি ঘৰৰ চাৰি চুকত সুমুৱাই ৰাখিলে জগতৰ শাও তেওঁৰ ওপৰত নপৰিবনে? যদিওবা আবেলাৰ্ডে জগতৰ আশা আৰু নিজৰ ভৱিষ্যৎ গৌৰৱক তুচ্ছ-জ্ঞান কৰি ঘৰুৱা জীৱনকে ডাঙৰ পাতিব খোজে, তাৰ পৰাই বা তেওঁৰ সুখ-শান্তি কি হ'ব? তিৰোতা-সেৱা আৰু শাস্ত্ৰ-চৰ্চা সমানে সমানে নচলে। এফালে শিক্ষাৰ কাম, আনফালে ঘৰুৱা জঞ্জাল; এফালে শাস্ত্ৰৰ

প্ৰতি মনোযোগ, আনফালে ল'ৰা-ছোৱালীৰ চিএৱৰ-বাখৰ; ইয়াত তেওঁৰ শান্তিৰ সম্ভাৱনা ক'ত? সেই কাৰণে সকলো যুগতেই জ্ঞানসেৱীসকলে সংসাৰৰ আহুকালৰ পৰা আঁতৰত থাকি নিৰ্বিবাদে জ্ঞান-চৰ্চাতেই মন নিয়োগ কৰিছিল।

ইমানতো আবেলাৰ্ডৰ সঙ্কল্প অটল দেখি হেলইছাই নিজৰ সুখৰ নাম কৰিয়েই তেওঁক বুজাবলৈ ধৰিলে। পেৰিছ নগৰত থকাটো হেলইছাৰ পক্ষে অশান্তিকৰ হ'ব। বিবাহিতা হোৱাতকৈ আবেলাৰ্ডৰ ৰক্ষিতা হোৱাটোহে তেওঁ বেছি গৌৰৱান্বিত বুলি ভাবে। আঁতৰা-আঁতৰিকৈ থকাৰ বাবে তেওঁলোকৰ ক্ষণিক মিলনো স্বৰ্গীয় সুখৰ আকৰ যেন হ'ব।

ইয়াতো আবেলাৰ্ডক অচল দেখি চকুৰ পানীৰ ভিতৰেদি হেলইছাই নিঃস্বাৰ্থে প্ৰেমিকাৰ ভৱিষ্যৎ-দৰ্শিতাৰ পৰিচয় দি ক'লে, "বিয়াৰ ঘটনাৰ পৰা আমাৰ যি আমৰণ শোকৰ ঢল বৈ থাকিব, তাৰ গভীৰতা আমাৰ আগৰ প্ৰেমৰ গভীৰতাতকৈ কম নহ'ব।" ঘটনাৰ চকৰি যেনেকৈ ঘূৰিবলৈ ধৰিলে, এই ভৱিষ্যৎবাণী আখৰে আখৰে ফলিল।

ল'ৰাটোক ভনীয়েকৰ ওচৰত ৰাখি দুয়ো পেৰিছলৈ আহিল আৰু বিধান অনুসাৰে গোপনে বিয়া হৈ গ'ল। বিয়াৰ পিছত দুয়ো বেলেগে থাকিল আৰু সময়মতে গোপনে দেখা-শুনা চলিবলৈ ধৰিলে। দদায়েকে আগৰ অঙ্গীকাৰ ভঙ্গ কৰি প্ৰচাৰ কৰি দিলে যে আবেলাৰ্ডৰ বিয়া হৈ গৈছে। কিন্তু হেলইছাই ক'বলৈ ধৰিলে যে এইটো মিছা। এইটো গম পাই আবেলাৰ্ডে হেলইছাক পেৰিছৰ ওচৰত মধ্যযুগৰ খ্ৰীষ্টীয় ভিক্ষুণীৰ মঠ এটিত ভিক্ষুণীৰ ভেশ পিন্ধাই থৈ দিলে। তেতিয়াৰ দিনত গৃহবাসত থকা তিৰোতায়ো ভিক্ষুণীৰ বেশ লৈ মঠত থাকিব পাৰিছিল আৰু যিমান দিন ভিক্ষুণীয়ে ওৰণি নলয়, তিমান দিন ইচ্ছা কৰিলে আকৌ গৃহবাসলৈ উলটি আহিব পাৰিছিল। হেলইছাই তেতিয়া ওৰণি লোৱা নাছিল। দদায়কে এই বাতৰি পাই প্ৰতাৰিত হোৱা যেন ভাবি আবেলাৰ্ডৰ ওপৰত নৃশংস আৰু ঘৃণনীয় প্ৰতিহিংসা ল'লে। ৰাতি আবেলাৰ্ডৰ লগুৱাহঁতক টকা দি বশ কৰি তেওঁৰ শোৱা খোঁটালিত সোমাই তেওঁক 'ভগ্নমুষ্ক' কৰি অপুৰুষ কৰিলে।

পুৱা এই পাশৱিক নিৰ্যাতনৰ কথা চাৰিওফালে বিয়পি পৰিল। লোকৰ সমাৰোহ হ'ল। পণ্ডিত আৰু ছাত্ৰসকলৰ আৰ্তনাদত চাৰিওদিক শোকত উথলি উঠিল। দাৰুণ যন্ত্ৰণা আৰু লাজ-অপমানত আবেলাৰ্ড মৰাৰ তুল্য হ'ল। চিৰকাললৈ তেওঁৰ ওপৰত জগতৰ ঘৃণাৰ চকু থাকিব আৰু শাস্ত্ৰৰ বিধানমতেও তেওঁ অশুচি হৈয়ে থাকিব লগা হ'ল। জগতৰ চকুৰ পৰা আঁতৰিবলৈ, হেলইছাক ওৰণি ল'বলৈ স্বইচ্ছাৰে মান্তি কৰাই ছেণ্ট ডেনিছৰ মঠত আবেলাৰ্ডে চিৰ-সন্ন্যাস মন্ত্ৰ গ্ৰহণ কৰিলে।

হেলইছাই যেতিয়া ওৰণি ল'বলৈ যো-জা কৰিবলৈ ধৰিলে সঙ্গিনীসকলে তেওঁক নিৰস্ত কৰিবলৈ চেষ্টা কৰিলে— 'কিমিত্যপাস্যাভৰণানি যৌৱনে ধৃতং ত্বয়া বাৰ্দ্ধক্যশোভি

বঙ্কলম'— এতিয়াও তেওঁৰ ভৰ যৌবন; এই বয়সতেই বুঢ়াকালৰ উপযোগী ওৰণি ল'ব কেলেই? কিন্তু হেলইছাই অকণো বিচলিত নহৈ চকুৰ পানী মচি, "অ' মোৰ মহামহিমান্বিত স্বামী, তোমাক এইদৰে দুৰ্দশাগ্ৰস্ত কৰিবলৈ অপৰাধিনীয়ে কিয় বিয়াৰ প্ৰস্তাৱত সম্মতি দিছিলো? সেই অপৰাধৰ দণ্ড নিজ হাতে তুলি ধৰিছো, তুমি গ্ৰহণ কৰা।" এইবুলি মন্দিৰৰ থাপনাৰ ওচৰলৈ গৈ নিজ হাতে মন্ত্ৰপূত ওৰণি তুলি লৈ পৰিদৃশ্যমান জগতৰ ওপৰত আঁৰ-কাপোৰ টানি দিলে।

'দুৰ্ভাগ্যৰ সোঁৱৰণি' বোলা আত্ম-চৰিতত আবেলাৰ্ডৰ বিষয়ে আন আন কথাও আছে। সেইবোৰৰ উল্লেখ অপ্ৰাসঙ্গিক। ছেণ্ট ডেনিছৰ মঠৰ পৰা আহি আবেলাৰ্ডে আৰ্ডিসোঁ নৈৰ পাৰত পেৰাক্লিট বুলি বেলেগ এটি মঠ স্থাপন কৰিলে আৰু এইটো মঠ হেলইছা আৰু সহধৰ্মচাৰিণীসকলক এৰি দি তেওঁ আন এটি মঠলৈ গ'ল। এই মঠতেই 'দুৰ্ভাগ্যৰ সোঁৱৰণী' লেখা হয়।

পেৰাক্লিট মঠৰ পৰা আঁতৰাৰ পিছত কেতিয়াবা কাচিৎহে আবেলাৰ্ডে তালৈ গৈছিল। কিয়নো তেওঁ তালৈ গ'লেই জনসাধাৰণৰ মাৰ যোৱা পুৰণি সোঁৱৰণি তেওঁৰ বিষয়ে সজাগ হৈ উঠে। হেলইছা বিদুষী আছিল। অলপ সময়ৰ ভিতৰতেই তেওঁ মঠাধিকাৰিণী হ'ল আৰু সকলোৱে তেওঁৰ জ্ঞাননিষ্ঠা আৰু আধ্যাত্মিকতাৰ শলাগ ল'বলৈ ধৰিলে। তেওঁ বাহিৰলৈ নোলায়, সকলো সময় ধ্যান-ধাৰণাতেই কটালে।

কিন্তু তেওঁৰ ধ্যান-ধাৰণাৰ উপাস্য-বস্তু কি আছিল? তেওঁ পৰলোকৰ কথাকেই ভাবিছিলনে? এদিনাখন কেনেবাকৈ 'দুৰ্ভাগ্যৰ সোঁৱৰণি'খনি তেওঁৰ হাতত পৰিল। পুথিখন পঢ়ি সন্ন্যাসী আবেলাৰ্ডলৈ যি এখন দীঘলীয়া চিঠি লিখিলে, তাৰ পৰাই নাৰী জীৱনৰ গৰিমা আৰু দুৰ্বলতা ওলাই পৰে। হেলইছাৰ চিঠিখন কল্পনাৰ ৰহণ সানি ছন্দোবন্ধ কৰি নানান কবিয়ে প্ৰসিদ্ধি লাভ কৰিছে। তলত তাৰ সাৰাংশ তুলি দিয়া হ'ল।

সন্ন্যাস-ব্ৰত গ্ৰহণ কৰিলে লৌকিক জগতৰ সম্বন্ধ এৰি দি সন্ন্যাসী-সন্ন্যাসিনীয়ে ধৰ্ম-ভাই-ভনী সম্বন্ধ পাতি লোৱাৰ নিয়ম আছিল; কিন্তু হেলইছাই যিখন চিঠি লিখিছিল তাত তেওঁ আবেলাৰ্ডক এইদৰে সম্বোধন কৰিছিল—

To her husband, rather to a friend– 'তেওঁৰ স্বামীলৈ, অ' নহয়, তেওঁৰ ধৰম ভাইলৈ'। "অ' মোৰ প্ৰিয়তম, তুমি যিখন আত্ম-চৰিত তোমাৰ কোনোবা বন্ধুক বিপদত ধৈৰ্য ধৰিবলৈ আদেশ দি ৰচনা কৰিছা, সেইখন মোৰ হাতত পৰিছেহি। তোমাৰ কথাবোৰে মোৰ সোঁৱৰণিত বিষাদৰ ঘোৰ কালিমা ঢালি দিছে। কিয়নো সেইবোৰে অতীতৰ শোকাৱহ প্ৰেমৰ কাহিনী আৰু তোমাৰ অছেদ-অভেদ দুৰ্দশাৰ বাতৰিক আকৌ সজীৱ কৰি তুলিছে। তোমাৰ 'সোঁৱৰণি' কোনেও শুকান চকুৰে পঢ়িব নোৱাৰে। তুমি বন্ধুলৈ দীঘলীয়া চিঠি লিখি তেওঁক সান্ত্বনা দিবলৈ চেষ্টা কৰিছা, তুমি নতুনকৈ মঠ এটি

সাজি আমাক ইয়াত থাকিবলৈ দিছা। কিন্তু আমি কেনেকৈ চলিব লাগে তাৰ চেষ্টা কৰা নাই। আনৰ কথা এৰি দিলেও মোক তুমি আওহেলা কৰা কেনেকৈ? বিয়াৰ বান্ধোনত তুমি আৰু মই একাত্ম হৈ গ'লো, এতিয়াও তোমাকেই আশ্ৰয় কৰি আছো। মোৰ সদ্‌গতিৰ কাৰণেও কেতিয়াবা চিঠি এখনি লিখিব নোপোৱানে?

"প্ৰিয়তম, তোমাক হেৰুৱাই মই কি নেহেৰুৱাইছো, তুমি জানা; কোনেই বা নেজানে? বিশ্বাসঘাতকতাৰ পাশৱিক নিৰ্যাতনত তোমাকো হেৰুৱালো, নিজকো হেৰুৱালো। মোৰ শোক যিমান বেছি, তিমানেই তুমি মোক সান্ত্বনা দিব লাগিছিল। তুমিয়েই মোক শোক-তাপত দেইপুৰি মাৰিব পাৰা, তুমিয়েই মোক সান্ত্বনা দি আনন্দতো ৰাখিব পাৰা।"

মোৰ প্ৰতি তোমাৰ এইটো কৰ্তব্যও— তুমি মনত আঘাত পাবা বুলি তোমাৰ আদেশ সম্পূৰ্ণভাৱে পালন কৰি মোৰ জীৱন জলাঞ্জলি দিছো। নহয়, ইয়াতকৈয়ো মই বেছি কৰিছো— মোৰ প্ৰেমে বলিয়ালিত পৰিণত হৈ যি প্ৰতীকৰ পৰা সুখ-সম্ভোগ বিচাৰে সেই প্ৰতীকৰেই আশা এৰি দিলে যেতিয়া এই সাজ-পাৰৰ লগে লগে হিয়াৰো অধিকাৰী হৈ থাকিব পাৰা। ঈশ্বৰে জানে, মই কেৱল তোমাকহে বিচাৰিছিলো; তোমাৰ আন যি আছিল তাক মই বিচৰা নাই। মই তোমাৰ লগত বিয়াৰ সম্বন্ধ বিচৰা নাই; যৌতুক বিচৰা নাই; তোমাৰ ইচ্ছাকেহে পালন কৰিছো। পত্নী-সম্বন্ধ পবিত্ৰ হ'ব পাৰে, বেছি শক্তিশালী হ'ব পাৰে; কিন্তু মোৰ মানত 'ৰক্ষিতা' সম্বন্ধ— যদি খং নকৰা— তোমাৰ লগত অভিসাৰিকা সম্বন্ধহে মোৰ প্ৰিয়তৰ লাগিছিল। তোমাৰ মনত মোৰ অৱস্থা যিমানেই হীন হয় তিমানেই তোমাৰ অনুগ্ৰহৰ পাত্ৰী হৈ যেন ভাবিছিলো, তিমানেই তোমাৰ গৌৰৱ ক্ষুণ্ণ নকৰাকৈ তোমাৰ সেৱা কৰিব পাৰিম বুলি ভাবিছিলো। যদি ৰোমৰ সম্ৰাট অগাষ্টাছে মোক অৰ্দ্ধ সাম্ৰাজ্যেশ্বৰী পাতিম বুলি বিয়া কৰাব খুজিলেহেঁতেন তথাপি ঈশ্বৰক সাক্ষী ৰাখি মই ক'ব পাৰো, তোমাৰ লগত ৰক্ষিতা সম্বন্ধহে মোৰ মনঃপুত হ'লহেঁতেন। চহকী আৰু শক্তিমান হ'লেই মানুহ শ্ৰেষ্ঠ নহয়। চহকী হোৱাটো সৌভাগ্য হ'ব পাৰে, কিন্তু তোমাৰ হৈছে গুণীৰ অৱস্থা। যি তিৰোতাই দুখীয়াতকৈ চহকী স্বামীহে বিচাৰে, তেওঁক স্নেহ নিদি টকাহে দিব লাগে। তোমাৰ প্ৰতি মোৰ প্ৰীতি ভ্ৰমবিমুক্ত; সম্ৰাট বা পণ্ডিত কোন তোমাৰ সমান যশস্বী হ'ব পাৰে? কোন নগৰ বা কোন দেশে তোমাৰ দৰশন অভিলাষ নকৰে? তুমি যেতিয়া সভা-মণ্ডপত থিয় হোৱা কোনে তোমাৰ ক্ষণিক দৃষ্টি পাবলৈ ডিঙি নেমেলে? কোন কুমাৰীয়ে তোমাৰ বিৰহৰ উদ্বেগ আৰু তোমাৰ উপস্থিতিত তপত তেজৰ সঞ্চাৰ অনুভৱ নকৰে? কোন সম্ৰাজ্ঞী মোৰ সুখ আৰু সম্ভোগত ঈৰ্ষান্বিত হোৱা নাছিল? তোমাৰ দুটি গুণ আছিল, যি সকলো তিৰোতাৰে মন আঁজুৰি আনিব পাৰিছিল— তোমাৰ গীত আৰু কবিত্ব-শক্তি। জটিল

শাস্ত্র-চৰ্চাৰ পৰা ভাগৰ পলুৱাবলৈ নানান ছন্দ আৰু গাঁথাত তুমি কবিতা ৰচনা কৰিছিলা; ভাবৰ মধুৰতা আৰু ছন্দৰ ঝঙ্কাৰৰ বাবে তোমাৰ নাম মানুহৰ মুখে মুখে। তোমাৰ গীতৰ ঝঙ্কাৰে নিৰক্ষৰ সমাজতো তোমাক চিৰঞ্জীৱী কৰি ৰাখিছে। এইবোৰ গুণৰ কাৰণেই নাৰী সাধাৰণেই তোমাৰ প্ৰেমিকা হ'বলৈ দীঘল হুমুনিয়া কাঢ়ে। এইবোৰ গীত যেতিয়া মোৰ নামৰ লগত সংশ্লিষ্ট, তোমাৰ গীতৰ লগে লগে মোৰ নামো ছিটিকি পৰি নাৰী সমাজক মোৰ সৌভাগ্যত ঈৰ্ষান্বিত কৰি তুলিছিল। শৰীৰৰ কি সৌষ্ঠৱ আৰু মনৰ কি গুণে তোমাৰ যৌৱনক অলঙ্কৃত কৰা নাই? কোন ঈৰ্ষান্বিত তিৰোতাই তোমাৰ স্নেহৰ পৰা বঞ্চিত মোক এতিয়া অনুকম্পা নকৰিব, কোন শত্ৰুৱে স্নেহবিধুৰা মোৰ প্ৰতি সদয় নহ'ব?

"মই নিৰ্দোষী হৈয়ো তোমাৰ দুৰ্দশাৰ কাৰণ হওঁ। কামৰ ফলত দোষ নহয়, কৰোঁতাৰ উদ্দেশ্যইহে অপৰাধ সৃষ্টি কৰে। তোমাৰ লগত মোৰ যি সংযোগ তাৰ কাৰণ তুমি নিজে কৈছা আৰু তাৰ কাৰণ তুমিহে বিচাৰ কৰিবও পাৰা। মই সকলো কথা তোমাৰ বিচাৰত অৰ্পণ কৰিলো আৰু তোমাৰ আদেশ মূৰ পাতি ল'ম।

"মোক এটি কথা কোৱাচোন, তুমি কোৱামতে মোৰ সন্ন্যাস দীক্ষাৰ পিছত মই কিয় পাহৰণিৰ গৰ্ভত পৰিলো, কিয় মই তোমাৰ কথা শুনি বা তোমাৰ চিঠি পাই শৰীৰ শীতলাবলৈ নেপাওঁ? যদি পাৰা তুমি অস্বীকাৰ কৰা। এইটো অন্তৰত অনুভৱ কৰোঁ আৰু লোকেও সন্দেহ কৰে— বন্ধুতাতকৈ বাসনাই, প্ৰেমতকৈ কামুকতাইহে তোমাক মোৰ ওচৰ পোৱাইছিল। সেইদেখি যেতিয়া বাসনাৰ তৃপ্তি হ'ল, ইয়াৰ চৰিতাৰ্থতাৰ বাবে তোমাৰ যি আগ্ৰহ সকলো নাইকিয়া হ'ল। অ' মোৰ প্ৰিয়তম, এইটো কেৱল মোৰ নহয়, লোক সমাজৰো ধাৰণা। কেৱল মোৰ ধাৰণা হোৱাহেঁতেন অসন্তোষৰ কাৰণ নাছিল, তেতিয়া তোমাৰ আন্তৰিক প্ৰেমৰ সাক্ষীসকলে মোৰ মনৰ তাপ শীতলোৱাত সহায় কৰিলেহেঁতেন। তুমি যি অপৰাধ কৰিছা তাৰ খণ্ডনৰ বাবে যদি যুক্তি বিচাৰি পালোহেঁতেন, মই কাঁচৰ মূল্যত আত্ম-বিক্ৰয় কৰাৰ বাবে সান্ত্বনা পালোহেঁতেন। মই এটি অনুৰোধ কৰোঁ, ৰক্ষা কৰা তোমাৰ সাং নোহোৱা ভাষাত অন্ততঃ প্ৰীতিৰ ভাও কৰিও মোলৈ চিঠি লিখা তোমাৰ সাময়িক উপস্থিতিও যেতিয়া দুৰ্মূল্য, তোমাৰ ভাষাই তোমাৰ স্নিগ্ধ মূৰ্তি মোৰ চকুত সজীৱ কৰি ৰাখিব।

"মই তোমাৰ পৰা বহুত দাবী কৰিব পাৰো যেন লাগে। তোমাৰ বাবেই মই সকলোখিনি কৰা নাইনে? এতিয়াও তোমাৰ আদেশেই পালন কৰি নাছোনে? অকণমানি ছোৱালী কালতেই ভিক্ষুণীৰ ওৰণি ল'লো— পুণ্য সাচিবলৈ নহয়, তোমাৰ আদেশ পালন কৰিবলৈহে। তোমাৰ পৰা যদি একো পাবৰ যোগ্য নহওঁ, ঈশ্বৰৰ পৰাও একো পাব নোৱাৰো; তেওঁৰ বাবে একো কৰা নাই। তুমি সন্ন্যাস-ব্ৰত লোৱাৰ আগতেই মোক সন্ন্যাসিনী

কৰিলা— মোৰ প্ৰতি যি অবিশ্বাস ইয়াত প্ৰকাশ পালে তাৰ বাবে মই কাতৰ আৰু লজ্জিত হৈছিলো। ঈশ্বৰে জানে তোমাৰ আদেশত মই জুইত সোমাব পাৰো। মোৰ হিয়া মোত নাই, তোমাৰ তাত আছে আৰু এতিয়া তোমাৰ হিয়াতেই মাৰ গৈছে। তোমাক এৰি ইয়াত থাকিবৰ ঠাই নাই। মোৰ হিয়াই যেন তোমাৰ হিয়াতেই নিৰাপদে থাকিব পাৰে; কাবৌ কৰিছো তুমি যেন অলপ মন দিয়া। মই সৰ্বস্ব দিছো, তুমি অকণমানো দয়া দেখুওৱা। মই কি কৰিছো আৰু মোৰ প্ৰতি তোমাৰ কি কৰ্তব্য বুলি ভাবা, তুমি যেন নেপাহৰা। তোমাৰ লগত যেতিয়া ইন্দ্ৰিয়-সুখত লিপ্ত আছিলো, তেতিয়া মানুহে সন্দেহ কৰিছিল, মই কামনে বিশুদ্ধ প্ৰেমৰ তাড়নাত তোমাৰ প্ৰতি আকৃষ্ট হৈছিলো। কিন্তু আৰম্ভণিৰ উদ্দেশ্যে সামৰণিৰ পৰাই বুজি ল'ব পাৰি। তোমাৰ আদেশ পালিবলৈ সুখৰ পৰা নিজক বিচ্ছিন্ন কৰিছো। তোমাৰ লগত একাত্ম হোৱাত বাজে নিজৰ বুলিবৰ একো ৰখা নাই। মোৰ প্ৰতি তোমাৰ ঋণৰ যি পৰিমাণ, তাৰ শোধৰ বাবে তুমি অনায়াসে দিব পৰা যৎসামান্য বস্তু অকণিও যদি নিদিয়া, তেনেহ'লে তুমি কেনে অসজ যেন লাগিব, ভাবি চোৱাচোন। যি ঈশ্বৰৰ নামত সন্ন্যাস-ব্ৰত লৈছা, তেওঁৰ নামত তোমাক কিবা দি খাটিছো, তুমি অনায়াসে কৰিব পাৰা— মোক সান্ত্বনাৰ চিঠি এখন দিবাচোন। তোমাৰ চিঠিতেই মোৰ মন জুৰাব। তেতিয়া মই একাগ্ৰভাৱে ঈশ্বৰ-সেৱা কৰিব পাৰিম। আগেয়ে তুমি যেতিয়া মোক ইন্দ্ৰিয়-সুখৰ বাবে মাতিছিলা, তেতিয়া লানি নিছিগা চিঠিৰে মোক তত্ নোহোৱা কৰিছিলা। তোমাৰ গীতেই মোৰ নাম বাটে-ঘাটে প্ৰতিধ্বনিত কৰি তুলিছিল। তেতিয়া চিঠিৰে সম্ভোগ-সুখলৈ মাতিছিলা, এতিয়া তোমাৰ চিঠিৰে মোক ঈশ্বৰাভিমুখী কৰিবলৈ উদগনি দিয়াটো তোমাৰ কিমান উচিত কাম? মোৰ প্ৰতি তোমাৰ কৰ্তব্য বিচাৰি ল'বা; মই কি খুজিছো মনত ৰাখিবা। বিদায় মোৰ সৰ্বহ।"

হেলইছাৰ কৰুণা-কাতৰ চিঠিৰ উত্তৰ আবেলাৰ্ডে দিলে। তেওঁৰ চিঠি নিদাৰুণ সংযত, তাত ব্যক্তিগত সম্বন্ধৰ কোনো উল্লেখ নাই। সম্বোধনৰ ঠাইত আছে— To Heloise, his beloved sister in Christ –'খ্ৰীষ্টৰ সম্পৰ্কে প্ৰিয়তম ভনী হেলইছালৈ।' তেওঁ লিখিছে যে তেওঁলোকৰ সন্ন্যাস-দীক্ষাৰ পিছত হেলইছালৈ চিঠি লিখা নাই তাৰ কাৰণ আওহেলা নহয়। হেলইছাৰ বিবেচনা আৰু ধৈৰ্যৰ ওপৰত তেওঁৰ অটল বিশ্বাস। তেওঁ ভবা নাছিল যে যিজনীয়ে মঠাধিকাৰিণী হিছাপে তেওঁৰ তলতীয়া ভিক্ষুণীসকলক ঈশ্বৰৰ কৃপাৰ বাতৰি দি সান্ত্বনা দিব পাৰিছে তেওঁ আকৌ আনৰ পৰা উপদেশ অপেক্ষা কৰিব? কিন্তু যদি বিনয়বশত তেওঁ কেতিয়াবা আবেলাৰ্ডৰ পৰা ঈশ্বৰ বিষয়ক কোনো কথাত পৰামৰ্শ বিচাৰে তেওঁ আবেলাৰ্ডলৈ লিখিব পাৰে আৰু তেৰোঁ ঈশ্বৰে যেনে মতি দিয়ে— সেই অনুসাৰে লিখিব ইত্যাদি। আকৌ শাস্ত্ৰীয় বিচাৰত যিবোৰে তেওঁৰ ওচৰত হাৰ মানিছে, সেইবোৰে তেওঁক বধ কৰাবলৈ দিন-ৰাতি ফান্দ পাতি ফুৰিব লাগিছে।

কেতিয়াবা যদি শত্ৰুৰ হাতত তেওঁৰ মৃত্যু ঘটে নাইবা স্বাভাৱিক কাৰণেও যদি তেওঁৰ মৰণ হয় তেওঁ মিনতিকৈ কৈছে যেন তেওঁৰ শ' পোতাবলৈ পেৰাক্লিট মঠলৈ অনা হয়। তেওঁৰ পোতা-আত্মাৰ কল্যানৰ অৰ্থে দয়াকৈ প্ৰাৰ্থনা কৰিব। তেওঁৰ অনুতাপে পোৰা আত্মাৰ বাবে পেৰাক্লিট মঠৰ আশ্ৰয়ত বাজে কোনো ঠাই কল্যাণকৰ নহ'ব ইত্যাদি।

আগৰ পৰা গুৰিলৈ চিঠিখনিৰ ক'তো ব্যক্তিগত ভাব বা সম্বন্ধৰ কথা নাই। তেওঁৰ আত্মাৰ মঙ্গলৰ বাবে হেলইছাক প্ৰাৰ্থনা কৰিবলৈ কৈছে আৰু মৰিলেও শ'টো হেলইছাক মঠলৈ নিবলৈ কৈছে। কিন্তু নিজৰ আত্মাৰ কল্যাণৰ বাবেহে এই মিনতি, প্ৰেমৰ উদ্‌গনি নহয়।

প্ৰেম-বিগলিত হিয়াৰ আকুল নিৱেদনৰ উত্তৰত এই নিৰ্মল আত্ম-বিলোপ দেখি বতাহত সাগৰৰ উন্মত্ত তৰঙ্গমালাৰ দৰে হেলইছাৰ নাৰী-হৃদয় বিধাতাৰ নিষ্ঠুৰ শাসনৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল। এই চিঠিৰ উত্তৰত হেলইছাই যি দীঘল চিঠি লিখি হৃদয় উবুৰিয়াই দিলে, তাক নাৰী-হৃদয় আত্ম-চৰিত বুলিব পাৰি। দৈৱৰ কঠোৰ বিধান আৰু যি জনত যি ভাব দেখি আত্ম-বিসৰ্জন কৰিছিল সেইজনত সেই ভাৱৰ ঠাইত শান্ত-নিৰ্মমতা দেখি এই চিঠিখনিত নাৰী-হৃদয়ৰ কৰুণ কান্দোনৰ প্ৰচণ্ড সুৰ এটি বাজি উঠিছে ঃ "ঈশ্বৰৰ তলতেই মোৰ সৰ্বহলৈ—

"মই আকৌ আচৰিত হ'লো যে তুমি সান্ত্বনা দিবা ছাৰি মোৰ অসহায়তাহে বঢ়ালা। তোমাৰ চিঠিত যি চকুলো শুকাব লাগিছিল সি আকৌ নতুনকৈ ব'বলৈ ধৰিলে। তুমি লিখিছা, 'শত্ৰুৰ হাতত যদি তোমাৰ মৃত্যু ঘটে'। প্ৰিয়তম, তুমি কোন সতেৰে সেইটো ভাবিব বা লিখিব পাৰিলা? ঈশ্বৰে যেন তুমি নোহোৱা হোৱাৰ আগলৈকে তোমাৰ দাসীক জীয়াই নেৰাখে। তুমি যেন আগলৈ এনেবোৰ কথা লিখি মোৰ দুৰ্বহ জীৱনৰ বোজা বেছি নকৰা। তুমি কৈছা, যদি কেনেবাকৈ তোমাৰ মৃত্যু ঘটে তেনেহ'লে শ'টো আমাৰ মঠত সমাধিস্থ কৰিব লাগে, যাতে তোমাৰ সোঁৱৰণিয়ে তোমাৰ আত্মাৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰাবলৈ আমাক উদ্‌গাব পাৰে। তুমি ভাবানে তোমাৰ সোঁৱৰণি কেতিয়াবা মোৰ মনত মাৰ যাব বুলি? তোমাৰ মৃত্যুৰ চিন্তাত মোৰ মন ঈশ্বৰৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে, বিদ্ৰোহী মনে ঈশ্বৰৰ কৰুণাৰ বাবে ভিক্ষা কৰিব কেনেকৈ?

"তুমি গুচি গ'লে জীৱনৰ বাটত খোজকাঢ়িবলৈ মোৰ আৰু কি আশা থাকিব? তোমাত বাজে মোৰ সান্ত্বনাৰ ঠাই নাই। তোমাৰ চাক্ষুষ দৰ্শনো যেতিয়া মোৰ দুষ্প্ৰাপ্য, তুমি যে জীয়াই আছা এই ক্ষীণ অনুভূতিয়েই মোৰ সান্ত্বনা। যদি কোৱা ঠিক হয়, ঈশ্বৰ মোৰ প্ৰতি কেনে নিষ্ঠুৰ! অদৃষ্টৰ আটাইখিনি শাও মোৰ ওপৰতেই সাং হৈছে। নতুনকৈ আঘাত কৰিবলৈ অদৃষ্টে মোৰ মনত ঠাই বিচাৰি নেপাব। মোৰ পোৰা কপাল, তোমাতেই এদিন নাৰীমণ্ডলীৰ ওপৰত ওখ আসন পাইছিলো— তোমাতেই আজি মই পদদলিতা।

এদিন মোৰ কি গৌৰৱ আছিল, আজি মোৰ কি পতন। অদৃষ্টে মোক সুখৰ শেষ সীমালৈ নিছিল, যেন তাৰ পৰা পেলাই দি মোৰ যাতনা জুখিব নোৱৰা কৰিব পাৰে। যি আঘাতত অদৃষ্টে মোক গুৰুলা-গুৰুল কৰিলে তাৰ আৰোগ্য নাই বুলিয়েই সি মোৰ মনত অসহ্য।

"আমি যেতিয়া ইন্দ্ৰিয়-সুখত আপোন-পাহৰা হৈ আছিলো, ঈশ্বৰৰ কঠোৰ শাসনে তেতিয়া আমাক স্পৰ্শ নকৰিলে। আমি যেতিয়া অবৈধ কামক বিধিসন্মত কৰি ল'লো, আমাৰ খোঁটালি মন্ত্ৰপুত কৰি ল'লো তেতিয়াহে ঈশ্বৰৰ অভিসম্পাত মূৰত পৰিল। তুমি যি আঘাত পালা, পৰদাৰাভিগামীসকলৰহে সি উপযুক্ত শাস্তি। পৰস্ত্ৰী সেৱাৰ বাবে আনে যি শাস্তি পাব লাগে, বিয়াৰ পৰাই তুমি সেই শাস্তি পালা। পৰানুৰক্তাসকল পুৰুষৰ প্ৰতিহে সি শাস্তিৰ কাৰণ হয়। বিবাহিতা ভাৰ্যা হৈয়ো তোমাৰ প্ৰতি সেই শাস্তিৰ কাৰণ মই হ'লো। যেতিয়া সুখত উন্মত্ত আছিলো তেতিয়া নহয়, যেতিয়া দুয়ো আঁতৰা-আঁতৰিকৈ সংযতভাৱে জীৱন-যাপন কৰিছিলো, তুমি যেতিয়া পেৰিছৰ বিদ্যালয়ত কঠোৰ পাঠত নিমগ্ন আৰু মই আৰ্জেণ্টাছ মঠত ধৰ্মৰ উপদেশ লোৱাত মন-প্ৰাণ সঁপি দিছিলো, তেতিয়াহে দুয়ো কৰা কামৰ বাবে তুমি অকলেই দণ্ডভোগ কৰিলা। যি দণ্ড মইহে পাব লাগিছিল, সেইটো তুমি অকলে ভোগ কৰিলা। তুমি যেতিয়া নিজক অৱনত কৰি মোক আৰু মোৰ জ্ঞাতিসকলক গৌৰৱান্বিত কৰিলা তেতিয়া তুমি ঈশ্বৰৰ পৰা বা সেই বিশ্বাসঘাতকসকলৰ পৰা সেই দণ্ড পাব নেলাগিছিল। হা মোৰ অদৃষ্ট! মোৰ বাবেহে তোমাৰ এনেকুৱা হ'ল।

"ইখিনিৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিওঁ যে যি কামৰ (বিয়াৰ) বাবে তোমাৰ ওপৰত নিৰ্যাতন হ'ল তাত মই সন্মতি দিয়া নাছিলো। এই বিষয়ত মোৰ মন নিৰপৰাধী হ'লেও বিয়াৰ আগতেই মই বহুত অপৰাধ কৰিছো আৰু তোমাৰ বিষয়ত নিজক নিৰপৰাধী বুলি ভাবিব নোৱাৰো। গুৰিতেই আমি যি দৈৱবিধি লঙ্ঘন কৰিছিলো সেই লঙ্ঘনেই আমাৰ আমৰণ দুখৰ কাৰণ। শৰীৰত তুমি যি যন্ত্ৰণা পাইছিলা মোৰ উশাহ-নিশাহৰ লগে লগে প্ৰত্যেক টোপা তেজেই সেই যন্ত্ৰণা মোৰ শৰীৰত ঢালি দিব লাগিছে। আমৰণ কাল যি যন্ত্ৰণা মই মনত ভোগ কৰিম, তাকেই ঈশ্বৰে নহ'লেও তুমি মোৰ অপৰাধৰ প্ৰায়শ্চিত্ত বুলি গ্ৰহণ কৰিবা।

"মোৰ অন্তৰৰ কথা ক'ব লাগিলে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা নকৰি সদায় তোমাৰ প্ৰতি নিষ্ঠুৰতাৰ বাবে তেওঁক জগৰীয়া বুলি ভাবো।

"ঈশ্বৰৰ বিধিৰ বিৰুদ্ধে বিদ্ৰোহী হৈ তেওঁক অনুতাপৰ চকুৰ পানীৰে সন্তুষ্ট নকৰি তেওঁৰ খংহে তোলাইছো। মানুহে ঈশ্বৰক লক্ষ্য কৰি শৰীৰক বহুত কষ্ট দি ধ্যান-ধাৰণা কৰে আৰু ভালেমান সময়ত গোপনীয় পাপৰ কথাকো স্বীকাৰ কৰে। কিন্তু মনে যদি পূৰ্ব পাপৰ স্মৃতিত লোলুপ হৈ উঠে আৰু আগৰ ইন্দ্ৰিয়-সুখ পাবলৈ সদায় বিয়াকুল হৈ থাকে, তেনেহ'লে শাৰীৰিক নিগ্ৰহক অনুতাপ বুলি ক'ব নোৱাৰি। এইটো মোৰ আত্মাৰ

দুৰ্বলতাই বোলা, আমাৰ পূৰ্ব প্ৰণয়সুখ এতিয়াও মোৰ মনত কমনীয় আৰু সেই সুখৰ সোঁৱৰণি কেতিয়াও পাহৰিব নোৱাৰো। মই যিফালে যাওঁ পূৰ্বপ্ৰণয়ৰ স্মৃতিয়ে মোক আগুৰি ধৰে, সপোনতো সেইবোৰৰ ছায়ামূৰ্তিয়ে আক্ৰমণ কৰে। উপাসনাৰ পবিত্ৰ মুহূৰ্ততো পূৰ্ব সুখৰ ক্ষীণ মূৰ্তিয়ে মোৰ অন্তৰত ঢৌ তুলি দিয়ে। যেতিয়া মই অনুতাপ জুইৰে দেই-পুৰি মৰিব লাগে তেতিয়াও কি সুখ হেৰুৱাইছো বুলি দীঘল হুমুনিয়াহে কাঢ়ো। কেৱল সম্ভোগ-কেলিয়েই নহয়, সময়, ঠাই আদিৰ স্মৃতিও মোৰ পোত খাই আছে আৰু মোৰ গোটেই শৰীৰ আলোড়িত হৈ উঠে। কোনে মোক এই যন্ত্ৰণাৰ পৰা উদ্ধাৰ কৰিব? তুমি শান্তভাৱে ঈশ্বৰ-স্তুতি কৰিব পাৰা। ঈশ্বৰে তোমাক এক অঙ্গ বিকল কৰি তোমাৰ হৃদয়ৰ জ্বালা নুমাইছে। কিন্তু ইন্দ্ৰিয়ৰ ক্ষোভ আৰু সোঁৱৰণিৰ পোৰণিয়ে মোক নৰক-যন্ত্ৰণা ভোগ কৰাব লাগিছে। যিবোৰে মোক কপটাচাৰী বুলি নেজানে সেইবোৰেই মোক সাধু বুলি ভাবে। শৰীৰৰ শুদ্ধিকেই মানুহে পবিত্ৰতা বুলি ভাবে, পবিত্ৰতা মনৰহে শুদ্ধি, শৰীৰৰ নহয়। তোমাৰ কথাতহে ভিক্ষুণীৰ ওৰণি লৈছো, ঈশ্বৰৰ প্ৰতি ভক্তিত নহয়। মোৰ কপটাচাৰে তোমাক বহুদিন প্ৰতাৰণা কৰিছে কিন্তু মোক সবল বুলি নেভাবিবা। মই দুৰ্বলতাৰ প্ৰতিমূৰ্তি, তোমাৰ প্ৰশংসা মোৰ পক্ষে বিপজ্জনক, তোমাৰ প্ৰশংসা ভাল পাওঁ, তোমাক সন্তুষ্ট কৰিবলৈ আকৌ ইচ্ছা ওপজে। সেইদেখি মোক প্ৰশংসা কৰি কোনো কথা নক'বা।"

ইয়াৰ উত্তৰত আবেলাৰ্ডে ধৰ্মৰ ব্যাখ্যা আৰু সান্ত্বনাপূৰ্ণ চিঠি এখনি দিলে। বহুত কথাৰ মাজত তেওঁ এইটোও লিখিছে যে তেওঁ যি শাস্তি ভোগ কৰিছে তাৰ দ্বাৰাই ঈশ্বৰে তেওঁৰ মন নিজৰ পিনে টানি লৈছে। এদিন বিয়াৰ বান্ধোনত দুয়ো একাত্মা হৈছিল। এতিয়া ঈশ্বৰৰ প্ৰতি ভক্তিত দুয়ো একমন একপ্ৰাণ নহ'বনে? ইত্যাদি।

ইয়াৰ পিছত দুয়োৰো মাজত যি চিঠি দিয়া-দি হৈছিল তাত পূৰ্ব স্মৃতিৰ কোনো উল্লেখ নাই। দুই পক্ষৰ চিঠিতেই সম্পূৰ্ণ আত্ম-বিলোপ। কেৱল এখন চিঠিত হেলইছাই লিখিছিলে— I will withhold my hand from writing whenever, I am unable to control my words,–"মই যেতিয়া ভাষা সংযত কৰিব নোৱাৰিম তেতিয়া তোমালৈ নিলিখোৱেই।"

ইয়াৰ পিছৰ চিঠিবোৰত পোৱা যায় আবেলাৰ্ডে যি যি ধৰ্ম-বিষয়ক উপদেশ দিছে হেলইছাই সেইবোৰ কামত খটাবৰ চেষ্টা কৰিছে। ১১৪২ খ্ৰীঃ শকত আবেলাৰ্ডৰ মৃত্যু হয় আৰু সমাধিৰ নিমিত্তে তেওঁৰ শ' হেলইছাৰ মঠলৈ পঠিওৱা হয়। একৈশ বছৰ পিছত একে বয়সতেই হেলইছাৰ মৃত্যু ঘটে আৰু একে ঠাইতেই তেওঁকো সমাধিস্থ কৰা হয়।

ওপৰত দিয়া ঘটনাৰ বিৱৰণত আবেলাৰ্ডৰ আত্ম-চৰিত আৰু হেলইছাৰ মুল চিঠিৰ পৰা কথাবোৰ বহুলভাৱে উদ্ধাৰ কৰি দিয়া হৈছে, এই মৰ্মভেদী প্ৰণয়-নাট্যৰ ভাৱৰীয়া

দুজনৰ চৰিত্ৰৰ গৌৰৱ আৰু লাঘৱ দেখুৱাবলৈ। পাণ্ডিত্য, গীত, কবিত্ব গুণত আবেলাৰ্ড সেই যুগত অদ্বিতীয় আছিল। তেওঁৰ মানসিক আদৰ্শক চাক্ষুষ প্ৰতিমূৰ্তি দিবলৈহে পিছৰ কালত বিশ্ববিদ্যালয়ৰ গঠন হয় বুলি পণ্ডিতসকলে কয়। কিন্তু এই প্ৰণয়-নাট্যত তেওঁৰ চৰিত্ৰ-মৰ্যাদা ফুটি ওলোৱা নাই। মানুহে সন্দেহ কৰিছিল আৰু হেলইছায়ো ভাবিছিল যে তেওঁৰ প্ৰতি আবেলাৰ্ডৰ যি আকৰ্ষণ সি কামলিপ্সা, বিশুদ্ধ প্ৰেম নহয়। এই প্ৰেম-ঘটনা আবেলাৰ্ডৰ বহু বিদ্যা-ভাৰাক্ৰান্ত মনৰ এটি ক্ষণিক অভিজ্ঞতা মাথোন। হৃদয়ৰ অন্তৰতম প্ৰদেশত তেওঁ বেদনা অনুভৱ কৰিছিলনে নাই তাৰ কোনো উল্লেখ নাই; তেওঁ আত্ম-চৰিতত যি লিখিছে তাতকৈ বেছি ভাবি ল'বৰ কোনো আৱশ্যকতা দেখা নেযায়। ফুচুলনিত যদি হেলইছা মান্তি নহয় তেন্তে শাৰীৰিক বলৰ আশ্ৰয় ল'বলৈয়ো তেওঁ সাজু আছিল। বোধ কৰোঁ এইটো বিশুদ্ধ প্ৰেম নহয়।

আনফালে হেলইছাৰ প্ৰণয়ৰ লক্ষণৰ কথা নক'লেও হ'ব। তেওঁ নিজেই এই বিষয়ে সকলো কথা কৈছে। আবেলাৰ্ডে আৰু আবেলাৰ্ড-প্ৰেমেই তেওঁৰ জীৱন। আবেলাৰ্ডত বাজে তেওঁৰ বেলেগ অস্তিত্ব নাই। এই প্ৰণয়ৰ লক্ষণ কি? ডাণ্টে-বিয়েট্ৰীছ আখ্যানৰ পৰা পুৰুষৰ নিষ্কাম প্ৰেমৰ স্বৰূপ দেখিবলৈ পোৱা যায়। হেলইছাৰ প্ৰেম সেই শ্ৰেণীৰনে? এই প্ৰশ্নৰ উত্তৰতেই নাৰী-চৰিত্ৰৰ প্ৰকৃতিগত বিশিষ্টতাৰ পৰিচয় পোৱা যাব। কবিৰ টেনিছনে তেওঁৰ এজনী নায়িকাৰ মুখেৰে কোৱাইছে— Who loves me must have a touch of the earth. 'যি মোৰ প্ৰেম পাব খোজে তেওঁৰ গাত অলপ পৃথিৱীৰ ধূলি থাকিব লাগিব'— অৰ্থাৎ নিষ্কাম দেৱতুল্য মানুহে তিৰোতাৰ মন আকৰ্ষণ কৰিব নোৱাৰে। তিৰোতাৰ প্ৰেম কামনাত আৰম্ভ হৈ নিষ্কামতাত ডাণ্টেৰ প্ৰেমৰ ওখ আসনত উঠিব পাৰে। কিন্তু কামনা ইন্দ্ৰিয়গম্যতা গুৰিতে আছেই। হেলইছাৰ প্ৰেম ইয়াৰেই উদাহৰণ মাথোন। পুৰুষৰ বোধশক্তি বেছি, তেওঁলোকৰ ভাব বুদ্ধিত উদয় হৈ অনুভূতিলৈ আহে কিন্তু তিৰোতাৰ ভাব অনুভূতিত উদয় হৈ তেওঁলোকৰ জীৱন, মন সকলোকে আক্ৰমণ কৰে। তেতিয়া তেওঁলোকৰ ভাবে কেৱল ইন্দ্ৰিয়কেই স্পৰ্শ নকৰে, জীৱনৰ সকলো কামতেই ইয়াৰ অভিব্যক্তি হয়।

আবেলাৰ্ড অপুৰুষ হোৱাৰ পিছত হেলইছাৰেই মন্ত্ৰপূত ওৰণি ল'লে কিয়? সহকাৰীসকলে তেওঁক হকা-বধা কৰিছিল। তেওঁৰ চিঠিৰ পৰা বুজা যায়, তেওঁৰ কাম-বাসনাও তৃপ্ত হোৱা নাছিল। তেওঁ নিজেই কৈছে, ঈশ্বৰৰ প্ৰতি ভক্তিত অভিভূত হৈ সংসাৰলৈ উভতি আহিবৰ পথত ভেটা দিয়া নাই। তেওঁ স্বীকাৰ কৰিছে তেওঁ আবেলাৰ্ডৰ আদেশ মাথোন পালন কৰিছে। তেওঁ আঁজলি ছোৱালীৰ দৰে ক্ষণিক মোহত মুগ্ধ হৈ আমৰণ কাল আবেলাৰ্ডৰ শাসন পালন কৰা নাছিল। সেই সময়ত তেওঁ বিদুষী বুলি পৰিগণিত আছিল। তেওঁৰ চিঠিৰ পৰাই তেওঁৰ বোধ-শক্তিৰ বিস্তাৰ, যুক্তিৰ তীক্ষ্ণতা

আৰু আবেলাৰ্ডৰ চৰিত্ৰ বুজিব পৰা শক্তিৰ পৰিচয় পোৱা যায়।

তেওঁৰ প্ৰেম আঁজলিৰ ক্ষন্তেকীয়া মোহ নহয়, নাইবা প্ৰতাৰিতাৰ আত্ম-গ্লানিৰ কাৰণ নহয়। ই প্ৰচ্ছন্ন কামলিপ্সা নহয়, অথচ তাৰ ভিতৰত কামভাব আছে। ই আবেলাৰ্ডৰ গৌৰৱত নিজক গৌৰৱান্বিত কৰিবলৈ প্ৰীতিৰ অভিনয় নহয়, ই জাগ্ৰত বোধ-শক্তিৰ ওপৰত প্ৰতিষ্ঠিত অথচ বোধ-শক্তিক অতিক্ৰম কৰি কল্পনা আৰু অনুভূতিৰ ৰাজ্য ভেদ কৰি চলিছে। আবেলাৰ্ডৰ নিৰ্মম আত্ম-বিলোপত তীৰবিদ্ধ কুৰুৱা চৰাইৰ দৰে হিয়াৰ বিননি যি চিঠিত প্ৰকাশ কৰিছিল, তাক নাৰী-হৃদয়ৰ চিৰ-স্বগতোক্তি বুলিব পাৰি। ই জনসমাজত প্ৰচাৰৰ বাবে লিখা হোৱা নাছিল; নাইবা উত্তৰ স্বৰূপে শাৰীৰিক বা মানসিক সুখক লক্ষ্য কৰিও লিখা হোৱা নাছিল। যাৰ উদ্দেশ্যে লিখা হৈছিল তেওঁ প্ৰেমিকৰ সুখ-দুখৰ বাহিৰত। ই জোনৰ প্ৰভাৱত সাগৰৰ খলকনিৰ দৰে মাথোন। যি আবেলাৰ্ডৰ আদেশ পালন কৰি সমস্ত নাৰীজীৱন ব্যৰ্থতাৰে পৰিপূৰ্ণ হৈছে, সেই আবেলাৰ্ডৰ এখনি আধ্যাত্মিক সহানুভূতিসূচক চিঠিৰ ইঙ্গিততেই সকলো অশান্তি দূৰ হ'ল। হেলইছাই বাস্তৱিকতে শান্তি পালেনে নাই সেইটো সংশয়ৰ কথা; সেই বিষয়ে কোনো উল্লেখ নাই। অন্ততঃ তেওঁ নিজৰ দুখৰ বিষয়ত নিমাত হ'ল। কিন্তু পিছৰ চিঠিবোৰত হৃদয়ৰ বেদনাৰ বিষয়ত যি কঠোৰ মৌনভাব, তাৰ পৰা এনেও সন্দেহ হ'ব পাৰে যে তেওঁৰ সংযম বা শান্তি কবিয়ে বৰ্ণোৱা অন্তৰত জুই ঢাকি থোৱা শমীধগছৰ কুমলীয়া পাতৰ দৰে— 'শমীমিবাভ্যন্তৰলীন পাব-কাম'।

হেলইছা কবি-কল্পনাৰ পৰা ওলোৱা তিৰোতা মূৰ্তি নহয়, নাইবা তেওঁৰ আত্ম-নিবেদনো তিৰোতাৰ মুখত আৰোপ কৰা কবিৰ কাল্পনিক উক্তি নহয়। ই বুৰঞ্জী লেখকৰো আধা-সঁচা আধা-অনুমান মিহলোৱা বচন নহয়। ই সকলো সাংসাৰিক সুখৰ আশাৰ পৰা বিচ্ছিন্ন উদং নাৰী-হিয়াৰ আত্ম-চৰিত্ৰ। ইয়াৰ যি তীব্ৰ অনুভূতি আছে তাৰ বিস্তাৰ আৰু গভীৰতা সমালোচনাৰ ভাষাৰে পোহৰাব নোৱাৰি বা তাৰ সীমাও নিৰ্দেশ কৰিব নোৱাৰি। 'অভাস্কৰমৰ্য্যাদাং ন জানীমস্ততঃ পৰম'— ইয়াৰ পিছৰ ডোখৰত সূৰ্যৰ পোহৰ নপৰে, তাৰ সীমাও নাই। ইয়াৰ পিছত ক'ব নোৱাৰো।

হেলইছাৰ অকপট আত্ম-প্ৰকাশৰ পিছত সমালোচকে কোৱাৰ দৰে নাৰী-হৃদয়ৰ বিৰাট শূন্যতা বা অৰূপ শিলাখণ্ড হয়নে নহয় সেইটো আলোচনা নকৰিলেও হ'ব। ই যদি বাস্তৱিকতে শূন্য হয়, ই এনে শূন্য য'ত সকলো ৰূপ ঝঙ্কাৰ মাৰ গৈ আছে; ই এনে অৰূপ য'ত সকলো ৰূপ সানমিহলি হৈ আছে; ই যদি বৰণ নোহোৱা হয় তেন্তে সূৰ্যৰ পোহৰৰ দৰে অবৰ্ণ য'ত সাতোটা ৰং মিহলি হৈ আছে।

# সৌন্দৰ্যৰ প্ৰতাৰণা

সাহিত্যত সৌন্দৰ্য-লিপ্সা নানাভাৱে প্ৰকাশ পায়। যিসকলৰ মনত সৌন্দৰ্য কেৱল জগত জুৰি থকা অতীন্দ্ৰিয় সত্তা, তেওঁলোকৰ প্ৰতি সুন্দৰী তিৰোতা কেৱল আদৰ্শ সৌন্দৰ্যৰ প্ৰতীক মাথোন। সেই আদৰ্শৰ উচ্চতা অনুসাৰে কবি বা চিত্ৰকৰসকলৰ সৌন্দৰ্য-বুভুক্ষা বিৰাট বিশ্ব-সপোনত পৰিণত হয়। সাহিত্যত তাৰ উদাহৰণ ডাণ্টে-বিয়েট্ৰীছৰ প্ৰীতি। চিত্ৰ-বিদ্যাত তাৰ উদাহৰণ ৰাফেলৰ বিশ্বকৰুণামণ্ডিত মাতৃ-মূৰ্তি। কিন্তু সৌন্দৰ্য-বুভুক্ষা যেতিয়া ইন্দ্ৰিয়-সেৱাৰ নামান্তৰ মাথোন, তেতিয়াই দানহ-মূৰ্তি ধাৰণ কৰি মনত বিভীষিকাপূৰ্ণ ধুমুহা মেলি দি আদৰ্শ আৰু আকাঙক্ষাৰ পুলি-পোখা মষিমূৰ কৰে; নাইবা সাধুকথাৰ তেজপিয়া সাপৰ দৰে চকুৰ দৃষ্টিৰেই অতৰ্কিতভাৱে শক্তি, উদ্যম, আদৰ্শ সকলোৰে হ্ৰাস জন্মায়। সৌন্দৰ্য-বুভুক্ষাৰ ধুমুহাত পৰিণতিৰ উদাহৰণ এণ্টনি-ক্লিওপেট্ৰাৰ আখ্যান সকলো বুৰঞ্জী পঢ়োতাৰ জনাজাত। কিন্তু সৌন্দৰ্যৰ ধাউতিয়ে কেনেকৈ মায়াবিনীৰ নাগ-পাশত মেৰ খাই মনুষ্যত্ব ক্ষীণ কৰি সকলো শক্তি আৰু আদৰ্শ অপহৰণ কৰে তাৰ কৰুণ ছবি এটি তলত দিয়া হ'ল।

খ্ৰীষ্টীয় পঞ্চদশ শতিকাত ইটালি দেশত যেতিয়া চিত্ৰ-বিদ্যাৰ চৰম উৎকৰ্ষৰ যুগ আৰম্ভ হয়, যেতিয়া এঞ্জেলো, ৰাফেল, লিওনাৰ্ডো আদি বিশ্ব-বিশ্ৰুত চিত্ৰকৰসকলে কবিৰ বিশ্ব-সপোনক দৃশ্য মূৰ্তি দিবলৈ আৰম্ভ কৰে, তেতিয়া এজন দুখীয়া দৰ্জিৰ ঘৰত ১৪৮৬ খ্ৰীষ্টীয় শকত এটি ল'ৰা ওপজে। ল'ৰাটিৰ নাম এণ্ড্ৰিয়া। দুখীয়া বাপেকে সাত বছৰ বয়সলৈ ল'ৰাটিক সামান্য লিখা-পঢ়া শিকাই সোণাৰি এজনৰ লগত সোণাৰিৰ কাম শিকিবলৈ থৈ দিলে। ল'ৰাটিয়ে কিন্তু সোণাৰিৰ কামলৈ আওহেলা কৰি ছবি অঁকাতহে বেছিকৈ সময় নিয়াবলৈ ধৰিলে। এদিনাখন বেৰিলে নামৰ এজন চিত্ৰকৰে চিত্ৰ-বিদ্যাত ল'ৰাটিৰ নিপুণতা দেখি তেওঁক নিজৰ তত্ত্বাৱধানলৈ আনি সোণাৰিৰ কামৰ পৰা এৰুৱাই একাণপতীয়াকৈ ছবি আঁকিবলৈ দিলে। তিনি বছৰ নিজৰ লগত ৰাখি এই ক্ষেত্ৰত ল'ৰাটিৰ বিশেষ প্ৰতিভাৰ উন্মেষ দেখি বেৰিলেই কছিমো বুলি এজন নামজ্বলা চিত্ৰকৰ চিত্ৰ-শালাত তেওঁক ভৰ্তি কৰাই দিলে; তাত তেওঁ অলপ দিনৰ ভিতৰতে নিজৰ যত্ন আৰু প্ৰতিভাৰ গুণত অশেষ সুখ্যাতি লাভ কৰিলে আৰু ডেকা চিত্ৰকৰ সকলোতকৈ বিশেষ বিচক্ষণ বুলি তেওঁৰ যশ বিয়পি পৰিল।

আন এজন ছাত্ৰ চিত্ৰকৰে সৈতে লগ লাগি এণ্ড্ৰিয়াই এতিয়া স্বাধীনভাৱে চিত্ৰ-

বিদ্যাৰ দ্বাৰা জীৱিকা অৰ্জনৰ পথ মোকলাবৰ চেষ্টা কৰিলে। মধ্যযুগত গিৰ্জাবোৰৰ বেৰত চিত্ৰ অঁকাৰ প্ৰথা আছিল আৰু এই কামত নামজ্বলা চিত্ৰকৰসকলহে নিয়োজিত হৈছিল। ইয়াৰ পৰা এফালে যেনেকৈ ধনাগম হৈছিল, আনফালে তেনেকৈ নিপুণ চিত্ৰকৰসকলৰ শিল্পনিপুণতাও সোনকালে চকুত পৰাৰ সুবিধা হৈছিল। ফ্লোৰেন্স নগৰত গিৰ্জাঘৰ এটিৰ বেৰত চিত্ৰ আঁকি সমসাময়িক চিত্ৰকৰসকলৰ মাজত এণ্ড্ৰিয়াও এজন লেখত ল'বলগীয়া কলা-বিশাৰদ হৈ উঠিল। এণ্ড্ৰিয়াৰ ধন-মান কোনোটোৰে অভাৱ নাছিল আৰু দুখীয়া মাক-বাপেককো ধনেৰে পোহ-পাল দি সুখ-সন্তোষত ৰাখিব পাৰিছিল। ৰেখা-বিদ্যাত তেওঁ এনে সিদ্ধহস্ত আছিল যে তেওঁৰ নাম হ'ল 'অভ্ৰান্ত চিত্ৰকৰ' (faultless painter)।

এনে সময়ত এণ্ড্ৰিয়াৰ ভাগ্য-আকাশত সৌন্দৰ্য-পিপাসাৰ কুঁৱলি উঠিবলৈ ধৰিলে। ফ্লোৰেন্স নগৰত সেই সময়ত লুক্ৰেজীয়া বুলি ছোৱালী এজনী আছিল। দুখীয়া আৰু অসজ বাপেকৰ ছোৱালী হ'লেও সৌন্দৰ্য আৰু আত্মম্ভৰি গুণত তেওঁ সকলোৰে চকুত পৰা ধৰণৰ আছিল। যদিও টুপিৱালা এজনৰ লগত তেওঁৰ বিয়া হৈছিল তথাপি বিবাহিতাৰ কৰ্তব্যৰ প্ৰতি বিমুখ হৈ ঘৰচীয়া মেকুৰীয়ে চৰাই-চিৰিকতি ধৰি ধেমালি কৰাৰ দৰে লুক্ৰেজীয়ায়ো নগৰৰ ডেকাসকলৰ মন ধৰি খেলা কৰাত অতিশয় পাৰ্গতালি দেখুৱাইছিল। প্ৰেমৰ ছলনাত এণ্ড্ৰিয়া ভালকৈয়ে বিভোল হ'ল আৰু লুক্ৰেজীয়াৰ সৌন্দৰ্য আৰু চতুৰালিত বিমুগ্ধ হৈ শিল্প-চৰ্চাৰ প্ৰতি আওহেলা কৰিবলৈ ধৰিলে আৰু লাহে লাহে মাক-বাপেকক আগৰ দৰে পোহ-পাল দিবলৈকো এৰিলে। হঠাৎ এদিন টুপিৱালাই টান নৰিয়াত পৰি শয্যা ল'লে। এণ্ড্ৰিয়াই বন্ধু-বান্ধৱ কাৰো পৰামৰ্শ নোলোৱাকৈ, আত্মীয়-কুটুম কাকো নোসোধাকৈ সমাজত নিজৰ ঠাই, নিজৰ মান, শিল্প-বিদ্যাত নিজৰ গৌৰৱ, সন্মান একোৰে প্ৰতি ভ্ৰূক্ষেপ নকৰি লুক্ৰেজীয়াক স্ত্ৰীৰূপে চপাই ল'লে। ফ্লোৰেন্স নগৰত যেতিয়া এই কথা প্ৰচাৰ হ'ল, এণ্ড্ৰিয়াৰ প্ৰতি আগেয়ে যিসকলে প্ৰীতি আৰু শ্ৰদ্ধাৰ ভাব ৰাখিছিল, তেওঁলোকে এতিয়া তেওঁৰ প্ৰতি ঘৃণা আৰু তাচ্ছিল্যৰ ভাব দেখুৱাবলৈ ধৰিলে।

বন্ধুপ্ৰীতিৰ লগে লগে এণ্ড্ৰিয়াই মনৰ শান্তিও হেৰুৱালে। ঈৰ্ষাৰ জুয়ে মনত ভুমুকিয়ালে। তেওঁ বুজিলে, এজনী খেলুৱাই তিৰোতাৰ হাতত পৰিছে আৰু তাইৰ ইচ্ছামতে নিজে সকলো কামতে চলিব লাগে। এণ্ড্ৰিয়াই নিজৰ মাক-বাপেকক এৰি দি ঘৈণীয়েকৰ মাক আৰু ভনীয়েকহঁতক চপাই ল'ব লগাত পৰিল। এইবোৰ দেখি-শুনি আগেয়ে যিসকলে তেওঁৰ সংসৰ্গ গৌৰৱৰ কাৰণ বুলি ভাবিছিল সেইসকল আঁতৰি পৰিল। এণ্ড্ৰিয়াৰ প্ৰতিভাৰ গুণত কেতবোৰ ছাত্ৰ তেওঁৰ লগত থাকিল সঁচা; কিন্তু তেওঁলোকো লুক্ৰেজীয়াৰ কথা আৰু কামৰ দ্বাৰা নিৰ্যাতিত নোহোৱাকৈ নাছিল।

সময়ে সময়ে তেওঁলোকৰ পিঠিত কিল-ভুকুও পৰিছিল। এইদৰে প্ৰপীড়িত হৈও এণ্ড্ৰিয়াই নিজক সৌভাগ্যবান বুলি ভাবিছিল।

ইন্দ্ৰিয়ৰ ক্ষোভ এনে মাদক বস্তু যে মদপীৰ মদৰ দৰেই ই জাগ্ৰত আত্ম-চৈতন্যৰ বল সঞ্চাৰ হ'বলৈ নিদিয়ে। সৌন্দৰ্যই এণ্ড্ৰিয়াক আমুৰাবলৈ ধৰিলে, জীৱন-পদ্ধতি তেওঁৰ পক্ষে দুৰ্বল হৈ উঠিছে। নিজৰ ভুল নিজৰ চকুত ধৰা পৰিল, পৰিশ্ৰমৰ অনুপাতে যথেষ্ট আয় হয় যদিও এণ্ড্ৰিয়া অভাৱগ্ৰস্ত হৈয়ে থাকিব লগাত পৰিল। আদৰ্শ আৰু আকাঙ্ক্ষাৰ সিদ্ধিলাভ কৰিব লাগিলে যি স্বৰ্গীয় সপোনত উটি ফুৰা ভাব মনত থাকিব লাগে তাৰ ঠাইত তেওঁৰ মন সাংসাৰিক অভাৱৰ পঙ্কিলতাত পোত খালে। ঘৈণীয়েকৰ বাপেক-ভনীয়েকে তেওঁৰ সকলো আৰ্জন খাই সাং কৰে, নিজে দৰিদ্ৰ হৈয়ে থাকিল। মানুহ হিছাপে নহ'লেও শিল্পী হিছাপে তেওঁৰ প্ৰতি শ্ৰদ্ধা ৰখা দুই-এজন বন্ধুৰ পৰামৰ্শ অনুসাৰে তেওঁ দুখন চিত্ৰ ফৰাছী দেশৰ ৰাজ্যসভালৈ পঠিয়াই দিলে। ফৰাছী ৰজা ফ্ৰান্সিছে চিত্ৰ দুখনৰ সৌন্দৰ্যত মুগ্ধ হৈ পাৰিষদসকলৰ মন্ত্ৰণা অনুসাৰে এণ্ড্ৰিয়াক ৰাজসভালৈ মাতি পঠিয়ালে আৰু ৰাজসভাত যাতে এণ্ড্ৰিয়াৰ কোনো অসুবিধা নঘটে সেইবাবে পাৰিষদসকলক আদেশ দি বাট খৰচৰ বাবে এণ্ড্ৰিয়ালৈ ভালেমান ৰূপ পঠিয়াই দিলে। বন্ধুসকলৰ পৰামৰ্শ অনুসাৰে কিছুমান দিনলৈ বুলি ঘৈণীয়েকক ফ্লোৰেন্সত এৰি এণ্ড্ৰিয়াই ফৰাছী দেশলৈ যাত্ৰা কৰিলে।

ৰজা ফ্ৰান্সিছে অতি সন্মানেৰে প্ৰতিভাৰ মৰ্যাদা অনুসাৰে বিখ্যাত চিত্ৰকৰক গ্ৰহণ কৰিলে। চিত্ৰকৰে গৈয়ে কেঁচুৱা ৰাজকুমাৰৰ চিত্ৰ এখনি আঁকি ৰজা, পাৰিষদ সকলোৰে মন মুহি পেলালে আৰু বানচ বুলি তিনিশ সোণৰ মুদ্ৰা লাভ কৰিলে। এণ্ড্ৰিয়াৰ গুণ আৰু নিৰীহ স্বভাৱত প্ৰীত হৈ পাত্ৰ-মন্ত্ৰী, ৰজা সকলোৱে তেওঁক মৰম আৰু শ্ৰদ্ধাৰ চকুৰে চাবলৈ ধৰিলে। সোণ-ৰূপ বৰষুণৰ পানীৰ দৰে চিত্ৰকৰৰ কাষলৈ ব'বলৈ ধৰিলে। প্ৰতিভাৰ পূৰ্ণ বিকাশৰ বাবে ইয়াতকৈ সাৰুৱা ক্ষেত্ৰ পাবলৈ টান। কিন্তু বিধাতাৰ অভিসম্পাতে যাৰ অন্তৰত তিৰোতাৰ সৌন্দৰ্যৰ উন্মাদনা ৰূপে অতৰ্কিতভাৱে বিহ সঞ্চাৰ কৰি থাকে তাৰ পক্ষে বিধাতাৰ যুঁজত জয়-পৰাজয় নিজৰ কল্পনাৰ ওপৰত নিৰ্ভৰ কৰে। এণ্ড্ৰিয়াৰ উদ্ভ্ৰান্ত চিত্তই বিধাতাৰ শাও বেছি টনকিয়াল কৰিলে।

এণ্ড্ৰিয়াই ঘৈণীয়েকৰ আন আন বহুত চিঠিৰ পিছত এদিন এখন চিঠি পালে। চিত্ৰকৰে লুক্ৰেজীয়াক কোনো অভাৱত ৰখা নাছিল। নতুনকৈ পকী ঘৰ এটি সজাবলৈ যোগাৰ-পাতিও দি আছিল। কিন্তু লুক্ৰেজীয়াই আত্মীয়-কুটুম আৰু চাৰিওফালে গুঞ্জৰি ফুৰা মৌ-পিয়া ভোমোৰাসকলক আগৰ দৰে হাত উবুৰিয়াই ৰূপ-বান দি বহতীয়া কৰি ৰাখিব নোৱৰাটো বৰ বিষম যেন পালে। লুক্ৰেজীয়াই চিঠি লিখিলে, এণ্ড্ৰিয়া

যাবৰ পৰা তেওঁৰ চকুৰ পানীৰ ছেদ নাই আৰু চৰাইৰ কুমলীয়া নোমৰ তলিচাতো কোনোবাই গজাল ভৰাই থৈছে যেন লাগে। চিঠি পোৱামাত্ৰেই যদি তেওঁ উভতি নাহে তেনেহ'লে লুক্ৰেজীয়াক আৰু জীয়াই থকা তেওঁ নেদেখে। খেলুৱৈ লুক্ৰেজীয়াই দুৰ্ভগীয়া শিল্পীৰ চিত্তৰ দুৰ্বলতাক লক্ষ্য কৰি এই নিৰ্মম নিষ্ঠুৰ শেল মাৰি পঠিয়ালে।

এণ্ড্ৰিয়াই ফ্লোৰেন্স নগৰলৈ যাবলৈ ৰজাৰ অনুমতি খুজিলে। তেওঁ বাইবেল শাস্ত্ৰ চুই শপত খালে যে ঘৰুৱা কামৰ এটি সঙ্গতি লগাই ঘৈণীয়েকক লগত লৈ নিৰ্দিষ্ট সময়ৰ মূৰত আকৌ ৰাজসভালৈ ঘূৰি আহিব। ৰজাই এণ্ড্ৰিয়াৰ দৰে গুণী পুৰুষক অবিশ্বাস কৰিবলৈ কোনো কাৰণ নেদেখিলে আৰু ইটালি দেশৰ আন আন প্ৰসিদ্ধ চিত্ৰকৰসকলৰ চিত্ৰ কেতবোৰ লগত লৈ আহিবলৈ এণ্ড্ৰিয়াক আগধন স্বৰূপে বহুত সোণ-ৰূপ দিলে।

'পতঙ্গবৎ বহ্নিমুখং বিবিক্ষুঃ।' —জুইত সোমাব খোজা পৰুৱাৰ দৰে এণ্ড্ৰিয়া আহি আকৌ ফ্লোৰেন্স নগৰত ওলাল। ঘৈণীয়েকৰ মন যোগাই পকী-ঘৰ সজাই অলপ দিনৰ মূৰতে এণ্ড্ৰিয়াই নিজৰ আৰ্জনৰ ধনৰ লগে লগে চিত্ৰ কিনিবলৈ দিয়া ৰজাৰ আগধনো ভগন কৰি হাত শুদা কৰিলে। তথাপি নিজেই ধৰ্মশাস্ত্ৰ চুই কঢ়া শপত মনত কৰি ফৰাছী দেশলৈ উভতি যাবলৈ মন বান্ধিলে। আকৌ লুক্ৰেজীয়াৰ কাকূতি, লুক্ৰেজীয়াৰ চকুৰ লোৰ ঢল-পানীত শিল্পীৰ সঙ্কল্প, শিল্পীৰ ধৰ্ম-শপত সকলো উটি গ'ল।

এণ্ড্ৰিয়াৰ ফৰাছী দেশলৈ যোৱা নহ'ল। এই বিশ্বাসঘাতকতাত ৰজা ফ্ৰান্সিছ খঙত আপোন-পাহৰা হ'ল, কিছুমান দিনলৈ ফ্লোৰেন্স নগৰৰ কোনো শিল্পীৰ চিত্ৰকেই তেওঁ আগত উলিয়াবলৈ হাক দিলে আৰু কৈ পঠিয়ালে যে আগলৈ কেতিয়াবা যদি এণ্ড্ৰিয়া তেওঁৰ হাতত পৰে তেনেহ'লে তেওঁৰ প্ৰতিভাৰ মৰ্যাদা বজাই নেৰাখিব আৰু আগেয়ে যি উপকাৰ কৰিছিল তাৰ সলনি পাৰ্যমানে এণ্ড্ৰিয়াৰ অমঙ্গল সাধিবলৈ যত্ন কৰিব। সন্মানৰ উজ্জ্বল ওখ শিখৰৰ পৰা বাগৰি এণ্ড্ৰিয়া দুৰ্যশ আৰু দৰিদ্ৰতাৰ এন্ধাৰ বাটৰ বাটৰুৱা হ'ল।

তিৰোতাৰ বাবে আদৰ্শ আকাঙ্ক্ষা সম্পদ ত্যাগ কৰিও যদি তিৰোতাৰ মন পালেহেঁতেন, তথাপি দুৰ্ভগীয়া মনলৈ শান্তি আহিলহেঁতেন। কিন্তু লুক্ৰেজীয়াৰ হিয়া মৌ-পিয়াসকলৰ গুঞ্জনত মতলীয়া; এণ্ড্ৰিয়া কেৱল ধন ঘটি অনা চপনীয়াহে মাথোন।

দিন যাবলৈ ধৰিলে। নিজৰ অতীত, বিশেষতঃ ফৰাছী ৰজাৰ প্ৰতি নিজৰ অসজ ব্যৱহাৰৰ সোঁৱৰণিত শিল্পীৰ হিয়া বিদাৰি কেতিয়াবা দীঘল হুমুনিয়াহ উঠে। সোণৰ শিকলিত বান্ধ খোৱা অপ্ৰকাশিত প্ৰতিভাৰ কৰুণ বিননি কবিৰ কল্পনাগ্ৰাহ্য— চৰিতলেখকৰ বিশ্লেষণৰ সামগ্ৰী নহয়। ধূলিত লুটি-বাগৰ খোৱা পপীয়া তৰাৰ দৰে

এণ্ড্ৰিয়াৰ নিষ্প্ৰভ প্ৰতিভাৰ আত্ম-লাঞ্ছনাত ব্যথিত হৈ ইংৰাজ কবি ব্ৰাউনিঙে এটি অপূৰ্ব কবিতা লিখিছে। তাৰ সাৰমৰ্ম তলত দিয়া হ'ল।

হেমন্ত কাল। বাহিৰা প্ৰকৃতিত কোনো উন্মাদনা নাই। সন্ধিয়া সময়। এন্ধাৰ-পোহৰ মিহলি হৈ সমুখৰ মৰেলো পৰ্বতক পাতল ধোঁৱাই আগুৰিছে। এণ্ড্ৰিয়া চিত্ৰশালাৰ খোঁটালিত বহি আছে, ওচৰত ঘৈণীয়েক। বেৰত ৰাফেলৰ চিত্ৰ এখন আঁৰি থোৱা। বাটৰ পৰা সুহুৰিৰ শব্দ আহি মাজে মাজে কাণত পৰে। সুহুৰিৰ শব্দত লুক্ৰেজীয়া উচপিচকৈ চঞ্চল হৈ উঠে। গিৰিয়েকক আগেয়ে কৈ থোৱা হৈছে যে সুহুৰি বজোৱাজন লুক্ৰেজীয়াৰ সম্বন্ধীয়া ভায়েক। সম্বন্ধীয়াসকলক বিনা বানচে এণ্ড্ৰিয়াই চিত্ৰ আঁকি দিব লাগে। আগেও দিছে। আজিও সেই লৈয়েই লুক্ৰেজীয়াৰ ঠেহ।

বাহিৰৰ নিবিড় প্ৰকৃতিৰ নিস্তব্ধতাই আহি এণ্ড্ৰিয়াৰ মন আক্ৰমণ কৰিছে। মনত আশা নাই, উদ্বেগো নাই। মৰেলো পৰ্বতখন যেন চুঁচৰি আহি তেওঁৰ হিয়াত থিতাপি লৈছে। লুক্ৰেজীয়াৰ ঠেহত অতীত, বৰ্তমান, ভৱিষ্যৎ— আটাইবোৰ স্মৃতি, চেতনা আৰু সপোন লগ লাগি মনত এটি বিৰাট নিষ্ফলতা জগাই তুলিছে। স্বৰ্গতোক্তিৰ সুৰেৰে লুক্ৰেজীয়াক লক্ষ্য কৰি এণ্ড্ৰিয়াই ক'ব লাগিছে—

"বাৰু আমি আৰু কাজিয়া নকৰোঁহঁক, নাই নকৰোঁ। অ' মোৰ লুক্ৰেজীয়া এবাৰলৈ তুমি ধৈৰ্য ধৰি শুনা। এবাৰ শান্তভাৱে মোৰ ওচৰত বহা, মোৰ কথা শুনা। সকলো কাম তোমাৰ মতেই চলিব। বাৰু, মোৰ পিনে মুখ ঘূৰাইছা, তোমাৰ মনো ঘূৰিছেনে? তেনেহ'লে তোমাৰ বন্ধুৰ সম্বন্ধীয়াজনৰ কামো মই কৰি দিম, তেওঁৰ ইচ্ছামতে দিয়া বানচেই হ'ব আৰু সেইখিনি আনি তোমাৰ অকণিহঁতৰ মুঠিত সুমুৱাই দিম। হ'বনে? তোমাৰ বন্ধুৰ বন্ধুক সন্তুষ্ট কৰিম, কিন্তু কাইলৈ প্ৰিয়তমে! বহুত সময়ত মোৰ মনত ভাগৰ লাগে, আজি আন আন দিনতকৈয়ো মন বেছি ভাৰাক্ৰান্ত। মোৰ ভাব, যদি মই তোমাৰ ওচৰত বহিবলৈ পাওঁ, তোমাৰ হাত মোৰ মুঠিৰ ভিতৰত, দুয়োৰো, এক মন-প্ৰাণ, বিবাহিত পুৰুষ-তিৰোতাৰ দৰে সন্ধিয়া কালডোখৰ যদি এইদৰে নিয়াব পাৰো, নিবিড় শান্তিত কাইলৈ পুৱা কামলৈ মোৰ নতুন বল নতুন শক্তি সঞ্চাৰ হ'ব। দুয়ো চেষ্টা কৰি চাওঁহঁকচোন! মোৰ ওচৰত থকা সময়খিনি মিছাতে যোৱা যেন ভাবিছা? তোমাক আৰ্হি কৰিয়েই আমাক লগা পাঁচোখন চিত্ৰ আঁকিব পাৰিম। বেলেগ আৰ্হি নালাগে। ভাল, সেইদৰেই চাই থাকা, অ' মোৰ নাগিনী নাগ-পাশধাৰিণী, তুমি মোৰ জোন, তুমি আটাইৰে জোন, সকলোৱে তোমাৰ আৰ্হিৰ গঢ়োৱা মূৰ্তিকেই নিজৰ বুলি সাবটি লয়। তুমি হাঁহিছা? এৰা, মোৰ চিত্ৰ সম্পূৰ্ণ হ'লেই!

"এই যে হেমন্তৰ সন্ধিয়া দেখিছা, ই মোৰ জীৱন-প্ৰবাহৰ দৃশ্য-মূৰ্তি আৰু ওৰে

জীৱন, ওৰে জীৱন-প্ৰবাহ কেৱল হেমন্ত-সন্ধিয়াৰ মূৰ্তি-চিত্ৰ মাথোন! অ' মোৰ প্ৰিয়ে, আমি ঈশ্বৰৰ হাতৰ পুতলা মাথোন! তেওঁ আমাক যেনেকৈ চলাইছে সেইটো কেনে অনাভুৱা যেন লাগে। নিজক এনে মুকলিমূৰীয়া ভাবো অথচ এনেকৈ শিকলিৰে মেৰ খাই আছে। তেঁৱেই শিকলি দিছে, বাৰু শিকলি থাকক।

তুমি মোৰ শিল্প-কুশলতা বুজি নোপোৱা। বুজিবলৈয়ো চেষ্টা নকৰা কিন্তু আনে কি কয় বুজিব পাৰা। সৌ যে বেৰত আঁৰি থোৱা ৰাফেলৰ অঙ্কিত মাতৃ-মূৰ্তি দেখিছা— কি সুন্দৰ, কি অপৰূপ! চিত্ৰ তেনেকুৱাই হ'ব লাগে। কিন্তু তথাপি এই চিত্ৰৰো অকণমান দোষ আছে। মোক পেন্সিল এডাল দিয়া, বাহুখন এইদৰে থাকিব লাগিছিল। কিন্তু এই চিত্ৰৰ ভিতৰেদি যি তেজঃপুঞ্জ ফুটি ওলাইছে, যি বিশ্বমানৱ হৃদয়স্পৰ্শী সৌম্য কৰুণাৰ প্ৰভা বিৰিঙি ওলাইছে; সেই প্ৰভা, সেই তেজ মোৰ অনুভূতিৰ বহুত ওপৰত।

"আনে যি চিত্ৰ কঠোৰ পৰিশ্ৰম কৰি মূৰৰ ঘাম মাটিত পেলায়ো আঁকিব নোৱাৰে, সেই চিত্ৰ অতি অৱলীলাক্ৰমে মই বাওঁহাতেৰে আঁকি দিব পাৰো। সেইটো অহঙ্কাৰ নহয় তথাপি মই সিহঁতৰ বহুত তলত। সিহঁতৰ কঠোৰ শ্ৰমত যি অন্তৰৰ সংযোগ, যি খৰতৰ তেজৰ চলাচল, আশা-নিৰাশাৰ যি তুমুল সংগ্ৰাম, তাৰ ভিতৰেদিয়েই সিহঁতে ঈশ্বৰে দিয়া শক্তিৰ সফলতা লাভ কৰে। সেই শক্তিৰ সহস্ৰ কণাৰ একণায়ো মোৰ হাত নচলায়। সিহঁতে কামত সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে, কিন্তু শক্তিৰ সফলতা লাভ কৰিছে। মোৰ কাম অভ্ৰান্ত, সম্পূৰ্ণ, কিন্তু মোৰ শক্তি জড়, সুপ্ত।"

"মোক কি লাগে, মই কি কৰিব পাৰো মই জানো জানিলেই বা কি হুমুনিয়া কাঢ়িলেই বা কি লাভ! মোৰ জীৱনত হেমন্তৰ সন্ধিয়াই বোল বেলাইছে। তুমি মোৰ কামত উদ্যম সঞ্চাৰ কৰাহেঁতেন, যদি কেতিয়াবা ক'লাহেঁতেন— 'গৌৰৱ আৰু ঈশ্বৰৰ কৰুণাক লক্ষ্য কৰি কাম কৰা, লাভ-লোকচানৰ চিন্তা মনলৈ নানিবা'— কেতিয়াবা যদি তোমাৰ সুন্দৰ মুখেৰে এইদৰে ক'লাহেঁতেন, ৰাফেলৰ ওখ আসনত তুমি মই— দুয়ো উঠিব পাৰিলোহেঁতেন! তোমাৰ সৌন্দৰ্যৰ লগত যদি তোমাৰ হিয়া মনৰ যোগ থাকিলেহেঁতেন— কেতবোৰ তিৰোতাৰ থাকে, ৰাফেল, মাইকেল, এঞ্জেলো তেওঁলোকৰ আসন ল'ব পাৰিলোহেঁতেন। নহ'বও পাৰে, সকলো বিধাতাৰ নিৰ্দেশ।

"তোমাৰেই বা দোষ কি? সকলো শক্তিৰ ভঁৰাল নিজৰ অন্তৰেই। ৰাফেল, এঞ্জেলো— তেওঁলোকৰ দেখো তিৰোতাই নাছিল। মই দেখিছো সংসাৰত যি ভাল কাম কৰিব পাৰে, সি নকৰে, যাৰ কৰিবলৈ একান্ত আগ্ৰহ, সি নোৱাৰে। তথাপি ইচ্ছা আৰু শক্তি ইয়ো আধা সফলতাই!

"ফৰাছী ৰাজসভাত যেতিয়া আছিলো, ৰজা ফ্ৰান্সিছে যেতিয়া এখন ৰাজবাহু

মোৰ কান্ধত থৈ কামত উৎসাহ দিছিল, মোৰ হৃদয়ৰ অন্তৰতম প্ৰদেশত যেতিয়া তোমাক গৌৰৱমণ্ডিত কৰাৰ ইচ্ছা ফল্গুনদীৰ দৰে বৈ আছিল, তেতিয়া ৰাফেলৰ তেজঃপুঞ্জৰ উষ্ণতা কেতিয়াবা কেতিয়াবা অনুভৱ কৰিছিলো। তুমি অধীৰ নোহোৱাহেঁতেন! থাওক, তুমি মাতি পঠিয়ালা, মই আহিলো।

"মাজে-সময়ে ৰাতি যেতিয়া চিত্ৰ অঁকাৰ পৰা ক্লান্ত চকুৰে ঘৰৰ বেৰৰফালে চাওঁ, ইটাবোৰৰ পৰা প্ৰদীপ্ত জুই জ্বলি উঠা যেন দেখো। ইটাবোৰৰ পৰা যেন চুণ-চুৰকি খহি পৰিছে, তাৰ ঠাইত যেন প্ৰচণ্ড ভাস্কৰ বৰণীয়া সোণ লেও খাই আছে। ৰজা ফ্ৰান্সিছে ছবি কিনিবলৈ আগধন বুলি দিয়া সোণ!

"তুমি ছট্‌ফটাইছা কিয়? তোমাৰ সম্বন্ধীয়া ভাইজন আহিছে? তোমাক বাহিৰলৈ মাতিছে। অকলে, মোৰ লগত নহয়? জুৱাখেলৰ ধাৰ সাধিবলৈ আহিছে? সেই কাৰণে হাঁহিছিলো? ভাল তোমাৰ হাঁহিৰেই নিজক বেচিছো। যেতিয়ালৈ হাত, চকু আৰু অকণমানিও হিয়াৰ স্পন্দন থাকে তেতিয়ালৈকে কামেই মোৰ গতি, মোৰ পুতলাৰ বেছ শোধাব লাগিব। সন্ধিয়াৰ বাকীখিনি তুমি কোৱাৰ দৰে এলাহতে বহি কটাওঁ, ফৰাছী দেশলৈ উভতিব পাৰিলে কি কৰিলোহেঁতেন তাৰেই সপোন দেখো!

"আজি মই বুঢ়া বয়সৰ দৰে নিৰ্বিকাৰ নিস্তব্ধ। মোৰ অনুতাপ নাই, জীৱনত কোনো সালসলনিও ঘটাব নোখোজো, অতীত জীৱন ছায়া-পথৰ দৰে উদ্ভাসিত হৈ পৰি আছে, তাক আৰু সলাব লাগিছে কিয়? ফৰাছী ৰজাৰ টকা লৈছিলো, প্ৰলোভনত পৰি খৰচ কৰিছো, ঘৰ বান্ধিছো—পাপেই কৰিছো আৰু ক'বলগীয়া কি আছে? আই-বোপাই খাবলৈ নাপাই মৰিল, মোৰ ধন আছিল জানো? তুমিয়েই জানা ধন কেনেকৈ আহে। সকলোৰে নিজ নিজ ভাগ্যফল ভোগ কৰিব লাগে। তেওঁলোক জন্মত দুখীয়া, কৰ্মত দুখীয়া আৰু দুখতেই মৰিছে। মই পৰিশ্ৰম কৰিছিলো, সেই অনুসাৰে মোৰ উপাৰ্জন হোৱা নাই।

"আজি ভাবিছো, তুমি মোক যথেষ্ট ভাল পাইছা। তাতে মই সন্তুষ্ট থকা উচিত। আৰু কি লাগে? হয়তো স্বৰ্গ-ৰাজ্যত আকৌ মোৰ প্ৰতিভাৰ জোখাৰে কাম কৰিবলৈ সুচল আহিব। স্বৰ্গৰ দেৱ-মন্দিৰত চিত্ৰ আঁকিবলৈ দেৱদূতে ৰাফেল, এঞ্জেলো, লিওনাৰ্ডো আৰু মোক —চাৰিওকো চাৰিখন দেৱাল ভগাই দিব। প্ৰথম তিনিওজনৰেই তিৰোতা নাই, মোৰ আছে। তাতে সেইদেখি তেওঁলোকে মোক চেৰ পেলাব, কিয়নো তুমি মোৰ লুক্ৰেজীয়া আছা— মোৰে অভিমত অনুসাৰে।

"আকৌ 'সম্বন্ধীয়া' ভাইৰ সুহুৰি, যোৱা মোৰ সোণাই!"

ওপৰত তুলি দিয়া কথাবোৰ কবিৰ কল্পনাপ্ৰসূত হ'লেও এণ্ড্ৰিয়াৰ অন্তৰৰ পোৰণি সম্পূৰ্ণভাৱে প্ৰকাশ কৰে। নিজৰ শক্তিৰ সম্পূৰ্ণ; জোখ উপলব্ধি কৰিব পৰা প্ৰতিভাশালী

পুৰুষৰ অপ্ৰকাশিত প্ৰতিভাৰ ব্যৰ্থতাত কি নৈৰাশ্য, কি অশান্তি, কি ক্ষোভ! এই ব্যৰ্থতাৰ কাৰণ কোন? যাৰ ৰূপত মন-প্ৰাণ গৌৰৱ মৰ্যাদা সম্পদ সকলো বিসৰ্জন দিছে, কিন্তু যাৰ মনত তেওঁৰ মূল্য কেৱল 'সম্বন্ধীয়া'সকলক দিব পৰা জোখাৰে টকা আৰ্জিব পৰা ক্ষমতা অনুসাৰে।

১৫২৩ খ্ৰীষ্টীয় শকত ফ্লোৰেন্স নগৰত প্লেগ মহামাৰিয়ে আহি দেখা দিলত এণ্ড্ৰিয়াই মুগলো নামক ঠাইলৈ সপৰিবাৰে যাত্ৰা কৰে। তাত মঠাধিশ্ৰিতা ভিক্ষু-ভিক্ষুণীসকলৰ বাবে যীশুখ্ৰীষ্টৰ চৰিতবিষয়ক কেতবোৰ ছবি আঁকে। মঠৰ কাম কৰি অঁতালত ৰং আৰু চিত্ৰৰ আহিলা-পাতি বহুত অতিৰিক্ত হৈ থাকিল। এণ্ড্ৰিয়াই এদিন লুক্ৰেজীয়াক মাতি ক'লে, “তুমি এখন্তেক ধীৰভাৱে মোৰ ওচৰত বহা; এইবোৰ ৰং যে বেছিকৈ আছে তাৰে তোমাৰ ছবি এখন আঁকিম। এই বয়সতো তোমাৰ চকুৰ জেউতি কেনেকৈ লৰচৰ নোহোৱাকৈ আছে মানুহে দেখক আৰু আগৰ ছবিবোৰতকৈ এইখনত তোমাৰ চেহেৰাৰ কি পৰিৱৰ্তন ঘটে সেইটোৱেই ৰিজাবলগীয়া।” কিন্তু লুক্ৰেজীয়াৰ মন আন কিবা ভাবত তোল-পাৰ— শান্তভাৱে বহি থাকিব নোৱাৰে।

চিৰ-নৈৰাশ্যপীড়িত এণ্ড্ৰিয়াৰ মনত ভৱিষ্যদ্বাণীৰ দৰে উদয় হ'ল— তেওঁৰ আৰু সংসাৰত সৰহ দিন নাই। এহাতেৰে দাপোণ আৰু আন হাতেৰে তুলিকা ধৰি নিজৰ চিত্ৰ এনে হুবহু কৰি আঁকিলে— সেইটো যেনিবা তেওঁৰ জীৱন্ত-মূৰ্তি। তেওঁ মৰাৰ পিছত ছবিখন ভালেমান দিনলৈ লুক্ৰেজীয়াৰ হাতত আছিল।

ইয়াৰ কিছুদিন পিছত এণ্ড্ৰিয়াৰ নৰিয়া হ'ল। তেওঁ শয্যাত পৰিয়েই ভাবিলে তেওঁৰ নিস্তাৰ নাই। তেওঁৰ নৰিয়াৰ কোনো ঔষধ বিচাৰি পোৱা নগ'ল। লুক্ৰেজীয়াই পাৰেমানে বেমাৰীৰ পৰা আঁতৰে আঁতৰে থাকে, কেনেবাকৈ তেওঁৰো গাত ব্যাধি সোঁচৰে বুলি। কোনোৰে গম নোপোৱাকৈয়ে মঠৰ ভিক্ষুসকলে তেওঁক সমাধিস্থ কৰে। সৰুকালত ভাৰাতীয়া হিছাপে যেতিয়া এণ্ড্ৰিয়াই কাম কৰি ফুৰে তেতিয়া তেওঁৰ প্ৰতিভাক লক্ষ্য কৰি মাইকেল এঞ্জেলোৱে এদিনাখন ৰাফেলক কৈছিল, “ৰাফেল, এই নগৰত যে অকণমানি ল'ৰা এটি ঘুৰ্মুটিয়াই ফুৰা দেখা, সি তোমাৰ দৰে ৰজা-মহাৰজাৰ আশ্ৰয়ত থাকি ডাঙৰ কামত হাত দিবৰ সুবিধা পোৱাহ'লে তোমাৰ কপালৰ ঘাম ভৰিত পৰিলহেঁতেন।”

এণ্ড্ৰিয়াৰ ভাগ্যতো ৰজা-মহাৰজাৰ কৃপা লাভ ঘটিছিল। 'স্বপ্নো নু মায়া নু মতিভ্ৰমো নু' —কিন্তু সপোননে মায়ানে মতিভ্ৰম! কিহৰ বাবে তেওঁৰ জীৱন বিৰাট নিষ্ফলতাত পৰিণত হ'ল?

# কবিৰ অহৈতুকী প্ৰীতি

সহজীয়া বৈষ্ণৱ কবিসকলে যেতিয়া পৰাঙ্গনা প্ৰীতিকেই সাধনাৰ মুখ্য উপকৰণ বুলি বৰ্ণনা কৰে তেতিয়া অভকত অবৈষ্ণৱ সাধাৰণ মানুহৰ মনত সহজেই সংশয় উপস্থিত হয় যে এই পৰাঙ্গনা প্ৰীতিবাদ কেৱল ধৰ্মৰ নামেৰে ঢাকি ৰখা প্ৰচ্ছন্ন সম্ভোগলিপ্সা মাথোন। সেইদেখি সহজীয়া পন্থৰ অতি উত্তম খাপৰ কবি চণ্ডীদাসৰ উক্তি আমাৰ মনত দুৰ্বোধ্য যেন লাগে। সহজীয়া পন্থৰ ৰীতি অনুসাৰে ৰামী নামেৰে ধুবুনী এজনীৰ লগত চণ্ডীদাসৰ প্ৰীতি আছিল আৰু এই ধুবুনীজনীকেই চণ্ডীদাসৰ পদাৱলীৰ উত্তেজিকা শক্তি বুলিব পাৰি। এঠাইত কবিয়ে ধুবুনীৰ বিষয়ে কৈছে—

ৰজকিনী ৰূপ, কিশোৰী স্বৰূপ, কাম গন্ধ নাহি তায়।
না দেখিলে মন, কৰে উচাটন, দেখিলে পৰাণ জুড়ায়।।
তুমি ৰজকিনী, আমাৰ ৰমণী, তুমি হও পিতৃ-মাতৃ।
ত্ৰিসন্ধ্যা যাজন, তোমাৰি ভজন, তুমি বেদমাতা গায়ত্ৰী।।
তুমি বাগবাদিনী, হৰেৰ ঘৰণী, তুমি সে গলাৰ হাৰা
তুমি স্বৰ্গ-মৰ্ত্য পাতল-পৰ্বত, তুমি সে নয়নেৰে তাৰা।।
ও ৰূপ মাধুৰী, পাসৰিতে নাৰি, কি দিয়ে কৰিব বশ।
তুমি সে তন্ত্ৰ, তুমি সে মন্ত্ৰ, তুমি উপাসনা ৰস।।

সাধাৰণ ভাষাত ৰজকিনী কবিৰ প্ৰেয়সী স্বৰূপ আছিল। কিন্তু কবিয়ে কৈ গৈছে, ধুবুনীৰ লগত তেওঁৰ যি সম্বন্ধ নেথাকক তাৰ ভিতৰত কাম-বাসনাৰ লেশমাত্ৰও নাছিল— 'কাম গন্ধ নাহি তায়।' প্ৰেমৰ উন্মাদনাত কবিয়ে প্ৰেমিকাক 'ত্বমসি মে জীবনং দ্বিতীয়ম, বা তুমিয়েই মোৰ জীৱনৰ সৰ্বহ ইত্যাদি ধৰণে ভক্তিভাবৰ আৱেশত কোৱা কথাৰ দৰে সাধাৰণ মানুহে উপলব্ধি কৰিব পাৰে। কিন্তু কামগন্ধবিহীন উচ্ছ্বাসত প্ৰেমিকাক 'বেদমাতা গায়ত্ৰী' মন্ত্ৰৰ ওখ আসন দি প্ৰেমিকাকেই 'উপাসনা ৰস' বুলি বৰ্ণনা কৰা কথা সাধাৰণ মানুহৰ মনত চিৰকালেই মানৱ হৃদয়ৰ কুঁৱলিৰে ঢকা বিৰাট প্ৰহেলিকাৰ দৰে ৰৈ থাকিব।

চণ্ডীদাসৰ ৰজকিনী-ভক্তি অধিক কবিত্ব ৰসেৰে ৰঞ্জিত হৈ আছে। কেৱল কবিৰ ৰসতেই তিৰোতাই কবিৰ মনত সেই ওখ আসন পাইছেনে নাই তলত দিয়া

ঘটনাত সেইটোকেই আলোচনা কৰা হ'ব। চণ্ডীদাসৰ ঘৰুৱা বা পাৰিবাৰিক জীৱনৰ কথা নাইবা তেওঁৰ ভক্তজীৱন বা উপাসনা প্ৰণালীৰ কথা আমি নেজানো। তেওঁৰ ধৰ্মমতত দীক্ষিতসকলে তেওঁৰ ৰহস্যপূৰ্ণ উক্তিবোৰৰ মৰ্ম বুজিলেও বুজিব পাৰে, কিন্তু সাধাৰণ পঢ়োতা হিছাপে তেওঁৰ পদাৱলীৰ সৰহ ভাগ উক্তিয়েই আমাৰ মনত কুঁৱলিময়।

যি কামগন্ধবিহীন প্ৰেমৰ বিৰাট আৱেগত চণ্ডীদাসে প্ৰেমিক ৰজকিনীক 'বেদমাতা গায়ত্ৰী', 'উপাসনা ৰস' আদি বুলি বৰ্ণনা কৰিছে ইটালি দেশৰ মহাকবি ডাণ্টেও সেই একে প্ৰেমৰ আৱেগতেই তেওঁৰ প্ৰেয়সী বিয়েট্ৰীছক সমান ওখ ঠাই দিছে। মহাকবি ডাণ্টেই তেওঁৰ এই প্ৰেম 'Vita Nuova' বা 'নৱজীৱন' নামেৰে এখন সৰু গদ্য-পদ্যময় কিতাপত বৰ্ণনা কৰিছে। সেই কিতাপখনক তেওঁৰ প্ৰেমিক জীৱনৰ আত্ম-চৰিত বুলিব পাৰি।

খ্ৰীষ্টীয় ১২৬৫ শকত ইটালি দেশৰ ফ্লোৰেন্স নগৰত মহাকবি ডাণ্টেৰ জন্ম হয়। ইটালি দেশৰ মহানগৰীবোৰত ৰাজনৈতিক দলসমূহৰ ভিতৰত নানান আত্ম-বিদ্ৰোহ চলিছিল। সৰুৰে পৰাই ডাণ্টেই এফালে যেনেকৈ লিখা-পঢ়াত মন দিছিল সেইদৰে আনফালে ৰাজনৈতিক আন্দোলনতো তেওঁৰ সম্পূৰ্ণ যোগ আছিল। তাৰে ফলত মাজ বয়সতেই তেওঁ ফ্লোৰেন্স নগৰৰ পৰা নিৰ্বাসিত হৈ জীৱিত কালত আকৌ পুণৰ জন্মভূমিলৈ উলটি আহিবলৈ নেপালে।

ডাণ্টেৰ বয়স তেতিয়া ন বছৰ পাৰ হ'বলগীয়া, তেতিয়া তেওঁ নগৰিক এজনে দিয়া ভোজ এখনলৈ গৈছিল। তাতে তেওঁ ন বছৰত ভৰি দিয়া স্নিগ্ধ ৰঙা শাৰী পিন্ধা ছোৱালী এজনী দেখা পালে। ছোৱালীজনীৰ বাপেকো সেই ভোজলৈ গৈছিল। ছোৱালীজনীক দেখিয়েই ন বছৰীয়া ডাণ্টেৰ সৰ্বশৰীৰ এনেভাৱে কঁপি উঠিল যে তেওঁ কান্দি পেলালে। কান্দোতেই তেওঁৰ অন্তৰাত্মাই এনেদৰে কোৱা যেন শুনিলে, 'এইজনীয়েই, তোমাৰ জীৱন-দেৱতা, তোমাৰ অন্তৰাত্মাৰ ওপৰত এওঁৱেই প্ৰভুত্ব কৰিব।' সেইদিনাৰ পৰাই তেওঁৰ মনত প্ৰেমৰ পৰবেশ হ'ল আৰু বিয়েট্ৰীছৰ ছবি তেওঁৰ অন্তৰত ওপঙিবলৈ ধৰিলে। তাৰ পিছত সুদীৰ্ঘ ন বছৰৰ অন্তত আকৌ এদিন বিয়েট্ৰীছক দেখা পালে। আগৰ পৰা গুৰিলৈ বগা কাপোৰ পিন্ধি দুজনী তেওঁতকৈ বেছি বয়সীয়া গাভৰুৰ মাজত তেওঁ বাটেদি খোজকাঢ়ি গৈছে। অকস্মাৎ বাটৰ এচুকত ওঠৰ বছৰীয়া ডাণ্টে লাজতে তলমুৰ হৈ থকা দেখি তেওঁৰফালে চাই বিয়েট্ৰীছে শিষ্টতাৰ খাতিৰত তেওঁক নমস্কাৰ কৰি লাহে লাহে গুচি গ'ল। সেই নমস্কাৰতেই কবিয়ে স্বৰ্গীয় সুখৰ শেষ সীমা পোৱা যেন পালে। সুখতেই তন্দ্ৰাভিভূ হৈ কবিয়ে

নিজৰ ঘৰ পাই এই নবাবিৰ্ভূত জীৱন-দেৱতাৰ কথা ভাবি থাকোতেই তেওঁৰ টোপনি আহিল আৰু টোপনিত এটি সপোন দেখিলে। তেওঁৰ খোঁটালিটো যেন জুই বৰণীয়া কুঁৱলিৰে আছন্ন। তাৰ মাজত ভয়ঙ্কৰ আকৃতিৰ মূৰ্তি এটাই তেওঁৰ পিনে এনে কঠোৰভাৱে চাই আছে যেন সেই কঠোৰতাৰ ভিতৰতো কবিৰ প্ৰতি এটি উপলুঙাৰ ভাব ফুটি ওলাইছে। অস্পষ্ট ভাষাৰে এই মূৰ্তিটোৱে বহুত কথা কোৱা যেন পালে, তাৰ ভিতৰত কবিয়ে এইষাৰ মাথোন বুজি পালে— 'ময়ে তোমাৰ প্ৰভু'। তেওঁৰ দুই বাহুৰ মাজত তেজ বৰণীয়া কাপোৰেৰে মেৰোৱা মানৱ-মূৰ্তি এটি শুই আছে। ভালকৈ মন কৰি চালত কবিয়ে দেখিলে তেওঁক বাটত প্ৰণাম কৰা ছোৱালীজনীয়েই তাত শুই আছে। মানুহজনৰ হাতত দপ্‌দপ্ কৰে জুয়ে পুৰি থকা আকৌ কিবা এটি বস্তু দেখিলে। সেইটো দেখুৱাই মানুহজনে ক'লে, "ধৰা, এইখন তোমাৰ হিয়া।" তাৰ পিছত কোলাত শুই থকা ছোৱালীজনীক জগাই সেই জ্বলি থকা বস্তুটো খাবলৈ দিলে আৰু ছোৱালীজনীয়ে ভয় ভয়কৈ তাক খালে। তাৰ অলপ পিছতেই মানুহজনে কান্দিবলৈ ধৰিলে আৰু ছোৱালীজনীক বাহুৰ মাজত আঁকোৱালি ধৰি অদৃশ্য হ'ল। তেওঁৰ মনত খেলালে, মানুহজন ছোৱালীজনীৰে সৈতে স্বৰ্গলৈ গ'ল। তেওঁৰ মনত এনে যন্ত্ৰণা হ'ল যে তাৰে ফলত টোপনি ভাগিল।

সপোনৰ ঘটনা বিবৃত কৰি ডাণ্টেই ছনেট কবিতা এটি লিখি তেওঁৰ সমসাময়িক কবিসকললৈ পঠিয়াই দিলে। সপোনৰ অৰ্থ কি সেইটো তেওঁলোকক সুধি পঠিয়ালে। সেইসকলৰ ভিতৰত গুইড়ো কেভেল কেণ্টি নামে কবি এজনে সপোনৰ যথাযথ ছনেট কবিতাত লিখি ডাণ্টেলৈ পঠিয়াই দিলে।

সেইদিনাৰ পৰা এই দেৱ-মূৰ্তি ছোৱালীজনীৰ চিন্তাতেই ডাণ্টে শুকাই-ক্ষীণাই যাবলৈ ধৰিলে। তেওঁৰ বন্ধু-বান্ধৱসকলে সন্দেহ কৰিলে যে কাৰোবাৰ লগত প্ৰেমত পৰি ডাণ্টেৰ এই দুৰ্দশাপন্ন অৱস্থা হৈছে। নানান চেষ্টা কৰিও তেওঁলোকে ডাণ্টেৰ অন্তৰ্নিহিত ভাবৰ উৱাদিহ উলিয়াব নোৱাৰিলে। ডাণ্টেও কেনেবাকৈ তেওঁৰ গোপন প্ৰীতি প্ৰকাশ হয় বুলি আন এজনী ছোৱালীৰ নামে কবিতা লিখি তেওঁৰ লগৰীয়াসকলৰ চকুত ধুলি মাৰিবলৈ চেষ্টা কৰিলে। এই চাতুৰীৰ ফলত তেওঁৰ বন্ধুসকল প্ৰতাৰিত হ'ল সঁচা, কিন্তু আনফালে ইয়াৰ ফল ডাণ্টেৰ প্ৰতি বিষময় হৈ উঠিল। মানুহৰ মুখে মুখে বাগৰি গৈ ডাণ্টে এজন চৰিত্ৰহীন ডেকা বুলি এটি জনৰব উঠিল। এইটো বিয়েট্ৰীছৰ কাণতো সম্ভৱ পৰিলগৈ।

আন এদিন বাটত আগৰ দৰে ভেটা-ভেটি হ'লত বিয়েট্ৰীছে ডাণ্টেক নমস্কাৰ নকৰিলে। ইয়াতেই কবিয়ে মনত তীব্ৰ আঘাত পালে। নীৰল ঠাই এডোখৰলৈ গৈ কবিয়ে মনৰ হেঁপাহ পলুৱাই কান্দি নিজৰ ঘৰলৈ গৈ মনে মনে শুই থাকিল। সপোনত

দেখিলে বগা কাপোৰ পিন্ধা ডেকা এজনে তেওঁৰ কাযত বহি হুমুনিয়া কাঢ়ি তেওঁক ক'লে, "বোপাটি, তুমি ছলনা এৰি পেলোৱা; তুমি এনেভাৱে এটি কবিতা লিখি প্ৰচাৰ কৰা, তাৰ পৰা যেন তোমাৰ প্ৰকৃত কাহিনী প্ৰকাশ পায়; আৰু কবিতাটো এনেবোৰ ঠাইলৈ পঠিয়াবা যেন তাৰ মৰ্ম তোমাৰ প্ৰেয়সীৰ কাণত পৰে।" এনেতে সপোনৰ মূৰ্তিৰ অন্তৰ্দ্ধান হ'ল আৰু লগে লগে তেওঁৰ সপোনো ভাগিল।

ইয়াৰ কিছুমান দিনৰ পিছত বিয়েট্ৰীছৰ পিতাক ঢুকাল। বিয়েট্ৰীছৰ পিতৃশোকত ডাণ্টে নিজেই ইমান চিন্তাকুল হ'ল যে তেৱোঁ নৰিয়াত পৰিল। নৰিয়াত মূৰৰ ভ্ৰমত তেওঁ নানান খেলি-মেলি সপোন দেখিলে। তাৰ ভিতৰত শোকাতুৰা কেতবোৰ তিৰোতাই তেওঁক কোৱা শুনিলে যেন তেওঁৰ প্ৰাণ-প্ৰেয়সী বিয়েট্ৰীছ আৰু ইহজগতত নাই। সপোনতেই তেওঁ ইমান কান্দিলে যে সঁচাকৈ তেওঁৰ বিছনা তিতি গ'ল।

সপোন ভাগিলতহে তেওঁ বুজিব পাৰিলে সেইটো মিছা। কিন্তু সপোনৰ বৃত্তান্তটি কবিতাত লিপিবদ্ধ কৰি থ'লে। এইদৰে অন্তৰ ৰাজ্যৰ ৰাণী পাতি নানান কবিতা আৰু ছন্দেৰে বিয়েট্ৰীছৰ গুণ-গৰিমা ব্যাখ্যা কৰি থাকোতে থাকোতে প্ৰথমে বাটত দেখাৰ পৰা ন বছৰৰ মূৰত ডাণ্টেৰ কাণত আহি বজ্ৰৰ দৰে ঘোষিত হ'ল— বিয়েট্ৰীছৰ মৃত্যু হৈছে।

এই নিদাৰুণ বাতৰিত শোকাভিভূত হ'লেও ডাণ্টেৰ বাহিৰা ব্যৱহাৰত কোনো উত্ৰাৱল ভাব প্ৰকাশ নহ'ল। তেওঁৰ শোক কেৱল ছন্দ আৰু গাঁথাতহে প্ৰকাশ পালে।

এদিন অকলে বহি তেওঁ দেৱদূতীৰ মূৰ্তি এখনি পটত আঁকি আছিল। তেওঁ ইমান ভাবমগ্ন হৈ আছিল যে তেওঁক দেখা কৰিবলৈ অহা মানুহ কেইজনমানে তেওঁৰ পাছফালে থিয় হৈ তেওঁৰ কাৰ্যকলাপ চাই থকা কথাৰ তেওঁ গমকেই নেপালে। ভালেমান বেলিৰ মূৰত তত্ পাই তেওঁলোকক আদৰকৈ বহুৱাই ক'লে, "আন এজনা মোৰ লগত আছিল।"

অন্তৰত শোকৰ মাত্ৰা বেছি হ'লে কোনোবাই কেনেবাকৈ তেওঁৰ ব্যৱহাৰ লক্ষ্য কৰে বুলি ভালেমান দিনলৈ ডাণ্টেই আনৰ চকুৰ আঁৰে আঁৰে ফুৰিবলৈ ধৰিলে। এদিন শোকাতুৰ হৈ ফুৰোতে কোনোবাই দেখে বুলি চাৰিওফালে চকু ফুৰাই চালত দেখিলে যে খিৰিকিয়েদি এজনী গাভৰু ছোৱালীয়ে তেওঁৰ পিনে থৰ লাগি চাই আছে। গাভৰুৰ চকুযুৰি মৰম-বেথাত পূৰ্ণ। কবিয়ে ভাবিলে, তেওঁৰ ব্যথাতেই যেন ছোৱালীজনীও ব্যথিত। তাৰ পিছত আহোতে কি যাওঁতে প্ৰায়েই ডাণ্টেই খিৰিকিৰ মুখত থিয় হৈ থকা ছোৱালীজনীক দেখা পাবলৈ ধৰিলে। শেহত গৈ গাভৰুজনীক দেখিলেই তেওঁৰ মনত আনন্দ হয়; তেৱোঁ ভাবিলে, "এই গাভৰুজনীও বিয়েট্ৰীছৰ নিচিনাই শান্ত আৰু ৰূপহী; জানোচা মোৰ অশান্ত মনত শান্তি দিবলৈকেই প্ৰেমৰ দেৱতাই এওঁক মোৰ চকুত পেলাইছে।"

এনেতে এদিন তেওঁ দিঠকতেই দেখা পালে, বহুত বছৰৰ আগৰ দৰে যেন বিয়েট্ৰীছে ৰঙা শাৰী পিন্ধি দুজনী গাভৰুৰ মাজত বাটেদি খোজকাঢ়ি যাবলৈ ধৰিছে। বয়সো তেতিয়াৰ দৰেই কুমলীয়া। কবিৰ সোঁৱৰণিয়ে আকৌ অতীতৰ ভাব আৰু ঘটনা-পৰম্পৰাৰ সূতা বগাই ফুৰিবলৈ ধৰিলে আৰু অইন এজনী ছোৱালীৰ প্ৰতি প্ৰেমৰ চকু দিয়া বুলি তীব্ৰ অনুতাপে ঠাই ল'লে। বিয়েট্ৰীছৰ শোক আকৌ উথলি উঠিল; ফ্লোৰেন্স নগৰখন তেওঁ নিৰানন্দময় যেন দেখিবলৈ ধৰিলে।

'নৱজীৱন' বোলা গদ্য-পদ্যময় কাব্যখনৰ শেষ কবিতাত ডাণ্টেই এনেদৰে লিখিছে—

It sees a lady round whom splendours move
In homage; till by the great light thereof
Abashed; the pilgrim spirit stands at gaze,
It sees her such, that when it tells me this
Which it hath seen, I understand it not,
It hath a speech so subtle and so fine.

"কবিত্বময় অন্তৰ্দৃষ্টিৰে কবিয়ে দেখিলে যেন বিয়েট্ৰীছ স্বৰ্গৰাজ্যত আছে আৰু স্বৰ্গৰ সকলো সৌন্দৰ্যই তেওঁক উপাসনা কৰিব লাগিছে। সেইবোৰৰ এনে প্ৰখৰ জ্যোতি যে তেওঁৰ অন্তৰ্দৃষ্টিয়ে কেৱল মুগ্ধ হৈ চাইহে আছে। এই সৌন্দৰ্যলীলাৰ অৰ্থ তেওঁৰ অন্তৰ্দৃষ্টিয়ে তেওঁক উপলব্ধি কৰাব নোৱাৰে। ইয়াৰ ভাষা অতি সূক্ষ্ম।"

এই কবিতাটো লেখাৰ পিছত ডাণ্টেই এটি বিৰাট বিশ্ব-সপোন দেখিলে। সপোনৰ বিৱৰণ তেওঁ দিয়া নাই, মাথোন কৈছে যে, "সপোনত এনেবোৰ কথা দেখিছো যাৰ পৰা এইটো থিৰাং জ্ঞান হৈছে যে সম্পূৰ্ণ উপযোগী নহওঁ মানে আকৌ এই মহিমাময়ীৰ কথা নিলিখো।"

"I saw things which determined me that I would say nothing further of this blessed one, untill such time as I could discourse more worthily concerning her."

তেতিয়াৰ পৰা তেওঁৰ সকলো ধ্যান, চিন্তা এই উদ্দেশ্যেই নিহিত হৈছিল। তেওঁ লিখিছে, "If my life continue with me a few years, it is my hope that I shall yet write concerning her what hath not before been written of any woman." "আৰু কেইবছৰমান যদি মোৰ জীৱন বৰ্তি থাকে তেনেহ'লে মই আশা কৰিব পাৰো যে তেওঁৰ বিষয় এনে কেতবোৰ কথা লিখিম যিবোৰ ইয়াৰ আগেয়ে কোনো তিৰোতাৰ বিষয়ে লিখা হোৱা নাই।"

এই প্ৰতিজ্ঞাৰ ফলস্বৰূপে স্বদেশৰ পৰা নিৰ্বাসিত হোৱা অৱস্থাত শেষ বয়সত

ডাণ্টেই ‘সপোন’ বা ‘ঐশ্বৰিক কাব্য’ (Vision বা Divine Comedy) বোলা এখন কাব্য লিখে।

ওপৰত যি চমু বিৱৰণ দিয়া গ’ল ইহতজগতত সেইখিনিয়েই ডাণ্টে-বিয়েট্ৰীছ সম্বলিত ঘটনা। তেওঁলোকৰ দেখা-দেখিও বাটত আৰু কেতিয়াবা ভোজ আৰু কেতিয়াবা উৎসৱত। সাধাৰণ প্ৰেমিক-প্ৰেমিকাৰ দৰে তেওঁলোকৰ গোপনে দেখা-শুনা হোৱা নাছিল। কেতিয়াও কোনো কথা-বতৰাও তেওঁলোকৰ হোৱা নাছিল। তাত বাজেও ডাণ্টেৰ এই নিৰ্বিকাৰ প্ৰেম-লীলা চলি থাকোতেই বিয়েট্ৰীছৰ আন এজনৰ লগত বিয়া হৈ গৈছিল। ‘নৱজীৱন’ত ডাণ্টেই তাৰ উল্লেখ কৰা নাই। তেওঁৰ মনত বিয়েট্ৰীছ চিৰকুমাৰী, চিৰসৌন্দৰ্যময়ী।

যদি কেতিয়াবা অন্তৰৰ নিভৃত কোণতো ডাণ্টেই-বিয়েট্ৰীছৰ লগত মিলনৰ আশা সাঁচি ৰাখিছিল, বিয়েট্ৰীছৰ বিয়াৰ পিছত সেই আশা নিশ্চয় চিৰকাললৈ নোহোৱা হৈছিল। কিন্তু তেওঁৰ আদৰ্শ প্ৰতিমাৰ প্ৰতি আকৰ্ষণ আগৰ দৰেই থাকিল। আকৌ বিয়েট্ৰীছ মৰাৰ এবছৰৰ পিছতেই জেমা ডোনাটী (Gemma Donati) নামৰ ছোৱালী এগৰাকীৰ লগত ডাণ্টেৰ বিয়া হৈ গৈছিল। ‘নৱজীৱন’ত ইয়াৰো উল্লেখ নাই। এতেকে দেখা যায় বিয়েট্ৰীছৰ প্ৰতি ডাণ্টেৰ প্ৰেম-লীলাত মিলনৰ কোনো ক্ষীণ অভিলাষো নাছিল; থাকিলে বিয়েট্ৰীছৰ বিয়াৰ পিছত কবিৰ উন্মাদনা টুটি গ’লহেঁতেন। ইয়াক সম্ভোগ-লালসাৰ মানসিক বিকৃতিও বুলিব নোৱাৰি। তেনেহ’লেও বিয়েট্ৰীছৰ মৰণ আৰু ডাণ্টেৰ বিয়াৰ পিছত ডাণ্টেৰ জীৱনত বিয়েট্ৰীছ-অধ্যায়ৰ সামৰণি পৰিলহেঁতেন।

এইটোও ক’ব নোৱাৰি যে ডাণ্টেৰ প্ৰেম-লীলা লাস-বিলাসত ডাঙৰ হোৱা এলেহুৱা ডেকা প্ৰেমিকৰ মানসিক বিকৃতি। কিয়নো প্ৰেম-চৰ্চাৰ লগে লগে ডাণ্টেই সেই সময়ৰ উৎকট পাঠ-চৰ্চাতো মনোযোগ দিছিল। সেই সময়ৰ ইটালীয় ৰাজনৈতিক আন্দোলনতো তেওঁৰ সম্পূৰ্ণ যোগ আছিল। বিয়েট্ৰীছ মৰাৰ এবছৰৰ আগতেই ফ্লোৰেন্স আৰু পিছা নগৰৰ মাজত যুঁজ লাগিছিল। সেই যুদ্ধলৈ সকলোৰে আগতেই ডাণ্টে অশ্বাৰোহী সৈনিকৰূপে নিজ ইচ্ছাৰে আগৰণুৱা হৈ ওলাইছিল আৰু সৈনিকৰূপে যুদ্ধও কৰিছিল। কঠোৰ পাঠ্যত আত্ম-নিয়োগ, স্বদেশৰ হকে যুদ্ধক্ষেত্ৰত অস্ত্ৰধাৰণ আদি সকলো পৌৰুষ কামতেই তেওঁ ডেকা কালৰ পৰাই লিপ্ত আছিল। এতেকে দেখা যায় ডাণ্টেৰ প্ৰেম-লীলা ভৱিষ্যৎ সন্মিলন আশাত আশান্বিত আছিল। ই প্ৰতিহত সম্ভোগ-বাসনাৰ মানসিক বিকাশ নহয়, নাইবা ভোগ-বিলাসত লালিত এলেহুৱা ডেকা প্ৰেমিকৰ মানসিক বিকৃতিও নহয়। ফ্লোৰেন্স নগৰৰ ৰাজনৈতিক আন্দোলন এটাৰ নেতা স্বৰূপে সেই সময়ত ডাণ্টে স্বদেশৰ পৰা চিৰকাললৈ নিৰ্বাসিত হৈছিল। সেই

নিৰ্বাসনৰ কঠোৰ নিৰ্যাতন অৱমাননাৰ ভিতৰতো তেওঁৰ অন্তৰ্জীৱনৰ ধ্ৰুৱতৰা আছিল আদৰ্শ প্ৰতিমা বিয়েট্ৰীছৰ স্মৃতি। তেওঁৰ মহাকাব্যও এই নিৰ্বাসনৰ ভিতৰতেই লিখা হয়।

মৰুভূমিৰ তপত বালিৰ তলত বৈ থকা পানীৰ দৰে, উত্তপ্ত পাযাণ ৰাশিৰ অন্তঃস্ৰোত নিজৰাৰ দৰে মধ্যযুগৰ বিদগ্ধ পণ্ডিত আৰু ৰাজনীতিত আগৰণুৱা ডান্টেৰ কঠোৰ দৈনন্দিন জীৱনৰ ভিতৰেদি বিয়েট্ৰীছ-প্ৰেম তেওঁৰ ন বছৰ বয়সৰ পৰা আৰম্ভ কৰি ১৩২১ খ্ৰীষ্টীয় শকত তেওঁৰ মৰণলৈকে ৪৭ বছৰ কাল পাতালি গঙ্গাৰ দৰে সঞ্জীৱনী শক্তিৰূপে বৈ আছিল। এই প্ৰেমৰ বাহ্যিক স্বৰূপ 'নৱজীৱন'ত উল্লেখ কৰা ঘটনাবোৰ প্ৰেমৰ কাহিনী হিছাপে কোনো ঘটনাই নহয়। কিন্তু কবিৰ মনত কি মাৰ নোযোৱা ভাবৰ ঢৌ উঠিছিল বা কি অপৰূপ সৌন্দৰ্যৰ বিকাশ হৈছিল তাক সমান-ধৰ্মীত বাজে আনে বুজিব নোৱাৰে। ডান্টেৰ মহাকাব্যত বিয়েট্ৰীছক নায়িকাস্বৰূপে সুমোৱা হৈছে। কিন্তু সেই কথা আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। বিয়েট্ৰীছক কিভাৱে মহাকাব্যত চিত্ৰিত কৰা হৈছে, সেইটো ডেকা কবিৰ অহৈতুকী প্ৰেমৰ শেষ বিকাশ মাথোন। মহাকাব্যৰ শেহত ডান্টেই লিখিছে— "My desire and will were rolled even as a wheel which moveth equally by the Love that moves the sun and the other stars"– "যি প্ৰেমৰ তাড়নাত সূৰ্য আৰু নক্ষত্ৰাৱলীয়ে ঘূৰিব লাগিছে, সেই প্ৰেমেই গাড়ীৰ চকৰিৰ দৰে মোৰ ইচ্ছা আৰু বাসনাক নিয়ন্ত্ৰিত কৰিছে।"

কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন পদাৰ্থ। প্ৰবন্ধৰ আৰম্ভণিতেই উল্লেখ কৰা সহজীয়া কবিৰ ৰামী ৰজকিনীৰ প্ৰতি যি নাম-গন্ধ নোহোৱা প্ৰেমৰ উচ্ছ্বাস, যাৰ প্ৰেৰণাত প্ৰেমিকাই 'উপাসনাৰস', 'বেদমাতা গায়ত্ৰী'ৰ ঠাই অধিকাৰ কৰিছে, সিয়ো ইটালিৰ মহাকবিৰ অহৈতুকী প্ৰীতিৰ শ্ৰেণীৰেই কিবা বস্তু। কেৱল চণ্ডীদাসৰ ৰজকিনী ভক্তি আৰু কবিত্ব-ৰস এনে সংশ্লিষ্টভাৱে অভিষিক্ত যে ৰজকিনীত কিমানখিনি সাধকৰ ৰস তাক বেলেগে বিশ্লেষণ কৰিব নোৱাৰি।

# পণ্ডিতৰ ভূমাস্পৃহা

কাব্য বা কথা-সাহিত্য আলোচনা কৰিবলৈ হ'লে প্ৰথমতেই পঢ়ুৱৈ সমাজে গ্ৰন্থকাৰ কি পৰিমাণে আলোচ্য বা কথা-বস্তুৰ দ্বাৰা অনুপ্ৰাণিত হৈছে, সেইটোৰ বিচাৰত মন দিয়ে। লেখকে যিমানখিনি বিষয়-বস্তুৰ লগত একীভূত হ'ব পাৰিছে, যিমানখিনিৰ অন্তস্থল ভেদ কৰি তাৰ সূক্ষ্মমৰ্ম গ্ৰহণ কৰি বিষয়-বস্তুৰ ফালৰ পৰা সকলো কথা ৰসাভিসিক্ত কৰি তুলিব পাৰে সেই পৰিমাণে তেওঁ জনসমাজৰ হৃদয় মচিব নোৱৰাকৈ স্পৰ্শ কৰিব পাৰে; সেই পৰিমাণে তেওঁৰ উক্তিয়ে যুগমীয়া প্ৰবচন হিছাপে লোক-সমাজত প্ৰচাৰ লাভ কৰে। কিন্তু সেই ঐক্যানুভূতিৰ লৰচৰ নোহোৱা কিবা স্বৰূপ আছেনে? আমি সচৰাচৰ দেখো একেটি বিষয়কেই নানান কবিয়ে নানাভাৱে আমাৰ প্ৰাণত আঘাত কৰাব পৰাকৈ সজাই তোলে। চৰাই কবিতাত দেখো কোনো কবিয়ে তাক বিশ্বচৈতন্যৰ অমৰাবাসীৰ আগদূত বুলি কল্পনা কৰে, কোনোৱে বা বিশ্বজগতত যি অহৈতুকী আনন্দ-ৰস বাগৰি ফুৰিব লাগিছে তাকেই চৰাই বিশেষৰ মাতত ফুটি ওলোৱা বুলি কল্পনা কৰে। কোনোৱে আকৌ চৰাইৰ মাততেই জগতৰ সৌন্দৰ্য ভঁড়ালৰ দুৱাৰ মেল খায় বুলি কয়। তেনেহ'লে বিষয়-বস্তুৰ ঐক্য-সহানুভূতিত কোনো ধৰা-বন্ধা পদ্ধতি বা প্ৰণালী থাকিব নোৱাৰে। কবি আৰু কাব্য বিষয়ে কোনে কাক আগেয়ে স্পৰ্শ বা আঘাত কৰে? কবিয়ে কঠোৰ চিন্তা বা চেষ্টাৰ দ্বাৰা কোনো বিষয়ৰ লগত ঐক্যানুভূতি সাধন কৰিব নোৱাৰে— স্পৰ্শ বা আঘাত কৰে আগেয়ে কাব্য বস্তুৱেই। চিন্তা আৰু মনৰ দ্বাৰাই কবিয়ে মাথোন সেই আঘাত বৰণ কৰি ল'বৰ শক্তি সংগ্ৰহ কৰে। সেই আঘাতত কবিৰ মনত বিস্ময়, আনন্দ, সৌন্দৰ্য আদি যি ভাবৰ প্ৰতিধ্বনি হয়, কাব্য বা কথা-সাহিত্যত তাকেই আমি শুনিবলৈ পাওঁ। ইয়াকেই আমি সাহিত্যত প্ৰকৃতিৰ পৰশ বা একাত্ম-বোধ বুলিব পাৰো। মহাকবি শ্বেক্সপীয়াৰে এঠাইত কৈছে— "One touch of nature makes the whole world kin." —"প্ৰকৃতিৰ এবাৰৰ পৰশেই গোটেইখন জগতকেই আত্মীয় কৰি তোলে।"

কিন্তু বিষয়-বস্তুৰ লগত একাত্ম-বোধৰ লগে লগে ভাবুকৰ মনত সময়ে সময়ে বিশ্বাত্ম-বোধে আহি ভুমুকি মাৰে। জগতখনেই চৈতন্যময়, সৌন্দৰ্যময়। সেই চৈতন্যৰ অনন্ত প্ৰবাহ সেই সৌন্দৰ্যৰ অফুৰন্ত বিকাশৰ সপোন মন-প্ৰাণ এনেভাৱে অভিভূত কৰে যে জাগতিক জীৱনৰ লগত তাৰ সামঞ্জস্য স্থাপন কৰিবৰ শক্তি নেথাকিলে

বাস্তৱিক সংসাৰত ভাবুকৰ জীৱন খৰ্ব হৈ পৰে। এজন কৃতবিদ্যা পুৰুষৰ বিশ্বাত্ম-বোধৰ কৰুণ কাহিনীয়ে বিষয়টো ভালকৈ ফুটাই তুলিব।

ছুইটজাৰ্লেণ্ডৰ জেনেভা নগৰত ১৮২১ খ্ৰীষ্টীয় শকত ফ্ৰেডাৰিক আমীয়েলৰ জন্ম হয়। বাৰ বছৰ বয়সত তেওঁৰ মাক-বাপেক ঢুকায়। পাৰিবাৰিক জীৱন এইদৰে ভাগি গলত আমীয়েল এজন আত্মীয়ৰ তত্ত্বাৱধানলৈ আহিল আৰু তেওঁৰ ভনীয়েক দুজনী আন এজনৰ তত্ত্বাৱধানৰ তললৈ গ'ল। কুমলীয়া বয়সতেই মন-প্ৰাণৰ স্বাভাৱিক বিকাশত সহায় কৰা স্নেহৰ পৰা বঞ্চিত হৈ আমীয়েলে কিছুদিন নিৰানন্দময় জীৱন-যাপন কৰিলে। তদুপৰি তেওঁৰ স্বাস্থ্য সৰুৰে পৰাই বৰ ভাল নাছিল। ভঙ্গুৰ স্বাস্থ্যৰ মানুহৰ স্বাভাৱিকতেই স্নায়ৱিক চাঞ্চল্য বেছি। বয়সৰ লগে লগে তেওঁ আৱেগময় আৰু বিষাদপ্ৰৱণ হৈ উঠিল।

যদিও পৰীক্ষাত ভালকৈ উঠি বঁটা আৰু বিশিষ্ট সন্মান লাভ কৰাৰ বিশেষ উল্লেখ নাই তথাপি সৰুৰে পৰাই গভীৰভাৱে বহুত পাঠত আমীয়েলে মন দিছিল। নিজৰ সমনীয়াবোৰতকৈয়ো বয়স আৰু জ্ঞানত তেওঁতকৈ শ্ৰেষ্ঠবোৰৰ লগতহে মিলি ভাল পাইছিল। জেনেভা নগৰত পঢ়ি অঁতাই ১৮৪২ খ্ৰীষ্টীয় শকৰ পৰা ১৮৪৮ শকলৈ আমীয়েলে ছবছৰ কাল য়ুৰোপৰ সকলো ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয়বোৰত পঢ়ি সেই সময়ত প্ৰচলিত দৰ্শন-বিজ্ঞান আদি শাস্ত্ৰত পাৰদৰ্শিতা লাভ কৰে। তেওঁ নিজেই এঠাইত কৈছে, "মোৰ জ্ঞানৰ নভোমণ্ডল বৰ বহল। দেশ, পাত্ৰ, মানৱ-চৰিত্ৰ, মানৱ-সমাজ, শাস্ত্ৰ-গ্ৰন্থ ইত্যাদি বিষয়ত মোৰ অভিজ্ঞতা অতুল।"

এইদৰে অতুল জ্ঞান সঞ্চয় কৰি আঠাইশ বছৰ বয়সত আমীয়েল জেনেভালৈ উভতি আহে। তেওঁৰ চকু জ্ঞানত উদ্ভাসিত, ব্যৱহাৰ সৰল আৰু জ্ঞানৰ বোজাই স্বভাৱত কোনো জঠৰতা আৰু অভিমান আনিব পৰা নাই। তেওঁৰ বন্ধুসকলে ভাবিলে আমীয়েলে য়ুৰোপীয় পণ্ডিত-সমাজৰ ৰীতি অনুসাৰে জ্ঞান-বিজ্ঞান আলোচনা ক্ষেত্ৰত দিগ্বিজয়ী বীৰৰ দৰে খোজকাঢ়িব। গৱেষণাৰ ভৱিষ্যৎ তেওঁৰ হাতৰ মুঠিতেই। বন্ধুসকলৰ এই আশা প্ৰথমতে ফলিয়ালেই যেন লাগিল। বাছনি পৰীক্ষা এটিত সন্মানেৰে উঠিলত ১৮৪৯ খ্ৰীষ্টীয় শকত জেনেভা বিশ্ববিদ্যালয়ত তেওঁ ৰসবিদ্যা (Aesthetics) আৰু ফৰাছী সাহিত্যৰ অধ্যাপক নিযুক্তি হ'ল আৰু অলপ পিছতেই নৈতিক বিজ্ঞানৰ (Moral Philosophy) অধ্যাপকৰ বাব পালে।

এইদৰে জীৱিকা-সমস্যাৰ সমাধান হ'ল। তেওঁৰ বন্ধুসকলে ভাবিলে, আমীয়েলৰ জ্ঞান-চৰ্চাৰ ভেটি এতিয়া সুদৃঢ় হ'ল। কিন্তু আমীয়েলৰ হ'ল কি? বন্ধুসকলে দেখিলে আমীয়েল লাহে লাহে মৰহি যাবলৈ ধৰিছে। তেওঁ কোনো গৱেষণা বা আলোচনাৰ কামতেই যোগ নিদিয়ে। অতুলনীয় জ্ঞান অথচ ল'ৰাক পঢ়োৱাতো তেওঁৰ কোনো

কথা ৰসাল হৈ ফুটি নুঠে। বন্ধুসকলে উদগাব ধৰিলে, কিন্তু আমীয়েলে নীৰস লালিত্যবিহীন কবিতা কেতবোৰ লিখি তেওঁলোকৰ উদগনিৰ উত্তৰ দিলে। তেওঁলোক নিৰাশ হ'ল আৰু তেওঁলোকৰ মানত আমীয়েলৰ জীৱন-বিৰাট এটি ব্যৰ্থতা যেন লাগিল।

১৮৮১ খ্ৰীষ্টীয় শকত আমীয়েলৰ মৃত্যু হয়। ১৮৮২ শকত অবিবাহিত আমীয়েলৰ সাহিত্যিক উত্তৰাধিকাৰীসকলে 'Journal Intime' —'আমীয়েলৰ অন্তৰ্প্ৰাণৰ ডায়েৰী' বুলি সুবৃহৎ গ্ৰন্থ এখন প্ৰকাশ কৰিলে। আমীয়েলৰ অন্তৰঙ্গ বন্ধু এডমাণ্ড ছেৰাৰে এখনি দীঘলীয়া পাতনি লিখি অতিশয় ক্ষোভ কৰি কৈছিল, "মোৰ দূৰ-দৃষ্ট যে জীয়াই থাকোতেই বন্ধুক মই বুজিব নোৱাৰিলো। 'অন্তৰ্প্ৰাণৰ ডায়েৰী'ত যি কৰুণ কাহিনী বিবৃত হৈছে সেইটো আগেয়ে জনাহেঁতেন কিজানি কৰুণা-সম্পৃক্ত শলাগৰ কথাৰে তেওঁৰ বেদনা লাঘৱ কৰিব পাৰিলোহেঁতেন।" তেওঁ আকৌ কয়, "যিজনে জীৱিতাৱস্থাত নিজৰ শক্তিৰ অনুৰূপ কোনো গ্ৰন্থ এখন আমাক দিব নোৱাৰিলে, মৰণত আমাক এনে এখন অপূৰ্ব ৰচনা তেওঁ দি গ'ল যিখন চিৰকাল অমৰ হৈ থাকিব।"

'ডায়েৰী'খনত কি আছে? ই আমীয়েলৰ অন্তৰাত্মাৰ অনুভূতিৰ বুৰঞ্জী। অধ্যাপকৰ কাম কৰা সময়ৰ পৰা মৰণৰ দিনলৈকে তেওঁৰ ধ্যান-ধাৰণা, তন্ময়তা, ভাবাৱেশ, সমাজ, নীতি, দৰ্শন, সাহিত্যৰ সমালোচনা আদি নানান কথাৰ সমাৱেশ। লৌকিক জগতৰ ফালৰ পৰা তেওঁৰ জীৱন কি কাৰণত ব্যৰ্থ হৈছিল তাৰ সবিশেষ বিৱৰণ ইয়াত অকপটভাৱে মোকলাই কোৱা হৈছে। ইয়াক তেওঁ জনসমাজত প্ৰকাশ কৰিবৰ বাবে লিখা নাছিল। আনকি তেওঁৰ অন্তৰঙ্গ বন্ধু ছেৰাৰেও তেওঁৰ মৰণৰ আগলৈকে ইয়াৰ অস্তিত্বৰ কথা জনা নাছিল। 'Journal Intime' — 'অন্তৰ্প্ৰাণৰ ডায়েৰী'— আমীয়েলৰ অন্তৰাত্মাৰ লগত নিভৃত কথোপকথন।

ডায়েৰীত সাহিত্য, বিজ্ঞান, সমাজ, নীতি আদি বিষয়ক যিবোৰ সমালোচনাত্মক টোকা আৰু মন্তব্য আছে, সেইবোৰ যথাৰ্থ আৰু বহুমূলীয়া বুলি য়ুৰোপীয় সাহিত্যিকসকলে গ্ৰহণ কৰিছে আৰু সেই অনুসাৰে তেওঁক যথেষ্ট প্ৰশংসাও কৰিছে। কিন্তু যি কাৰণত তেওঁ প্ৰকাশ্য জীৱনত তেওঁৰ প্ৰতিভাৰ অনুৰূপ কোনো গৌৰৱময় ডাঙৰ আলোচনাত হাত নিদিলে সেই কাৰণৰ প্ৰকৃত মূল্য নিৰ্দ্ধাৰণ কৰাত নানা পণ্ডিতৰ নানা মত।

আমীয়েল সৰুতেই প্ৰাণস্পৰ্শী স্নেহৰ পৰা বঞ্চিত হৈছিল। তেওঁৰ স্বাস্থ্যও ক্ষণভঙ্গুৰ আছিল। সৰুৰেপৰাই তেওঁ বিষণ্ণ আৰু আৱেশপ্ৰৱণ আছিল। বিশাল পাঠ আৰু ভ্ৰমণৰ দ্বাৰা মনৰ সকলো সঙ্কীৰ্ণতা আঁতৰাই তাক উদাৰ ভাব আৰু অনুভূতি

গ্ৰহণ কৰিব পৰা কৰি তুলিছিল। জেনেভা নগৰৰ পাৰিপাৰ্শ্বিক সমাজতো তেওঁৰ মানসিক সহানুভূতি আকৰ্ষণ কৰিব পৰা চৰ্চাৰ অভাৱ দেখি মকৰাই নিজৰ জালত নিজে বাহ লৈ থকাৰ দৰে আমীয়েলেও নিজৰ ভাবৰ কুহেলিকা ৰচনা কৰি তাতেই বুৰ গৈ থাকিল। বাহ্য জগতৰ সংসৰ্গৰ পৰা যিমানেই তেওঁৰ মন আঁতৰি আছিল, তেওঁৰ অন্তৰাত্মায়ো বিশ্বৰ সৌন্দৰ্য আৰু অন্তঃচৈতন্যৰ অনুভূতিৰ বিষয়ত তিমানেই বিস্তৃতি লাভ কৰিলে। প্ৰকাশ্য জীৱনত ব্যৰ্থতাৰ কাৰণ তেওঁ নিৰ্দেশ কৰিছে তেওঁৰ 'Longing for totality'— 'ভূমাস্পৃহা'। তেওঁৰ মন সৰ্বদায় অসীমৰ অনুভূতিৰফালে ধাৱিত হোৱাত বাস্তৱিক জীৱনৰ সীমাবদ্ধতা তেওঁৰ পক্ষে অসহ্য হৈ উঠিছিল। "আৱেশময় জীৱনতহে মই স্বাধীনতা আৰু গৌৰৱ অনুভৱ কৰোঁ। বাস্তৱিক জীৱনে মনত ভয় ওপজায়। আদৰ্শৰ প্ৰতি তন্ময় দৃষ্টিয়ে সকলো অপূৰ্ণ বস্তুৰ প্ৰতি মোৰ বিতৃষ্ণা জগাই তোলে।" আমীয়েল চিৰকুমাৰ আছিল। 'ভূমাস্পৃহা'ৰ উদ্বেল চাঞ্চল্যত জৰ্জৰিত হৈ কেতিয়াবা দাম্পত্য জীৱনৰ প্ৰতিও তেওঁ সতৃষ্ণ দৃষ্টিপাত কৰিছিল। "জিৰণি ল'বলৈ তিৰোতাৰ হিয়া এডুখৰি কেতিয়াও নেপামনে? সন্তানতেই নতুনকৈ উপজি আকৌ গুৰিৰ পৰা জীৱন আৰম্ভ কৰিবলৈ সুচল নেপামনে? মোৰ যি জীৱন ব্যৰ্থ আৰু খৰ্ব হৈ পৰিছে তাৰ স্বাভাৱিক বিকাশ আৰু স্ফুৰণৰ বাবে অকণমান সংসাৰ এখনি পাতি ল'ব পাৰিমনে? মোৰ সপোন মোৰ বিশ্ব-সপোন ভাগিবৰ ভয়ত মই কোঁচ খাওঁ, মই হুহঁকি আহো। সপোনৰ খেলাতেই মই যথাসৰ্বস্ব পণ কৰিছো। মই যেন সপোনতেই বুৰ গৈ থাকো।"

অসীমৰ প্ৰতি উদ্দাম আৱেগৰ ফলত তেওঁৰ মানসিক শক্তি এনেভাৱে উৱলি পৰিছিল যে গৱেষণা গ্ৰন্থ ৰচনা আদি সীমাবদ্ধ কামত যি ধৈৰ্য আৰু চিন্তাৰ একাগ্ৰতা লাগে, তাৰ বাবে তেওঁ অক্ষম হৈ পৰিছিল। তেৱোঁ এইটো বুজিছিল— "ৰচনা কামত একাগ্ৰতা, মীমাংসা কৰিব পৰা শক্তি আৰু মনৰ স্বচ্ছন্দ-গতি লাগে। মই ভাব আৰু ভাব্য বিষয়ক চিন্তাৰ ভাবেৰে জোৰা খুৱাব নোৱাৰো। কোনো এটি বিষয়ক আকৃতি দিব লাগিলে তাক চিন্তাৰ আঁকুহিৰে টানি আনি আমাৰ মানসিক বৃত্তিৰ অঙ্গীভূত কৰি ল'ব লাগে। এইটো মোৰ পক্ষে অসম্ভৱ। মোৰ গোটেই প্ৰকৃতি এনেকৈ অসীম, অনিৰ্দিষ্টতাৰ ফালে বিয়পি পৰে, সকলো বাহ্য বস্তুৰ মৃদু বা কঠোৰ আঘাততেই ই তল যায়। সত্যৰ প্ৰতি মোৰ এনে গভীৰ প্ৰীতি কিজানি কেতিয়াবা ভুল হয় এই ভাৱতেই কোনো বিষয়ে মই মতামত বা সিদ্ধান্ত দিব নোৱাৰো।"

পাৰিপাৰ্শ্বিক সমাজ আৰু সমসাময়িক জগতৰ চিন্তা-প্ৰবাহৰ লগত নিজৰ ভাবধাৰা সামঞ্জস্য কৰিব নোৱৰাটোৱেই আমীয়েলৰ করুণ অৱস্থাৰ মূল কাৰণ। সৰ্বসাধাৰণ আৰু বন্ধুসকলে তেওঁৰ পৰা যি আশা কৰিছিল সেই আশা পূৰণ কৰিবলৈ তেওঁ

অপাৰগ। তেওঁ নিজেও বুজিছিল, বন্ধু সমাজৰ মানত তেওঁ খৰ্ব হৈ পৰিছিল। অথচ বিৰাট কল্পনা আৰু উলপব্ধিৰ চেষ্টাৰ পৰা তেওঁ মনকো কোঁচাই আনিব নোৱাৰে আৰু আনিবলৈ যত্নও কৰা নাই।

তলত আমীয়েলৰ ভাবৰ আৱেগৰ কেইটিমান নমুনা দি সাহিত্যত সেইবোৰৰ কি ঠাই তাক আলচ কৰা যাব।

৭ ছেপ্টেম্বৰ, ১৮৫০।

"এতিয়া নিশা দহোটা বাজিল। জোনৰ পোহৰে ঘৰৰ চালখনক এটি অনাভুৰা ৰহস্যময়ী দীপ্তিৰে উদ্ভাসিত কৰি মনোমোহা কৰি তুলিছে। ৰিবৰিব কৰি বতাহ, আকাশতো কেইডোখৰমান উটি ফুৰা ডাৱৰ অনাই-বনাই ফুৰিব লাগিছে। এই স্নিগ্ধ গৌৰ প্ৰভাৰাশিয়ে ওপৰৰ পৰা প্ৰাণবিৰিঙা স্তিমিত শান্তিকণা বৰষিব লাগিছে। তৰাবোৰ জিলিকিছে, গছৰ পাতবোৰ ৰূপালী পোহৰত দুলিব লাগিছে। চাৰিওফালে কোনো সাৰসুৰ নাই। গছৰ তলৰ একা-বেঁকা বাটবোৰত অন্ধকাৰৰাশি স্তুপীকৃত হৈ থকা যেন লাগে। সকলো যেন গাম্ভীৰ্য আৰু ৰহস্যেৰে আচ্ছন্ন। অ' নিশা, অ' নীৰৱতা, অ' নিস্তব্ধকাল। বিষাদ আৰু মধুৰতা তোমাৰেই লগৰীয়া। তুমিয়েই মনত বিষাদ কালিমা ঢালি দিয়া, তুমিয়েই শান্তিও দিয়া। পৃথিৱীৰ পৰা লুপ্ত হৈ যোৱাবোৰৰ সোঁৱৰণি তুমিয়েই জগাই তোলা, আগলৈ নাইকিয়া হোৱা লগৰীয়াবোৰৰ আগ-বাতৰিও তুমিয়েই সূচনা কৰা। কিন্তু তুমিয়েই ধৈৰ্য ধৰিবলৈ উদগোৱা আৰু তুমিয়েই জিৰণিও দিয়া।"

২ ডিছেম্বৰ, ১৮৫১।

"অন্তৰতম প্ৰদেশত ৰহস্যময়লৈ অকণমানি ঠাই এৰিবা। আপোন ফঁহিয়নিৰ নাঙলফালেৰে অন্তৰৰ আটাইখিনি মাটি তল-ওপৰ কৰি নেপেলাবা। বতাহত উৰি অহা গুটি এটিও খোহা খাই থাকিব পৰাকৈ হিয়াৰ অকণমানি চুক এটি নচহোৱাকৈ এৰিবা আৰু ৰাখিবা, উৰি যোৱা চৰাই এটি জিৰাব পৰাকৈ অলপমানো ছাঁ, সন্ধিয়াৰ অচিন্তিত আলহীলৈ এডুখৰি ঠাই; অজানিত দেৱতালৈ আৱেগৰ থাপনা। যদি অন্তৰাত্মাৰ ঠেঙ্গুলিৰ মাজত কোনোবা চৰায়ে কূজন কৰে তাক বাহত ভৰাই পুহিবলৈ খৰ-ধৰ নকৰিবা। যদি অন্তৰত কিবা অভিনৱ পদাৰ্থৰ সঞ্চাৰ বা অন্তৰ্প্ৰদেশত কিবা ভাব বা ভাবনাৰ উন্মেষ অনুভৱ কৰা তাৰ ওপৰত ততালিকে পোহৰ পেলাবলৈ লৰা-ঢপৰা নকৰিবা, তাৰ পিনে নেচাবা, গজালি মেলা ভাবৰ কণিকা, পাহৰণিৰ ছাঁ, তাৰ চাৰিওপিনে নিবিড়তাৰ জেওৰা দিবা। তাৰ এন্ধাৰ কোনোক্ৰমে নেভাঙিবা। সি আপোনা-আপুনি বাঢ়ক, নিজৰ গতি লওক, তোমাৰ আনন্দৰ বাতৰি কাকো নজনাবা। ই প্ৰকৃতিৰ পুণ্য-প্ৰক্ৰিয়া— ভাবৰ সকলো গজালিকেই বিনয়, মৌন আৰু এন্ধাৰৰ তিনি তৰপীয়া ওৰণিৰে লুকুৱাব লাগে।"

২৮ এপ্ৰিল, ১৮৫২।

"আকৌ চাৰিওফালে বসন্তৰ বতাহ; বসন্তৰ অৱসাদ শৰীৰত পিৰপিৰাই বগাই ফুৰিছে যেন লাগে। পুৱা চাৰিওফালৰ দৃশ্য, কবিত্বময় ভাব, চৰাইৰ কূজন, স্নিগ্ধ বেলিৰ পোহৰ, নিৰ্মল সেউজীয়া পথাৰৰ ওপৰত ঢৌ তোলোৱা মৃদু বতাহ— আটাইবোৰে মোৰ হৃদয় মন ওপচাই খলকনি তুলি দিছিল। এতিয়া সকলো নিটাল। অ' নীৰৱতা, তুমি বৰ বিভীষিকাময়। নিস্তব্ধ সাগৰৰ অলত জলৰাশিৰ তলত থকা এন্ধাৰ গহ্বৰৰ ছায়া মানুহৰ চকুত যেন 'বিভীষিকাময়', তুমিও তেনে বিভীষিকাময়। তুমিও আমাৰ অন্তৰ্নিহিত গভীৰ গাঁত, অতৃপ্ত বাসনা, শোকৰ জৰণাত ঘূৰাই নি আমাৰ চকুত পেলোৱা, আমাৰ মূৰ ঘূৰণি উঠে। অ' নিস্তব্ধতা, তোমাতকৈ ধুমুহা বহুত গুণে ভাল, সি অন্ততঃ ভীষণ ৰহস্যপুঞ্জত আবৰি থকা জলৰাশিৰ ওপৰত ঢৌ তুলি দিয়ে। ইন্দ্ৰিয়ৰ ক্ষোভ বহুত গুণে শ্ৰেয়— সি অন্তৰত চাঞ্চল্য জগাই দি অতলস্পৰ্শী শূন্যতাক চকুৰ আঁতৰত ৰাখে। ধূলিত ওপজা মহাকালৰ সন্তান— আমাত সকলোতে অসীম অনন্তৰ মূৰ্তিয়ে প্ৰহেলিকাময় ভয়, ইচ্ছাৰোধী বেদনাৰ সঞ্চাৰ কৰে। আমি মৃত্যুৰাজ্যত সোমোৱা যেন পাওঁ। অ' মোৰ নিছলা হিয়া, তোৰ বাসনা হৈছে জীৱন প্ৰেম, মায়াৰ প্ৰতি। তোৰ বাসনাই সঁচা, কিয়নো জীৱন শূন্যময়।"

"অসীমে সৈতে মুখা-মুখি হোৱা এইবোৰ ক্ষণত বাস্তৱিক জীৱন কেনে বিৰূপ যেন লাগে। যিবোৰ কাম বা ভাবত লিপ্ত বা উত্তেজিত হৈ থাকো, সেইবোৰ কেনে নীৰস, অসাৰ আৰু ল'ৰাৰ ধেমালি যেন লাগে। নিজকেই পুতলা খেলৰ সামগ্ৰী, বহুৱাৰ ভাবনাত গম্ভীৰভাৱে অভিনয় কৰা ভাৱৰীয়া যেন পাওঁ। এনেবোৰ ক্ষণত চকুৰ আগত থকা সকলো বস্তুৱেই বৰণ সলায়, সকলোৰে পৰিৱৰ্তন ঘটে যেন বোধ হয়। এমাৰ্ছনে সঁচাকৈয়ে কৈছে— 'জীৱন এটি ৰূপক মাথোন।' পদাৰ্থতকৈ ভাব বেছি সত্য। জনশ্ৰুতি, বুঢ়াৰ বচন, সাধুকথা আদি প্ৰাকৃতিক বুৰঞ্জীতকৈ বেছি সঁচা। সেইবোৰ ভাববাহী সঙ্কেত। আত্মাই প্ৰকৃত সত্য। আনবোৰ? —ছায়া, মৰীচিকা, ইন্দ্ৰজাল, ৰূপক, সপোন। কেৱল চৈতন্যইহে অমৰ সত্ত্বাবান, সম্পূৰ্ণ বাস্তৱ! পৰিদৃশ্যমান জগত কেৱল খাৰ-বাৰুদৰ খেলা, বিৰাট ভোজবাজী। ই আত্মাৰ বিকাশ আৰু আনন্দৰ বাবে সৃষ্টি। চৈতন্যই বিশ্বব্ৰহ্মাণ্ড আৰু ইয়াৰ সূৰ্য প্ৰেম। আকৌ বহিৰ্জীৱনৰ চিন্তাত আহি পৰিলোহি। ই আত্মাৰ ঐকান্তিক অনুভূতিৰ পৰা মোক ৰক্ষা কৰে, নহয় বিচ্ছিন্ন কৰে। চিন্তাই আৱেশৰ তন্ময়তা ভাঙি পেলায়, অনুভূতিৰ কোমল ডেউকা পুৰি পেলায়। সেই কাৰণে বিজ্ঞান-চৰ্চাই মনুষ্যত্বৰ গৰিমা বিকাশ নকৰায়, ই নীৰস সত্তা, শুকান চিন্তাৰ জঁকা কেতবোৰ সজাই তোলে। অ'! আমি যেন অনুভূতিৰ ৰাজ্যত জীয়াই থাকিব পাৰো, আপোন-ফাঁহিয়নিৰ বিষয় যেন সতৰ্ক হওঁ।"

আবেলি।

"যোৱাবোৰ দিনৰ ভূমানন্দৰ আৱেশৰ সুখ আকৌ উপভোগ কৰিবলৈ পামনে? যেনে এদিনাখন ডেকা বয়স দোকমোকালিতেই উদ্বিগ্ন দুৰ্গৰ প্ৰান্তৰত বহি আছিলো! আকৌ এদিনাখন ভৰ বেলি যেতিয়া লাভে নগৰৰ ওপৰৰ পৰ্বতত গছৰ তলত দীঘল দি পৰি আছিলো, লগৰ লগৰী মাথোন তিনিটি পখিলা। আকৌ এদিনাখন যেতিয়া উত্তৰ মহাসাগৰৰ বালুকাময় তীৰত চিত হৈ দীঘল দি পৰি আছিলো, মোৰ চকুৱে আকাশত ছায়াপথৰ বাট বগাই ফুৰিছিল। সেইবোৰ আকৌ উভতি আহিবনে? সেই সপোন, সেই অমৰ বিৰাট বিশ্ব-সপোন— যেতিয়া মনৰ হৃদয়ে গোটেই ব্ৰহ্মাণ্ডখনকেই নিজৰ বুকুত সামৰি লোৱা যেন পায়— যেতিয়া মানৱাত্মাই উথলি উঠি নক্ষত্ৰমণ্ডলী স্পৰ্শ কৰে, অসীমক বুকুৰ মাজত সাবটি লয়, কি মণ্ডল-মণ্ডিত ক্ষণ! কি সন্মোহন কাল! যেতিয়া চিন্তাই জগতে জগতে উৰি ফুৰে, বিৰাট বিশ্বপ্ৰহেলিকা ভেদ কৰে, যেতিয়া মানৱ হৃদয়ে সাগৰৰ জলৰাশিৰ প্ৰশান্ত হেন্দোলনিৰ দৰে উদাৰ অনুদ্বিগ্ন গভীৰ বুকুভৰা উশাহ লয়, যেতিয়া চিন্তাই অসীম নীল-নভোমণ্ডলৰ দৰে বনাই ফুৰে, যেতিয়া যুৱেনীয়া দেৱীয়ে উপাসকৰ কপালত তন্ময়-সমাধিৰ পৰিচায়ক জ্যোতিঃপুঞ্জৰ চন্দন-ৰেখা আঁকি দিয়ে, উপাসকৰ হৃদয়ত প্ৰতিভাৰ শান্ত উন্মাদনা ঢালি দিয়ে! কি অবাধ অনুভূতিৰ ক্ষণ! যেতিয়া মানুহে নিজকেই দেৱতাৰ দৰে প্ৰশান্ত ব্ৰহ্মাণ্ডৰ সমান বিৰাট বুলি অনুভৱ কৰে। আকাশৰ নক্ষত্ৰ-মণ্ডলীৰ পৰা পৃথিৱীৰ শামুকৰ খোলা বা শেলুৱৈলৈ বিশ্বৰ সকলো সৃষ্টি পদাৰ্থই, আমাৰ চকুৰ আগত ক্ষয় হয়, আমাৰ হিয়াত থিতি লয়, বিধিৰ অলঙ্ঘনীয় বিধান অনুসাৰে আৰু প্ৰেমৰ সৰাগ উষ্ণতাৰে বিশ্ব-শক্তিয়ে আমাৰ অন্তৰত সৃষ্টি-প্ৰক্ৰিয়াৰ ৰহস্য দেখুৱায়। কি মঙ্গলময় ক্ষণ! কি সন্মোহন স্মৃতি! তাৰ পিছৰ অখণ্ড নভোমণ্ডলে বেঢ়ি থকা ধ্যানৰ ওখ টিঙৰ পৰা সংসাৰৰ পঙ্কিল ক্ষুদ্ৰতাৰ বাটত আহি নমা— কি পতন! সেইবোৰ মাহেন্দ্ৰক্ষণত কি বিৰাট সত্তাৰ আভাস পাওঁ। বাস্তৱিক জীৱন, কি তাৰ নীৰস কৃত্ৰিম ছায়া! আমাৰ যৌৱনৰ দূৰদৰ্শী বিজুলী দৃষ্টিয়ে আদহীয়া বয়সৰ অলস বৈচিত্ৰ্যহীন সন্ধিয়াৰ চকাছন্দাক বেছি গহীন আৰু নীৰস কৰি তোলে।"

২৯ এপ্ৰিল।

"পুৱা, বতাহ বৰ জুৰ। আকাশখন পাতল মেঘেৰে ঢাক খাই আছে। ফুলনিলৈ গ'লো, বসন্তই কিমানখিনি বিকাশ লাভ কৰিছে চাবলৈ। ফুলবোৰৰ কি শুভ্ৰ সৰলতা, কি বিনয়ৰাগ-ৰঞ্জিত লাৱণ্য। হে বিস্ময়প্ৰসূতি, সুকোমল ৰহস্যময়ী প্ৰকৃতি! আমি তোমাতেই জীৱন-ৰস বেছিকৈ নিবিচাৰো কিয়? আমি সৰ্বদায় ব্যস্ত ভাৰাক্ৰান্ত, চিন্তাকুল কৰ্মলিপ্ত, আমি পাঠনিমগ্ন! কিন্তু অতি লাগতিয়াল কথা হৈছে, চিন্তাৰ বোজা, পাণ্ডিত্যৰ

ভাৰ নমাই থ'ব পৰাটোহে— আকৌ ল'ৰালি কালৰ দৰে সৰল মুকলিচিতীয়া হৈ বৰ্তমান ক্ষণতেই সুখত বুৰি থাকিব পৰা ক্ষমতা লাভ কৰাটোহে। কামৰ বোজা নমাই থৈ সজাগ মনেৰে আৱেশপৰায়ণ হ'লে, কামৰ হেঁচাত সঙ্কুচিত অন্তৰাত্মাৰ ভাজবোৰ মিলি যায়, অন্তৰাত্মা আকৌ মেল খায়, বাটৰ কাযৰ দুবৰিৰ দৰে আকৌ ঠন ধৰি উঠে, আকৌ নতুন হয়, আকৌ নিজ প্ৰকৃতি লাভ কৰে। আৱেশে নিশাৰ বৰষুণৰ দৰে দিনৰ ধূলি আৰু তপত বতাহত মুজুৰা পৰি থকা ভাবৰাশিত নতুন তেজ আৰু বলৰ সঞ্চাৰ কৰে। আৱেশ আমাৰ চিন্তাৰ দেওবাৰৰ নিচিনা। কোনে জানে মানুহৰ পক্ষে কোনটো বেছি লাগতিয়াল আৰু ফলদায়ক— আন আন দিনৰ কৰ্মক্লান্ত জীৱনেইনে, দেওবাৰৰ শক্তি-প্ৰদায়িনী জিৰণি? আৱেশ ফুলে ফুলে পৰ্বত-ভৈয়ামে উৰি ফুৰা পখিলাৰ মহোৎসৱৰ দৰে। মনত ৰাখিবা আমাৰ অন্তৰাত্মাৰে পখিলা এটিহে।"

আকৌ।

"মূল প্ৰকৃতিৰ বাজে মনক জিৰণি দিব পৰা, অসীমত বাজে অনুভূতিক জিৰণি দিব পৰা আৰু ঐশ্বৰিকত বাজে আত্মাক জিৰণি দিব পৰা বস্তু নাই। কোনো সীমাবদ্ধতাই সত্য নহয়, কাম্য নহয়, মোৰ মনক আকৰ্ষণ কৰিবৰ উপযুক্ত নহয়। সকলো বিশিষ্ট পদাৰ্থই মোৰ মনৰ বাহিৰা আৰু যি সীমাবিশিষ্ট তাৰ পৰাই মোৰ মন কোঁচ খাই আহে। ভূমাত বাজে কোনো বিশিষ্টতা ৰহিত নহয়, মোৰ ব্ৰত হৈছে ভূমাৰ লগত শৰীৰৰ প্ৰত্যেক অণু-পৰমাণুৰ ভিতৰেদি সংযোগ স্থাপন কৰা।"

উদ্ধৃত উক্তিবোৰৰ পৰা আমীয়েলৰ চিন্তা অনুভূতিৰ ধাৰাৰ বিষয়ে যথেষ্ট ধাৰণা কৰিব পাৰি। সেইবোৰে তেওঁৰ সাংসাৰিক জীৱনৰ ওপৰত কিভাৱে প্ৰতিক্ৰিয়া কৰিছিল তাকো তেওঁ নিজেই উল্লেখ কৰিছে। তেওঁৰ জীৱনৰ যি আদৰ্শ আৰু অনুভূতিৰ প্ৰবাহে তেওঁৰ মন-প্ৰাণ মথি পেলাইছিল, পাৰিপাৰ্শ্বিক সমাজ আৰু বিদ্বন্মণ্ডলীৰপৰা তেওঁ তাৰ কোনো প্ৰতিধ্বনি আশা কৰিব নোৱাৰিছিল। চিন্তা আৰু অনুভূতিৰ বিশিষ্টতাৰ দ্বাৰা লৌকিক জগতৰ পৰা বিচ্ছিন্ন হোৱাৰ কাৰণে আৰু পাৰিবাৰিক কোনো বন্ধন নথকাৰ গুণত অন্তৰ্প্ৰাণৰ গহন নিজানত বিৰাটৰ লগতে সংযোগ স্থাপনৰ সপোনকেই আমীয়েলে জীৱনৰ সমলস্বৰূপে আঁকোৱালি ধৰিছিল। কিন্তু বাস্তৱ জীৱনৰ দাবী যে তেওঁ সম্পূৰ্ণ অলীক আৰু তুচ্ছ জ্ঞান কৰিব নোৱাৰিছিল, সেইটোৱেই তেওঁৰ জীৱনক কৰুণ কৰি তুলিছিল। আমীয়েলৰ ডায়েৰী চাৰিওফালৰ সীমাবদ্ধ জ্ঞানৰ হেঁচাত স্বাভাৱিকৰূপে বিকাশ লাভ কৰিব নোৱৰা অন্তৰ্প্ৰাণৰ ৰসনিৰ্যাস মাথোন।

আমীয়েলৰ ভাবৰ ধাৰা যুৰোপীয় সাহিত্যৰ বুৰঞ্জীত একেবাৰে অভিনৱ পদাৰ্থ নহয়। উনৈশ শতিকাৰ গুৰিতেই যুৰোপীয় সাহিত্যত যি ৰোমাণ্টিক আন্দোলনৰ ঢৌ উঠিছিল, তাত চিন্তাতকৈ অনুভূতিয়েই বেছি প্ৰাধান্য লাভ কৰিছিল। সেই সময়ৰ

সাহিত্য সম্পূৰ্ণ অনুভূতিপ্ৰধান। বহুত কবিৰেই হেঁপাহ আছিল চিন্তাতকৈ অনুভূতিৰ জীৱন-যাপন কৰিব পৰাটো— 'O for a life of sensation rather than of thought!' কিন্তু সমালোচকসকলে ৰোমাণ্টিক আদৰ্শক ব্যক্তিগত বা সামাজিক জীৱনত কাৰ্যকৰী প্ৰেৰণা দিব পৰা বুলি স্বীকাৰ নকৰিছিল। তেওঁলোকৰ মতে ৰোমাণ্টিক আদৰ্শবাদ হাঁৱৈ, ফুলজাৰি আদিৰ দৰে খাৰ-বাৰুদৰ খেলা। ৰোমাণ্টিক কাব্য পঢ়ি সোৱাদ লাগে তাৰ ঝঙ্কাৰত অন্তৰত স্পন্দন অনুভূতি হয়, কিন্তু সি কাৰ্যকৰী প্ৰেৰণা দিব নোৱাৰে।

সেই অনুসাৰে আমীয়েলৰ ভূমাস্পৃহাকো য়ুৰোপীয় সমালোচকে শলাগিব পৰা নাই। এজনে কৈছে ই 'আদৰ্শৰ ব্যাধি' (Malady of the Ideal) আন এজনে কৈছে, ই 'সম্পূৰ্ণ অসাৰ, নিৰৰ্থক' (perfectly futile)।

আমীয়েলৰ ভাবধাৰা 'আদৰ্শৰ ব্যাধি' বা 'সম্পূৰ্ণ অসাৰ' হয়নে নহয়, সেইবোৰৰ কাৰ্যকৰী গুণ কিবা আছেনে নাই, তাৰ বিচাৰৰ ভাৰ নীতিবিদসকলৰ ওপৰত। কিন্তু কৰ্মপ্ৰধান য়ুৰোপীয় সমালোচকে কি বিৰাট কল্পনা বা ভূমানুভূতিক খাৰ-বাৰুদৰ খেলা বুলি কয়, ভাৰতীয় পাঠকৰ পক্ষে সি অপৰিচিত নহয়। বিশ্বাত্মবোধ, বিৰাট কল্পনা, ভূমাস্পৃহা ভাৰতীয় সভ্যতা আৰু সাহিত্যৰ কেন্দ্ৰস্থ ভাব। ঋগ্বেদৰ দিনৰ পৰা আৰম্ভ কৰি নানান গ্ৰন্থ; নানান ভাষাৰ ভিতৰেদি, আজিকালি প্ৰাদেশিক সাহিত্যবোৰতো নানান ছন্দ, নানান ভঙ্গিমাত সেই একে ভাবেই পল্লৱিত হৈ আছে। হেজাৰ হেজাৰ বছৰৰ আগেয়ে এজনী ভাৰতীয় ছোৱালীয়ে এই বিশ্বাত্মবোধক ছন্দোময়ী ভাষাত প্ৰচাৰ কৰে। ঋগ্বেদৰ দেৱীসূক্ত সম্পূৰ্ণ ঋষিকন্যা বাক্‌দেৱীৰ ৰচিত। ৰচয়িত্ৰীয়ে কল্পনা কৰিছে তেওঁ নিজেই ভূমা, নিজেই বিশ্ব-শক্তি, নিজেই মূল প্ৰকৃতি।

অহং ৰুদ্ৰোভিৰ্বসুভিশ্চৰা-
ম্যহমাদিত্যৈৰুতবিশ্বদেবৈঃ।
অহং মিত্ৰাবৰুণোভো বিভ-
ৰ্ম্যহমিন্দ্ৰাগ্নী অহমশ্বিনোভা।। ১
অহং সুৱে পিতৰমস্য মূৰ্দ্ধন্
মম যোনিৰপ্ স্বন্তঃ সমূদ্ৰে।
ততো যি তিষ্ঠে ভূবানুবিশ্বো-
তামুং দ্যাং বৰ্ষমণোপ স্পৃশামি।। ৭
অহমেব বাত ইব প্ৰ বা-
ম্যাৰভমাণা ভুবনানি বিশ্বা।
পৰো দিবা পৰ এনা পৃথি-
ব্যৈতাবতী মহিনা সং বভূব।। ৮

'মই ৰুদ্ৰ আৰু বসুসকলৰ লগত বিচৰণ কৰোঁ, আদিত্যৰ লগত, বিশ্বদেৱসকলৰ লগতো। মই মিত্ৰ বৰুণ দুয়োকো ধাৰণা কৰোঁ। ইন্দ্ৰ, অগ্নি, অশ্বিনী দুজনকো'।১

'মই জগতৰ মূধ স্বৰূপে পিতাক (আকাশক) সৃষ্টি কৰিছো। মোৰ মূল সমুদ্ৰৰ ভিতৰত, জলৰাশিত। তাৰ পৰা সমস্ত ভুৱন বিয়পি থাকো, মূৰেৰে আকাশ স্পৰ্শ কৰো।' ৭

'সমস্ত ভুৱন আঁকোৱালি, আকাশ পাৰ হৈ, পৃথিৱী পাৰ হৈ ময়ে বতাহৰূপে বলো। এনেকুৱা মহিমা লৈয়ে মই উপজিছো।' ৮

কল্পনাতীত কালৰ পৰাই ভাৰতীয় সাহিত্যৰ উন্মেষৰ লগে লগেই এই বিশ্বাত্মাৰ লগত ঐকানুভূতিৰ সূচনা হয়। এইটো ক'ব নোৱাৰি যে এই ছন্দোময়ী ভাষণ ভাৰতীয় ছোৱালীৰ আকস্মিক অনুভূতিৰ ক্ষণিক প্ৰকাশ। তেনে হোৱাহেঁতেন বেদৰ পৰৱৰ্তী কালত এই ভাবৰ বহুল আলোচনা আৰু আদৰ নহ'লহেঁতেন। বাক্‌দেৱীৰ কল্পনাৰ পিঠিত সেই সময়ৰ বিদ্বৎসমাজৰ কিমান ভাবৰ আৱেগ আছিল তাক সহজে অনুমান কৰিব পাৰি। কিয়নো পৰৱৰ্তী উপনিষদ গ্ৰন্থবোৰত এই বিশ্বাত্মাৰ স্বৰূপ লৈয়ে নানান কল্পনাৰ খেলা দেখা যায়। তেওঁ ৰসস্বৰূপ, আনন্দস্বৰূপ, সত্যস্বৰূপ, জ্ঞানস্বৰূপ, অনন্তস্বৰূপ— ৰসো বৈ সঃ। আনন্দো ব্ৰহ্মোতি। সত্যং জ্ঞানং অনন্তং ব্ৰহ্মা। সকলো সূক্ষ্ম আলোচনাৰ সাৰমৰ্মস্বৰূপ উপনিষদে কৈছে— তত্ত্বমসি শ্বেতকেতো। "হে শ্বেতকেতু, তুমিয়েই সেই (বিৰাট)।" এই মহাভাব আৰু এই মহানুভূতি ইমান দিনে হয়তো বিদ্বান সমাজত আবদ্ধ আছিল। গীতাত শ্ৰীকৃষ্ণই 'ময়া ততমিদং সৰ্বং জগদব্যক্তমূৰ্তিনা।' —মোৰ অব্যক্ত মূৰ্তিয়েই সমস্ত জগত আগুৰি আছে বুলি এই জ্ঞান জনসমাজত প্ৰচাৰ কৰে আৰু আমীয়েলৰ যুৱোনীয়া দেৱীয়ে উপাসকৰ জ্যোতিঃপুঞ্জৰ চন্দনৰেখা আঁকি দিয়াৰ দৰে শ্ৰীকৃষ্ণয়ো ভক্ত অৰ্জুনক জ্যোতিৰ্ময় দিব্যদৃষ্টি দান কৰি বিশ্বৰূপ দেখুৱায়।

সমালোচকৰ ভাষাত ই 'আত্মাৰ ব্যাধি' বা 'স্তূপীকৃত অসাৰতা' হয়নে নহয় সেইটো বেলেগ কথা। কিন্তু ভাৰতীয় সাহিত্য আৰু সভ্যতাই তাকো মহাপ্ৰাণ শক্তি বুলি সাবটি ধৰি আছে।

আমীয়েলৰ কৰুণ কাহিনীৰ মূল কাৰণ তেওঁৰ অথলত জন্ম আৰু তেওঁৰ ভাবধাৰাও অথলত পৰিছিল। উখৰ মাটিত পচোৱা গুটিৰ দৰে অঠাইত কোৱা কথাও নিষ্ফল হয় 'বাক্যং নিষ্ফলমতৰ্থ্যং বীজমুপ্তমিবোষৰে।'